www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

চিন্তাধাৰাই বিপ্লৱক ইন্ধন যোগায় আৰু ব্যক্তিক হত্যা কৰিব পাৰিলেও, আদৰ্শ অমৰ হৈ থাকে। - ভগৎ সিং

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ২৭৬ | শনিবাৰ | ১৫ আগষ্ট, ২০২৬ চন | Volume/Year- I | Issue- 276 | Saturday | 15th August, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

'যুৱশক্তি ঃ বিকাশিত ভাৰতৰ মূল চালিকা শক্তি' মূল বিষয়বস্তু নিৰ্ধাৰণ

# আজি দেশে পালন কৰিব ৮০ সংখ্যক স্বাধীনতা দিৱস

■ তেজৰ বোলেৰে ইতিহাস লিখা স্বাধীনতা উদ্‌যাপন কৰিবলৈ সাজু দেশৰ ১৪৫ কোটি জনতা ■

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৪ আগষ্ট ঃ** আজি সমগ্ৰ দেশজুৰি অভূতপূৰ্ব উৎসাহ আৰু স্বাভিমানৰ মাজেৰে উদ্‌যাপন কৰা হ'ব ৮০ তম্ স্বাধীনতা দিৱস। ৰাজধানী নতুন দিল্লীৰ ঐতিহাসিক লালকিল্লাৰ পৰা আৰম্ভ কৰি অসমৰ গাঁৱে-ভূঞে, প্ৰতিটো প্ৰান্ততে আজি গৌৰৱেৰে উৰিব জাতীয় পতাকা। সংগ্ৰাম আৰু ত্যাগৰ গৌৰৱময় ইতিহাসক সোঁৱৰণ কৰাৰ এই বিশেষ ক্ষণত এইবাৰৰ ৰাষ্ট্ৰীয় উৎসৱৰ মূল বিষয়বস্তু নিৰ্ধাৰণ কৰা হৈছে 'যুৱশক্তি ঃ বিকশিত ভাৰতৰ মূল চালিকা শক্তি'। ❑ ৬ পৃষ্ঠাত



## স্বাধীনতা দিৱসৰ দিনাই শিৱসাগৰৰ বিধায়ক অখিল গগৈৰ আঠ ঘণ্টীয়া অনশন

মহাপ্ৰলয়ক ৰাষ্ট্ৰীয় দুৰ্যোগ ঘোষণা, ১০ লাখ ক্ষতিপূৰণ আৰু চিবিআই তদন্তৰ দাবী



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৪ আগষ্ট ঃ** উজনি অসমত সংঘটিত ভয়ংকৰ বানপানীৰ পীড়িত ৰাইজৰ পক্ষত শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে এক কঠোৰ আন্দোলনৰ ঘোষণা কৰিছে। স্বাধীনতা দিৱসৰ দিনা অৰ্থাৎ ১৫ আগষ্টত পুৱা ৮ বজাৰ পৰা বিয়লি ৪ বজালৈ শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত তেওঁ অনশন কৰিব। ফেচবুকৰ জৰিয়তে এই ঘোষণা কৰি বিধায়কগৰাকীয়ে ❑ ৬ পৃষ্ঠাত

প্ৰতিগৰাকী নাগৰিকক ৰাষ্ট্ৰ নিৰ্মাণৰ অংশীদাৰ বুলি অভিহিত

## স্বাধীনতা দিৱসৰ প্ৰাক সন্ধ্যা দেশবাসীক সম্বোধন ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৪ আগষ্ট ঃ** ভাৰতৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাক্ সন্ধ্যা দেশবাসীক উদ্দেশ্যি ভাষণ প্ৰদান কৰে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে। ভাষণৰ একেবাৰে আৰম্ভণিতে ৰাষ্ট্ৰপতিগৰাকীয়ে সমগ্ৰ দেশবাসীকে স্বাধীনতা দিৱসৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে ❑ ৮ পৃষ্ঠাত

মন্ত্ৰীসকলৰ পতাকা উত্তোলনৰ দায়িত্ব প্ৰদান

## খানাপাৰাত মুখ্যমন্ত্ৰীয়ে উত্তোলন কৰিব জাতীয় পতাকা

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৪ আগষ্ট ঃ** অসমবাসীয়ে শনিবাৰে গৌৰৱেৰে পালন কৰিব ৮০ সংখ্যক স্বাধীনতা দিৱস। ৰাজ্যজুৰি বানপানীৰ বিভীষিকাই চৰ্চা সৃষ্টি কৰি থকা পৰিস্থিতিতো প্ৰতিখন জিলাতে স্বাধীনতা দিৱসৰ কাৰ্যসূচী সম্পন্ন কৰাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। ৰাজ্য চৰকাৰে মন্ত্ৰীসকলক বিভিন্ন জিলাত পতাকা উত্তোলনৰ দায়িত্ব অৰ্পণ কৰিছে, যাৰ মাধ্যমেৰে ৰাজ্যজুৰি এই দিৱসটো উপযুক্ত মৰ্যাদা আৰু উৎসাহেৰে উদযাপিত হ'ব। ৰাজধানী গুৱাহাটীৰ খানাপাৰাৰ কেন্দ্ৰীয় অনুষ্ঠানত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব মুখ্যমন্ত্ৰী ❑ ৬ পৃষ্ঠাত

## অসম চিকিৎসা মহাবিদ্যালয়ত সীমান্তৰ গুলীচালনা ঘটনাৰ আহতসকলক সাক্ষাৎ মন্ত্ৰী ৰণোজ পেগুৰ

মুখ্যমন্ত্ৰীৰ ২ লাখ টকাকৈ আৰ্থিক সাহায্য ঘোষণা ঃ এগৰাকীৰ অস্ত্ৰোপচাৰ সম্পন্ন



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৪ আগষ্ট ঃ** অসম-অৰুণাচল প্ৰদেশ সীমান্তৰ গুলীচালনাৰ ঘটনাত আহত লোকসকলৰ স্বাস্থ্যৰ বুজ ল'বলৈ আজি ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত উপস্থিত হয় ধেমাজি জিলাৰ মন্ত্ৰী ৰণোজ পেগু। চিকিৎসালয়খনৰ ছুপাৰ স্পেচিয়েলিটি ব্লকত থকা মুঠ ৮ গৰাকী আহত লোকৰ চিকিৎসা অধীক্ষক ডাঃ ধ্ৰুৱজ্যোতি ভূঞাৰ লগতে অন্যান্য চিকিৎসকসকলৰ ❑ ৬ পৃষ্ঠাত

## স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত অৰুণাচলত বিদ্ৰোহীৰ এম্বুশ্ব

লংভিত আছাম ৰাইফলছৰ শিবিৰত ধাৰাসাৰ গুলীবৰ্ষণ ঃ প্ৰায় ১৫ মিনিট ধৰি চলিল গুলীয়াগুলী

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা/তিনিচুকীয়া,১৪ আগষ্ট ঃ** দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ প্ৰাকক্ষণত অৰুণাচল প্ৰদেশত এক চাঞ্চল্যকৰ কূটাঘাতমূলক ঘটনা সংঘটিত হোৱাৰ বাতৰি পোৱা গৈছে। চাংলাং জিলাৰ নামপুং আৰক্ষী থানাৰ অন্তৰ্গত লংভিত অৱস্থিত আছাম ৰাইফলছৰ শিবিৰক লক্ষ্য কৰি সন্দেহযুক্ত বিদ্ৰোহী সংগঠনৰ এটা দলে নিশা আক্ৰমণ চলোৱাৰ অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, শুকুৰবাৰে পুৱতি নিশা প্ৰায় ৩.১৫ বজাত ❑ ৬ পৃষ্ঠাত

■ দোষীৰ গ্ৰেপ্তাৰ আৰু সীমান্ত সমস্যাৰ স্থায়ী সমাধান দাবী ■

## অৰুণাচলীৰ গুলীচালনাৰ বিৰুদ্ধে AJYCPৰ জ্বলন্ত জোঁৰ সমদল



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৪ আগষ্ট ঃ** ধেমাজি জিলাৰ সীমান্তৱৰ্তী গোগামুখৰ মিংমাং বদতিত অৰুণাচলী দুৰ্বৃত্তই নিৰীহ অসমীয়া লোকৰ ওপৰত চলোৱা অমানৱীয় গুলীচালনা আৰু আক্ৰমণৰ ঘটনাক তীব্ৰ ভাষাত গৰিহণা জনাইছে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ (AJYCP)-ৰ ধেমাজি জিলা সমিতিয়ে। নিৰীহ অসমীয়াক অকাৰণত গুলীয়াই আহত কৰাৰ এই ঘটনাৰ প্ৰতিবাদত আজি বিয়লি ❑ ৬ পৃষ্ঠাত

আৰক্ষী মহাপৰিদৰ্শক দেৱজ্যোতি মুখাৰ্জীকে ধৰি কেইবাগৰাকী বিষয়ালৈ সন্মান

## স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত অসম আৰক্ষীৰ ১৫ গৰাকী বিষয়া-জোৱানলৈ ৰাষ্ট্ৰপতিৰ বিশিষ্ট আৰু প্ৰশংসনীয় সেৱা পদক



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৪ আগষ্ট ঃ** সমগ্ৰ দেশবাসীয়ে ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিবলৈ সাজু হৈ উঠা সময়তে ২০২৬ চনৰ এই বিশেষ দিৱসৰ প্ৰাকক্ষণত ৰাষ্ট্ৰপতিৰ পদক বিজয়ীসকলৰ নাম ঘোষণা কৰা হৈছে, যিয়ে ৰাজ্যৰ বাবে এক গৌৰৱৰ মুহূৰ্ত কঢ়িয়াই আনিছে। দেশৰ বিভিন্ন প্ৰান্তৰ মুঠ ১০৫৭ গৰাকী বিষয়া-জোৱানক ৰাষ্ট্ৰপতিৰ সাহসিকতা আৰু সেৱা পদকেৰে সন্মানিত কৰা হৈছে, আৰু এই বিশাল তালিকাত অসম আৰক্ষীৰো কেইবাগৰাকী বিষয়া-জোৱানে স্থান লাভ কৰি ৰাজ্যখনক গৌৰৱান্বিত কৰিছে। বিশেষকৈ, অসম আৰক্ষীৰ মুঠ ৰপ্ত গৰাকী বিষয়া-জোৱানে বিশিষ্ট সেৱা আৰু প্ৰশংসনীয় ❑ ৬ পৃষ্ঠাত

## অবৈধ খননেই উজনি অসমৰ বানৰ মূল কাৰণ ঃ অনুসূচিত জাতি ছাত্ৰ সন্থা

মুখ্যমন্ত্ৰীৰ নিষ্ক্ৰিয়তাৰ তীব্ৰ সমালোচনা ঃ তিনিগৰাকী বিধায়ক কয়লা ব্যৱসায়ৰ সৈতে জড়িতৰ দাবী

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৪ আগষ্ট ঃ** উজনি অসমৰ শিৱসাগৰ, যোৰহাট, চৰাইদেউকে ধৰি কেইবাখনো জিলাত শেহতীয়াকৈ বানে যি সংহাৰী ৰূপ ধাৰণ কৰিলে, তাৰ মূল কাৰণ হৈছে নাগালেণ্ডৰ পৰা অসমলৈ অব্যাহত থকা অবৈধ কয়লা আৰু শিল খনন - এই গুৰুতৰ অভিযোগ উত্থাপন কৰিছে সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাই। শিৱসাগৰত অনুষ্ঠিত এক সংবাদমেলত সংগঠনটোৰ সম্পাদক পৰশজ্যোতি দাসে স্পষ্টভাৱে কয় যে এই সমগ্ৰ বান পৰিস্থিতি মানৱসৃষ্ট, আৰু ইয়াৰ পিছত থকা মূল কাৰণ হৈছে অবৈধ খনন কাৰ্যকলাপ। তেওঁ লগতে উল্লেখ কৰে যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নাগালেণ্ডত অবৈধ কয়লা খনন ❑ ৬ পৃষ্ঠাত

## ১৯০খন চিকিৎসালয়ত বানপীড়িতৰ বাবে চৰ্মৰোগ চিকিৎসাৰ ব্যৱস্থা

১৩টা মেগা শিবিৰত ১৫ হাজাৰ ৰোগীলৈ সেৱা ঃ স্বাস্থ্য মন্ত্ৰীৰ বিশেষ ঘোষণা



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৪ আগষ্ট ঃ** শেহতীয়াকৈ উজনি অসমৰ কেইবাখনো জিলাত সংঘটিত হোৱা ভয়ংকৰ বানপানীৰ পাছত বানপীড়িত অঞ্চলসমূহত বিভিন্ন ধৰণৰ ৰোগৰ প্ৰাদুৰ্ভাৱ দেখা দিছে। চৰ্দি, জ্বৰৰ লগতে বহুলোক চৰ্মৰোগত আক্ৰান্ত হৈ পৰিছে, যাৰ বাবে জনসাধাৰণ আতংকিত হৈ পৰিছে। এই পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ স্বাস্থ্য বিভাগে ❑ ৬ পৃষ্ঠাত

চৰকাৰী তথ্যৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীৰ দাবী ঃ বেকাজান নদীত কয়লাৰ অৱশিষ্ট উটি অহাৰ উদ্বেগ

## অসমত কয়লা নাই বুলি কোৱা মুখ্যমন্ত্ৰীৰ দাবী সম্পূৰ্ণ মিছা ঃ দেৱব্ৰত শইকীয়া



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৪ আগষ্ট ঃ** শেহতীয়াকৈ উজনি অসমত সংঘটিত সংহাৰী বানপানীৰ মূল কাৰণ হিচাপে অবৈধ শিল, বালি আৰু কয়লা খননক দায়ী কৰি ৰাজ্যজুৰি এক তীব্ৰ চৰ্চাৰ সৃষ্টি হৈছে। নাগালেণ্ডৰ পাহাৰীয়া অঞ্চল আৰু অসমৰ বিভিন্ন প্ৰান্তত চলি থকা এই অবৈধ খনন কাৰ্যকলাপেই যে বানৰ বাবে দায়ী, সেই বিষয়ে প্ৰায় সকলো ৰাজনৈতিক আৰু সামাজিক সংগঠনে একমত হৈ আহিছে। কিন্তু ৰাজ্য চৰকাৰে এই অভিযোগ নস্যাৎ কৰি উজনি অসমৰ বানপানীৰ বাবে নাগালেণ্ডত হোৱা অত্যধিক বৰষুণক কাৰণ বুলি উল্লেখ কৰিছে আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজেই স্পষ্টভাৱে ❑ ৬ পৃষ্ঠাত

স্বাধীনতা দিৱসৰ প্ৰাকমুহূৰ্তত গুৱাহাটী আৰক্ষীৰ সফলতা

## ছয়মাইলত ১০ কেজি হেৰ'ইন উদ্ধাৰ ঃ দুটা পৃথক অভিযানত ১০০ কোটি টকাৰ ড্ৰাগছ জব্দ



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৪ আগষ্ট ঃ** স্বাধীনতা দিৱসৰ প্ৰাকমুহূৰ্তত গুৱাহাটী মহানগৰীত আৰক্ষীয়ে চলোৱা দুটা পৃথক অভিযানত মুঠ ১০০ কোটি টকাৰো অধিক মূল্যৰ ড্ৰাগছ জব্দ কৰি এখন বৃহৎ সৰবৰাহ চক্ৰৰ জব্দ কৰিবলৈ সক্ষম হৈছে। মহানগৰীৰ ছয়মাইল অঞ্চলত চলোৱা প্ৰথম অভিযানত বিশেষ সূত্ৰৰ ভিত্তিত আৰক্ষীয়ে প্ৰায় ১০ কিলোগ্ৰাম হেৰ'ইন উদ্ধাৰ কৰে, যাৰ আন্তঃৰাষ্ট্ৰীয় বজাৰ মূল্য প্ৰায় ৮০ কোটি টকা বুলি প্ৰাথমিকভাৱে অনুমান কৰা হৈছে। আৰক্ষী বিষয়া কল্যাণ পাঠকৰ নেতৃত্বত চলোৱা এই অভিযানত ছয়মাইলৰ চছল ❑ ৬ পৃষ্ঠাত

## বিভাজনৰ দাগ পাহৰিব নোৱাৰি, পুনৰ দেশৰ ক্ষতি কৰিবলৈ কাকো দিয়া নহ'ব ঃ মুখ্যমন্ত্ৰী

বিভাজন বিভীষিকা স্মৃতি দিৱসত কঠোৰ বাৰ্তা ঃ ১৯৪৭ৰ বিভাজনক সোঁৱৰি অখণ্ডতা ৰক্ষাৰ সংকল্প

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৪ আগষ্ট ঃ** ১৯৪৭ চনৰ ভাৰত বিভাজন ভাৰতীয় ইতিহাসৰ এনে এক অধ্যায়, যাৰ বিভীষিকাক সোঁৱৰি শুকুৰবাৰে 'বিভাজন বিভীষিকা স্মৃতি দিৱস' উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এক বাৰ্তা প্ৰেৰণ কৰে, য'ত তেওঁ স্পষ্টভাৱে কয় যে মুছলিম লীগে ভাৰতৰ ওপৰত জাপি দিয়া বিভাজনৰ দাগ কেতিয়াও পাহৰিব নোৱাৰি, আৰু পুনৰ কোনো পক্ষকেই দেশৰ অখণ্ডতাৰ ক্ষতি কৰিবলৈ দিয়া নহ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা বাৰ্তাত কয় যে ❑ ৮ পৃষ্ঠাত

শান্তিৰ আহ্বান ৰিজিজুৰ ঃ অৰুণাচল অসমৰ পৰা ওলোৱা ৰাজ্য, ভাতৃত্ববোধ বৰ্তাই ৰাখিবলৈ আহ্বান

## অসম-অৰুণাচল সীমান্ত সংঘাত সন্দৰ্ভত দিল্লীত দুয়ো ৰাজ্যৰ সাংসদৰ বৈঠক



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৪ আগষ্ট ঃ** অসম-অৰুণাচল সীমান্তত অসমীয়া লোকক লক্ষ্য কৰি অৰুণাচলী দুৰ্বৃত্তই গুলীচালনা কৰাৰ অভিযোগ উত্থাপিত হোৱাৰ পিছৰে পৰা সীমান্তৱৰ্তী অঞ্চলত উত্তেজনা ক্ৰমাৎ বৃদ্ধি পাইছে। বিভিন্ন ৰাজনৈতিক আৰু সামাজিক সংগঠনে অভিযুক্ত অৰুণাচলী দুৰ্বৃত্তক তৎক্ষণাত গ্ৰেপ্তাৰ কৰাৰ দাবী জনাই প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে পথ অৱৰোধ আন্দোলনো পৰিচালনা কৰি আহিছে। এই পৰিস্থিতিৰ মাজতে অৰুণাচল প্ৰদেশ আৰু অসমৰ সাংসদসকলে বৃহস্পতিবাৰে দিল্লীস্থিত কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৰ আবাসত এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত কৰে, য'ত দুয়ো ❑ ৬ পৃষ্ঠাত

ঐক্য-ভাতৃত্ববোধ অটুট ৰখাৰ আহ্বান; অগণন লোকৰ ত্যাগ আৰু সাহসক স্মৰণ

## বিভাজনৰ বলিসকলক শ্ৰদ্ধাঞ্জলি প্ৰধানমন্ত্ৰী মোদীৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৪ আগষ্ট ঃ** ১৫ আগষ্টৰ স্বাধীনতা দিৱসৰ এদিন পূৰ্বে অৰ্থাৎ শুকুৰবাৰে সমগ্ৰ দেশবাসীয়ে সোঁৱৰণ কৰে ১৯৪৭ চনৰ সেই ভয়ংকৰ বিভাজনৰ কথা, যাৰ যন্ত্ৰণাৰ দাগ আজিও সম্পূৰ্ণৰূপে শেষ হোৱা নাই। এই বিভাজনে কেৱল এখন দেশৰ মানচিত্ৰ সলনি কৰাই নাছিল, লাখ লাখ মানুহৰ জীৱনো সলনি কৰি দিছিল। এই প্ৰেক্ষাপটতে শুকুৰবাৰে 'বিভাজনৰ বিভীষিকা স্মৰণ দিৱস' উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশ বিভাজনৰ ফলত প্ৰভাৱিত লোকসকলৰ সাহস, সহনশীলতা আৰু ত্যাগক সোঁৱৰি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু দেশত ঐক্য আৰু ভাতৃত্ববোধ অটুট ৰখাৰ আহ্বান জনায়। প্ৰধানমন্ত্ৰী মোদীয়ে এই বিভাজনৰ সময়ছোৱাক ইতিহাসৰ এক ভয়ংকৰ অধ্যায় বুলি আখ্যা দিয়ে, য'ত বহু লোকৰ জীৱন ধ্বংস হৈছিল, পৰিয়াল উচ্ছেদ হৈছিল, আপোনজনক হেৰুৱাবলগীয়া হৈছিল আৰু অসীম কষ্টৰ সন্মুখীন হৈছিল অগণন মানুহ। কিন্তু তেওঁ স্পষ্ট কৰি কয় যে এই কাহিনী কেৱল যন্ত্ৰণাতেই সীমাবদ্ধ নহয়, ই হৈছে ভাঙি পৰা জীৱনক আকৌ শূন্যৰ পৰা গঢ়ি তোলাৰো এক কাহিনী। সেই কঠিন সময়তো মানুহে প্ৰতিকূলতাৰ সন্মুখীন হৈ নতুনকৈ জীৱন আৰম্ভ কৰিছিল, আৰু বহু লোকে নিজৰ কষ্টক শক্তিলৈ ❑ ৮ পৃষ্ঠাত

ফটো-ভিডিঅ'ৰ জৰিয়তে প্ৰমাণ দিলে অখিল গগৈয়ে

## নাগালেণ্ডত চলি থকা অবৈধ কয়লা খননেই বিপদ মাতিলে উজনিৰ তিনি জিলালৈ

বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰক 'গেংষ্টাৰ' আখ্যা

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৪ আগষ্ট ঃ** বিগত ১৯ জুলাইত উজনি অসমত সংঘটিত হোৱা ভয়ংকৰ বানপানী সম্পূৰ্ণৰূপে মানৱসৃষ্ট দুৰ্যোগ বুলি ❑ ৬পৃষ্ঠাত

**দুমাহ অতিক্ৰম হোৱাৰ পিছতো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিব পৰা নাই মূল অভিযুক্তক; আৰক্ষীৰ নীৰৱ ভূমিকাত বামুণ দংৰা অঞ্চলত তীব্ৰ চাঞ্চল্য**

# চেঙা সমষ্টিৰ বামুণ দংৰাত নাবালিকাক ধৰ্ষণৰ অভিযোগক কেন্দ্ৰ কৰি তীব্ৰ চাঞ্চল্য

**অসম বাৰ্তা, মন্দিয়া, ১৪ আগষ্ট ঃ** বৰপেটা জিলাৰ বামুণ দংৰা গাঁৱত এগৰাকী ১৪ বছৰীয়া নাবালিকা কিশোৰীক ধৰ্ষণ কৰাৰ অভিযোগক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। ঘটনাটো সংঘটিত হোৱাৰ প্ৰায় দুমাহ অতিক্ৰম হোৱাৰ পিছতো স্থানীয় আৰক্ষীয়ে মুল অভিযুক্তক গ্ৰেপ্তাৰ কৰিব নোৱাৰাটোৱে আৰক্ষীৰ ব্যৰ্থতা বুলি ভুক্তভোগী পৰিয়ালে অভিযোগ উত্থাপন কৰিছে। সামাজিক ভাবে পৰিয়ালটোৱে আত্মসন্মান লাঘৱ হোৱাৰ ভয়তে ৰাজহুৱা কৰা নাছিল কিন্তু আৰক্ষীৰ পৰা ন্যায় লাভৰ পৰা বঞ্চিত হোৱাৰ আশংকা কৰিয়েই অৱশেষত সংবাদ মাধ্যমৰ কাষ চাপিছে ভুক্তভোগী পৰিয়ালটোৱে। পৰিয়ালৰ অভিযোগ অনুসৰি, যোৱা ১৫ জুন তাৰিখে নিশা আনুমানিক ৮ বজাত চেঙা সমষ্টিৰ অন্তৰ্গত বামুণ দংৰা গাঁৱৰ জাহেৰ আলীৰ ১৪ বছৰীয়া নাবালিকা কন্যাক মুখত কাপোৰ মেৰিয়াই বলপূৰ্বকভাৱে পথাৰলৈ লৈ যায় পাহাৰপুৰ গাঁৱৰ বাদশ্বাহ মিয়াৰ পুত্ৰ ৰহিজুল ইছলাম নামৰ এজন যুৱকে। তাতেই কিশোৰীগৰাকীক ধৰ্ষণ কৰা হয় বুলি পৰিয়ালটোৱে অভিযোগ উত্থাপন কৰিছে। ঘটনাৰ পিছত ভুক্তভোগী পৰিয়ালৰ দাবী অনুসৰি, তেওঁলোকে ২৪ জুন তাৰিখে মন্দিয়া আৰক্ষী চকীত উপস্থিত হৈ এজাহাৰ দাখিল কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু আৰক্ষীয়ে এজাহাৰ গ্ৰহণ নকৰা বুলি পৰিয়ালটোৱে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। পিছত তেওঁলোকে বাঘবৰ আৰক্ষী থানাৰ শৰণাপন্ন হয়। তাত বাঘবৰ আৰক্ষী থানাৰ ৫৫/২০২৬ নম্বৰ গোচৰ ৰুজু কৰা হয়। গোচৰটো ধাৰা ৬৫(১) BNS আৰু POCSO আইনৰ ৬নং ধাৰাৰ অধীনত ৰুজু কৰা হৈছে। কিন্তু গোচৰ ৰুজু হোৱাৰ পিছতো এতিয়ালৈকে মূল অভিযুক্তক গ্ৰেপ্তাৰ কৰিব নোৱাৰাত ক্ষোভিত হৈ পৰিছে পৰিয়ালটোৰ সদস্যসকলে। ভুক্তভোগী পৰিয়ালৰ অভিযোগ, আৰম্ভণিতে আৰক্ষীয়ে দুই-এদিন অভিযান চলালেও পিছলৈ কোনো উল্লেখযোগ্য তৎপৰতা দেখা নগ'ল। পৰিয়ালটোৱে পুনৰ থানাত যোগাযোগ কৰাত অভিযুক্ত পলাতক অৱস্থাত আছে বুলি আৰক্ষীয়ে জনাইছিল বুলি তেওঁলোকে দাবী কৰিছে। ভুক্তভোগী পৰিয়ালৰ সদস্যসকলে সংবাদ মাধ্যমৰ আগত কান্দি কান্দি কয় যে, "আমাৰ ছোৱালীটোৰ জীৱন ধ্বংস হৈ গ'ল। আমি ন্যায় বিচাৰি আৰক্ষীৰ ওচৰলৈ গৈছিলোঁ, কিন্তু এতিয়াও কোনো ফল পোৱা নাই। অভিযুক্ত মুক্তভাৱে ঘূৰি ফুৰিছে বুলি আমি আশংকা কৰিছোঁ।" ইফালে, ঘটনাক কেন্দ্ৰ কৰি বামুণ দংৰা আৰু পাৰ্শ্ববৰ্তী অঞ্চলত তীব্ৰ উত্তেজনাৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজে অভিযোগ কৰে যে, নাবালিকাৰ দৰে স্পৰ্শকাতৰ ঘটনাত আৰক্ষীয়ে অধিক সক্ৰিয় ভূমিকা ল'ব লাগিছিল। একাংশ লোকে আনকি এই অভিযোগো উত্থাপন কৰিছে যে,প্ৰকৃত অভিযুক্তক গ্ৰেপ্তাৰ কৰাৰ পৰিৱৰ্তে নিৰীহ লোকক বিপৰীতমুখী গোচৰত হাৰাশাস্তি কৰা হৈছে। যদিও এই অভিযোগৰ বিষয়ে আৰক্ষীৰ কোনো আনুষ্ঠানিক মন্তব্য লাভ কৰা হোৱা নাই। স্থানীয় সমাজকৰ্মীসকলেও ঘটনাটোক অত্যন্ত গুৰুত্বসহকাৰে ল'বলৈ দাবী জনাইছে। তেওঁলোকৰ মতে, POCSO আইনৰ অধীনত ৰুজু হোৱা গোচৰ আৰক্ষীৰ তদন্ত আৰু গ্ৰেপ্তাৰ প্ৰক্ৰিয়া দ্ৰুত হ'ব লাগে। ক্ষুব্ধ ৰাইজে শীঘ্ৰে মূল অভিযুক্তক গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি প্ৰদানৰ দাবী জনাইছে। লগতে নাবালিকাগৰাকীক উপযুক্ত চিকিৎসা, মানসিক সহায় আৰু আইনী সুৰক্ষা নিশ্চিত কৰিবলৈও আহ্বান জনোৱা হৈছে। ঘটনাটোৰ নিৰপেক্ষ তদন্তৰ দাবীত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপো কামনা কৰিছে ভুক্তভোগী পৰিয়াল আৰু স্থানীয় লোকে। এই ঘটনাই পুনৰ এবাৰ প্ৰশ্ন উত্থাপন কৰিছে, নাবালিকাৰ দৰে স্পৰ্শকাতৰ ঘটনাত আৰক্ষীৰ ভূমিকা কিমান তৎপৰ? গোচৰ ৰুজু হোৱাৰ পিছতো কিয় এতিয়াও গ্ৰেপ্তাৰ হোৱা নাই মূল অভিযুক্ত? তদন্ত কোন দিশে আগবাঢ়িছে? এই সকলো প্ৰশ্নৰ উত্তৰ এতিয়া সময়ৰ ওপৰত।

# ডিব্ৰুগড়ৰ বৰবৰুৱাস্থিত আই টি আইৰ বিতৰ্কিত অধ্যক্ষ ৰাজু গোপালক তাৎক্ষণিক বদলিৰ আদেশ ৰাজ্য চৰকাৰৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৪ আগষ্ট ঃ** ডিব্ৰুগড়ৰ বৰবৰুৱাস্থ আই টি আইৰ অধ্যক্ষৰ অতিৰিক্ত দ্বায়িত্বত থকা ৰাজু গোপালৰ বিৰুদ্ধে একাধিক অভিযোগ উত্থাপন হৈ অহাৰ মূৰকত ৰাজ্য চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষই তাৎক্ষণিক ভাৱে কাৰ্যকৰী হোৱাকৈ তিনিচুকীয়াৰ আই টি আই প্ৰতিষ্ঠানলৈ বদলিৰ আদেশ জাৰি কৰে। উল্লেখযোগ্য যে, বৰবৰুৱাস্থ ডিব্ৰুগড় ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানটোৰ ক্ষেত্ৰত এই গৰাকী অধ্যক্ষই বিশেষ কোনো মন-নিদিয়া, প্ৰয়োজনীয় প্ৰশাসনিক কামকাজখিনিও নকৰাত প্ৰতিষ্ঠানটোৰ অন্যান্য কৰ্মচাৰীৰ লগতে প্ৰশিক্ষক - প্ৰশিক্ষাৰ্থী সকলোৱে দীৰ্ঘদিন ধৰি অসন্তুষ্টি প্ৰকাশ কৰি আহিছিল। শেহতীয়াভাৱে ডিব্ৰুগড় জিলাৰ জিলা আয়ুক্তৰ ওচৰত নেতৃস্থানীয় তথা জ্যেষ্ঠ সাংবাদিক শৰৎ চন্দ্ৰ নেওগে যোৱা জুলাই মাহৰ ৪ তাৰিখে অধ্যক্ষ ৰাজু গোপালৰ বিৰুদ্ধে এটা গুৰুত্বপূৰ্ণ অভিযোগ উত্থাপন কৰিছিল। উক্ত অভিযোগ পত্ৰত নেওগে তথ্য সহকাৰে উল্লেখ কৰিছিল যে, দেশৰ এটা প্ৰতিস্থিত কোম্পানী দিল্লীস্থ এল জি ইলেক্ট্ৰনিকচ্ ইণ্ডিয়া লিমিটেড নামৰ এটা কোম্পানীৰ প্ৰতিনিধি বুলি চিনাকি দিয়া এজন ভুৱা প্ৰতিনিধিয়ে ডিব্ৰুগড় জিলাৰ বিভিন্ন অঞ্চলৰ ৩৩ গৰাকী নিবনুৱা যুৱক প্ৰশিক্ষাৰ্থীক দিল্লীত প্ৰশিক্ষণ দি চাকৰি দিয়াৰ প্ৰলোভন দি কেইবাহাজাৰ টকা কৌশলেৰে আদায় কৰি শেষত অন্তৰ্ধান হয়। উক্ত কাৰ্যত ডিব্ৰুগড় আই টি আইৰ প্ৰশিক্ষণ কক্ষ ব্যৱহাৰ কৰাকে আদি কৰি অন্যান্য যাৱতীয় কামত উক্ত ভুৱা প্ৰতিনিধিজনৰ লগত প্ৰত্যক্ষভাৱে জড়িত হৈ আহিছিল অধ্যক্ষ ৰাজু গোপাল। জিলা আয়ুক্তই নেওগৰ অভিযোগ পত্ৰৰ প্ৰসংগত উৰ্ধতম কৰ্তৃপক্ষৰ সৈতে যোগাযোগ কৰে। শেহতীয়াকৈ এটা অভিযোগ এই গৰাকী অধ্যক্ষৰ বিৰুদ্ধে উত্থাপিত হৈছিল, য'ত কোৱা হৈছিল যে, এই প্ৰতিষ্ঠানত থকা বিদ্যুৎ সৰবৰাহৰ ট্ৰেন্সফৰ্মাৰটো বিকল হৈ পৰাত এমাহৰ পূৰ্বেই বিদ্যুৎ বিভাগলৈ মেৰামতিৰ বাবে ট্ৰেন্সফৰ্মাৰটো প্ৰেৰণ কৰিছিল। বিদ্যুৎ বিভাগে লগে লগে মেৰামতি কৰে যদিও তাৰ বিনিময়ত পৰিশোধ কৰিবলগীয়া বিলৰ টকা অধ্যক্ষ গৰাকীয়ে নিদি এমাহ ধৰি বিদ্যুৎ সংমণ্ডল কাৰ্যালয়তে পেলাই থৈছিল। তাৰ ফলত অসহ্য গৰমত দিন অতিবাহিত কৰিবলগীয়া হৈছিল প্ৰতিষ্ঠানটোৰ কৰ্মচাৰী, প্ৰশিক্ষক আৰু প্ৰশিক্ষাৰ্থী সকল। শেষত ১১ আগষ্টত জিলা আয়ুক্তই অধ্যক্ষ ৰাজু গোপালক কাৰ্যালয়লৈ মতাই নি জৰুৰী আদেশ দিয়াতহে ট্ৰেন্সফৰ্মাৰটো লৈ যাবলৈ সক্ষম হয়। অৱশেষত ৰাজ্য চৰকাৰে এক আদেশ মৰ্মে অধ্যক্ষ গৰাকীক বদলি কৰা বুলি জানিব পাৰি প্ৰতিষ্ঠানটোৰ সকলোৱে সন্তোষ প্ৰকাশ কৰে। উল্লেখযোগ্য যে, ৰাজ্য চৰকাৰৰ দক্ষতা, নিয়োগ আৰু উদ্যোগ বিভাগৰ সচিবৰ যোৱা ১২ আগষ্ট '২৬ তাৰিখৰ আদেশ নং ই চি এফ. ১২৬০১৮/৭৩৯- বি মৰ্মে তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ অধ্যক্ষ ৰাজু গোপালক তিনিচুকীয়াৰ আই টি আই প্ৰতিষ্ঠানলৈ আৰু ডিব্ৰুগড়স্থ এই প্ৰতিষ্ঠানটোলৈ শিৱসাগৰ আই টি আইৰ অধীক্ষক অপূৰ্ব ডেকাক ডিব্ৰুগড় আই টি আইৰ অধীক্ষকৰ অতিৰিক্ত দ্বায়িত্বদি বদলি কৰা হৈছে।

# ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ত 'প্ৰিঞ্চিপালছ লাষ্ট ক্লাছ ৩.০' শীৰ্ষক বক্তৃতামালা সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৪ আগষ্ট ঃ** ডিব্ৰুগড় হনুমান ব' সুজমল কানৈ মহাবিদ্যালয় (স্বায়ত্বশাসিত)ৰ ইংৰাজী বিভাগৰ অধ্যাপিকা ড° হানিফা ৰহমান, মনোবিজ্ঞান বিভাগৰ অধ্যাপিকা উপাসনা দত্ত আৰু সমাজতত্ত্ব বিভাগৰ অধ্যাপিকা সুজাতা সোণোৱালৰ উদ্যোগত অনুষ্ঠিত হোৱা 'প্ৰিঞ্চিপালছ লাষ্ট ক্লাছ-৩.০' উদ্বোধন কৰি বিশিষ্ট কবি, সাহিত্যিক তথা মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই এইদৰে কয় যে মানুহে কৰ্মৰ জৰিয়তে সমাজৰ ধাৰ পৰিশোধ কৰিব লাগিব। অধ্যক্ষ ড° শশীকান্ত শইকীয়াই প্ৰিঞ্চিপালছ লাষ্ট ক্লাছৰ জৰিয়তে এনে এক চানেকি থৈ যাব যি ভৱিষ্যতে এক দলিল হৈ ৰ'ব। অধ্যক্ষগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয়— মগজুৰ কোষবোৰক যিমানেই কামত লগোৱা হয়, সিমানেই কোষবোৰ শক্তিশালী হয়। যিমানেই এলাহ কৰি কাম কৰাৰ পৰা আতৰ হয়, সিমানেই মগজুৰ কোষবোৰ শুকাই যায়। অধ্যক্ষগৰাকীয়ে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ নেতৃত্বত মহাবিদ্যালয়খনে যি এক নিয়মানুৱৰ্তীতাৰ মাজেৰে আগুৱাই গৈছে তাক ভূয়সী প্ৰশংসা কৰাৰ লগতে অধ্যক্ষ ড° শশীকান্ত শইকীয়াই মাজুলী মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে কৰ্মৰত হৈ থকা সময়ছোৱাত মহাবিদ্যালয়খনত কৰা উন্নয়নৰ কথাও উল্লেখ কৰে। শেষত এটি সুন্দৰ কবিতাই অধ্যক্ষগৰাকীয়ে তেখেতৰ সাৱলীল বক্তব্য সামৰণি মাৰে। অধ্যাপিকা সুজাতা সোণোৱালে আঁত ধৰা অনুষ্ঠানটিত 'প্ৰিঞ্চিপালছ লাষ্ট ক্লাছ-৩.০' বক্তৃতামালাত 'বুকুৰ মাজত জীয়াই থকা এজন পিতৃৰ অপ্ৰকাশিত মমতা'- শীৰ্ষক বিষয়ত অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয় বোধহয় পিতৃসকল এনেকুৱাই। পিতৃয়ে সন্তানক মাকৰ দৰে কোলাত লৈ মুখত চুমা খাই মৰম দেখুৱাব নোৱাৰে। পিতৃৰ মৰমবোৰ লুকুৱাই থোৱা থাকে অনুশাসনৰ টান চামৰাৰ আঁৰত, গালি-গালাজৰ পিছফালে আৰু নীৰৱে কৰি যোৱা কষ্টবোৰৰ মাজত। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য ননীমাধৱ বৰকটকীয়ে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ এটি কালজয়ী গীত পৰিৱেশন কৰে। বৰকটকীয়ে অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ কৰ্মৰাজিক ভূয়সী প্ৰশংসা কৰি কয়- অধ্যক্ষগৰাকীৰ নেতৃত্বতে কানৈ মহাবিদ্যালয়ে উন্নতিৰ উচ্চ শিখৰত আগুৱাই যাবলৈ সক্ষম হৈছে। উল্লেখ্য যে অৰুণাচল প্ৰদেশৰ পৰা আহি কানৈ মহাবিদ্যালয়ত অধ্যয়ন কৰি থকা ছাত্ৰ সুভম সূত্ৰধৰে অধ্যক্ষগৰাকীক প্ৰশংসা কৰি এক সুন্দৰ বক্তব্য প্ৰদান কৰে আৰু অধ্যক্ষগৰাকীয়ে ছাত্ৰজনৰ বক্তব্যত আপ্লুত হৈ ছাত্ৰজনক নগদ পাঁচ টকাৰ লগতে এখন মানপত্ৰ প্ৰদান কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা উপাসনা দত্তই।

**সকলোকে ঘৰে-ঘৰে পতাকা আঁৰিবলৈ জিলা আয়ুক্তৰ আহ্বান**

# নগাঁৱত "হৰ ঘৰ ত্ৰিৰংগা" বাইক ৰেলী, চিত্ৰ প্ৰদৰ্শনী



**অসম বাৰ্তা, পুৰণিগুদাম, ১৪ আগষ্ট ঃ** আগন্তুক স্বাধীনতা দিৱস উপলক্ষে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা "হৰ ঘৰ ত্ৰিৰংগা" কাৰ্যসূচীৰ অংশ হিচাপে আজি নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত এটি বাইক ৰেলীৰ আয়োজন কৰা হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ চৌহদৰ পৰা আৰম্ভ হোৱা এই বাইক ৰেলীয়ে চহৰৰ ক্লক টাৱাৰ হৈ উৰিয়াগাঁও চক-বৰঘাট হৈ নেহেৰুবালিত সামৰণি পৰে। সকলো বাইকত জাতীয় পতাকা আঁৰি দিয়া হয়। জিলা আয়ুক্ত দেৱাশিস শৰ্মাই এই কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে মুকলি কৰাৰ লগতে তেওঁ নিজেও সমদলত অংশগ্ৰহণ কৰে। উদ্বোধনী ভাষণত তেওঁ কয় যে, "আমি সকলোৱে ৰাষ্ট্ৰীয় পতাকাৰ প্ৰতি যিদৰে সন্মান প্ৰদৰ্শন কৰোঁ, একেদৰে যদি নিজৰ আৰু আনৰ জীৱনৰ প্ৰতিও দায়িত্বশীল হওঁ, তেন্তে এখন অধিক সুৰক্ষিত আৰু দায়িত্বশীল সমাজ গঢ়ি তোলাটো সম্ভৱ হ'ব।" সেয়ে তেওঁ সকলোকে পথ সুৰক্ষাৰ নিয়মসমূহ মানি চলিবলৈ, তীব্ৰগতিত যান-বাহন নচলাবলৈ আৰু বাইক আৰোহীক হেলমেট পৰিধান কৰিবলৈ আহ্বান জনায়। অতিৰিক্ত আয়ুক্ত মৃদুল বড়ো, জিলা পৰিবহণ বিষয়া সীমান্ত বৰা আৰু জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাও উপস্থিত থাকে। ইফালে এই কাৰ্যসূচী উপলক্ষে জিলা আয়ুক্ত শৰ্মাই দিয়া এটা ভিডিঅ' বাৰ্তাত দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস আৰু বন্দেমাতৰম গীতৰ ডেৰশ বছৰ পূৰ্তিৰ উপলক্ষত নগাঁও জিলাৰ সকলো নাগৰিককে নিজ নিজ গৃহ আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ উপৰিও সকলো ধৰণৰ ৰাজহুৱা পৰিবহণ সমূহত সম্পূৰ্ণ শ্ৰদ্ধা সহকাৰে আমাৰ গৌৰৱৰ প্ৰতীক ৰাষ্ট্ৰীয় পতাকা আঁৰিবলৈ লগতে 'বন্দে মাতৰম'ৰ সমূহীয়া গায়ন আৰু অন্যান্য দেশপ্ৰেমমূলক কাৰ্যসূচীত অংশগ্ৰহণ কৰিবৰ বাবে আহ্বান জনাইছে। একেই উপলক্ষত নগাঁৱৰ শ্বহীদ ভৱনত হৰ ঘৰ ত্ৰিৰংগা প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে, য'ত দেশৰ স্বাধীনতা সংগ্ৰামৰ ঐতিহাসিক মুহূৰ্ত সমূহৰ চিত্ৰসমূহ প্ৰদৰ্শিত হৈছে। এই প্ৰদৰ্শনী উপভোগ কৰিবলৈ সকলো ৰাইজ আৰু ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি জিলা আয়ুক্তই আহ্বান জনাইছে।

# মাজুলী মহাবিদ্যালয়ত সংহত শিক্ষক শিক্ষা পাঠ্যক্ৰম মুকলি

**অসম বাৰ্তা, মাজুলী, ১৪ আগষ্ট ঃ** মাজুলী মহাবিদ্যালয়ত চলিত বৰ্ষৰ পৰা আৰম্ভ হোৱা সংহত শিক্ষক শিক্ষা পাঠ্যক্ৰমৰ অধীনৰ চাৰিবছৰীয়া বি. এড. পাঠ্যক্ৰম আজি আনুষ্ঠানিক ভাৱে মুকলিলকৰা হয়। এইবছৰ উক্ত পাঠ্যক্ৰমত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে আজি আয়োজিত সজাগতা মূলক অনুষ্ঠানটি শুভউদ্বোধন কৰে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। মহাবিদ্যালয়ৰ 'সত্ৰাধিকাৰ পদ্মকান্তদেৱ গোস্বামী সভাকক্ষ'ত আয়োজিত অনুষ্ঠানৰ আৰম্ভণিতে সমল ব্যক্তি প্ৰমুখ্য বিশিষ্ট অতিথিসকলক আনুষ্ঠানিক ভাৱে অংগবস্ত্ৰ আৰু কিতাপৰ টোপোলাৰে আদৰণি জনোৱা হয়। সমল ব্যক্তি হিচাপে উপস্থিত থাকে বাহনা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক তথা চাৰিবছৰীয়া বি. এড. পাঠ্যক্ৰমৰ সমন্বয়ক ড° মৃদুল দত্ত আৰু মাজুলী মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ সহযোগী অধ্যাপক তথা মহাবিদ্যালয়ৰ ৰুচাৰ সমন্বয়ক দেৱজ্যোতি খাটনিয়াৰ। মহাবিদ্যালয়ৰ বি. এড. পাঠ্যক্ৰমৰ যুটীয়া সমন্বয়ক অভিনৱ শংকৰ গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানত উদ্বোধনী ভাষণ দি অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই উপস্থিত সকলোকে আদৰণি জনায় আৰু প্ৰথমবাৰৰ বাবে মাজুলী জিলাত বি. এড. পাঠ্যক্ৰম আৰম্ভ কৰাৰ সুযোগ প্ৰদান কৰাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে এই পাঠ্যক্ৰমৰ সুবিধা গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক আগবাঢ়ি যাবলৈ পৰামৰ্শ দিয়ে। অদূৰ ভৱিষ্যতে এই পাঠ্যক্ৰমৰ পৰা শিক্ষাৰ্থীসকল বিশেষভাৱে উপকৃত হ'ব বুলিও তেওঁ আশা কৰে। সমল ব্যক্তিৰ বক্তব্যত ড° মৃদুল দত্তই চাৰিবছৰীয়া বি. এড. পাঠ্যক্ৰমৰ উদ্দেশ্য আৰু সমগ্ৰ পাঠ্যক্ৰমৰ গাঁথনি সম্পৰ্কত ছাত্ৰ-ছাত্ৰীসকলৰ আগত দৃশ্য-শ্ৰব্য মাধ্যমেৰে উপস্থাপন কৰে। আনজন সমল ব্যক্তি দেৱজ্যোতি খাটনিয়াৰে নামভৰ্তিৰ লগতে সমৰ্থ পৰ্টেলৰ সৈতে জড়িত বিভিন্ন দিশ ছাত্ৰ-ছাত্ৰীৰ আগত দাঙি ধৰে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে সমল ব্যক্তিৰ লগত অন্তৰংগ আলাপেৰে সময়খিনি জীপাল কৰি তোলে। অনুষ্ঠানত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, প্ৰণীতা ৰাজখোৱা, ড° দুলাল হাজৰিকা, নৱজিৎ চেলেং, ড° জয়া কলিতা গগৈ, বিজয় টিমুং, ড° দেৱজ্যোতি ভট্টাচাৰ্য, আচাৰ্য মোহন দাস, ড° সুদৰ্শনা ফুকন, ড° শ্ৰুতি তালুকদাৰ, বিতোপন হাজৰিকা প্ৰমুখ্য শিক্ষকসকল উপস্থিত থাকি মন্তব্যৰে ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰে। অনুষ্ঠানৰ অন্তত সকলোকে শলাগ জ্ঞাপন কৰে মহাবিদ্যালয়ৰ বি. এড. পাঠ্যক্ৰমৰ যুটীয়া সমন্বয়ক ড° সুদৰ্শনা ফুকনে।

# টুকুৰা বাঁহত জাতীয় পতাকা; স্বাধীনতা দিৱসৰ প্ৰাকমুহূৰ্তত দেশপ্ৰেমৰ অনন্য নিদৰ্শন

**বিদ্যালয় কিম্বা অনান্য কাৰ্যালয়ত ১০ বছৰে নিৰৱে বিলাই আহিছে স্ব-শৈল্পীক চেতনাৰ নান্দনিক কলা**

**অসম বাৰ্তা, নুমলীগড়, ১৪ আগষ্ট ঃ** স্বাধীনতা দিৱসৰ প্ৰাকমুহূৰ্তত ব্যতিক্ৰমী ভাবে টুকুৰা বাঁহত অনন্য শিল্প ভাস্কৰ্য। প্ৰায় এটা দশক ধৰি বাঁহৰ টুকুৰাৰে জাতীয় পতাকা প্ৰস্তুত কৰি আহিছে যুৱকজনে। দেশৰ ৮০সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ প্ৰাকমুহূৰ্তত সমগ্ৰ দেশতে দেশপ্ৰেমৰ পৰিৱেশে বিৰাজ কৰিছে। জাতীয় পতাকাৰে সজাই-পৰাই তোলা হৈছে বিভিন্ন স্থান, কিম্বা জাতীয় পতাকাৰ ৰঙৰ আৰ্হিত বিজুলী পোহৰৰ অপূৰ্ব সাজোন কাচোনৰ এক সুন্দৰ পৰিৱেশ সজাই তোলাত দেশবাসী ব্যস্ত হৈ পৰিছে। তাৰ মাজতে গোলাঘাট জিলাৰ ২ নং দৈগ্ৰোঙৰ এজন যুৱকে গ্ৰহণ কৰিছে এক ব্যতিক্ৰমী পদক্ষেপ। বাঁহৰ সৰু সৰু টুকুৰাৰ পৰা জাতীয় পতাকা প্ৰস্তুত কৰি দেশপ্ৰেমৰ এক অনন্য নিদৰ্শন দাঙি ধৰিছে ধৰ্মেশ্বৰ আচন নামৰ যুৱকজনৰ হাতৰ পৰশত উজ্জ্বলি উঠিছে দেশ প্ৰেমৰ নিখুঁত শিল্প। নিজৰ বাঁহনিৰ পৰা বাঁহ কাটি সৰু সৰু টুকুৰা কৰি সেইবোৰৰ পৰাই অতি যত্ন আৰু নিপুণতাৰে জাতীয় পতাকাৰ আৰ্হি প্ৰস্তুত কৰে ধৰ্মেশ্বৰ আচনে। কোনো বাণিজ্যিক উদ্দেশ্য নোহোৱাকৈ সম্পূৰ্ণ নিজাববীয়াকৈ তেওঁ এই কাম কৰি আহিছে। কেৱল পতাকা প্ৰস্তুত কৰাতেই সীমাবদ্ধ হৈ থকা নাই যুৱকজনৰ এই প্ৰচেষ্টা। প্ৰতি বছৰে স্বাধীনতা দিৱসৰ প্ৰাকমুহূৰ্তত তেওঁৰ দ্বাৰা প্ৰস্তুত কৰা বাঁহৰ জাতীয় পতাকা ওচৰৰ বিদ্যালয়, চৰকাৰী কাৰ্যালয়, আৰক্ষী থানা আদিত নিজাববীয়াকৈ প্ৰদান কৰি আহিছে। বিগত প্ৰায় দহ বছৰ ধৰি নীৰৱে এই ব্যতিক্ৰমী কাম কৰি আহিছে ধৰ্মেশ্বৰ আচনে। সাধাৰণতে জাতীয় পতাকা কপাহ, খাদী বা বিভিন্ন কাপোৰেৰে প্ৰস্তুত কৰা হয়। কিন্তু বাঁহৰ সৰু সৰু টুকুৰাক শিল্পীৰ নিপুণতাৰে ব্যৱহাৰ কৰি জাতীয় পতাকাৰ ৰূপ দিয়াৰ এই প্ৰচেষ্টাই স্বাভাৱিকতে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। স্থানীয়ভাৱে উপলব্ধ সামগ্ৰী ব্যৱহাৰ কৰি দেশৰ প্ৰতি থকা শ্ৰদ্ধা আৰু ভালপোৱা প্ৰকাশ কৰাৰ এক সুন্দৰ মাধ্যম হিচাপে পৰিগণিত হৈছে তেওঁৰ এই প্ৰচেষ্টা। ধৰ্মেশ্বৰ আচনৰ বাবে এই কাম কোনো প্ৰচাৰ বা স্বীকৃতি লাভৰ মাধ্যম নহয়; বৰং দেশৰ জাতীয় পতাকাৰ প্ৰতি থকা গভীৰ সন্মান আৰু দেশপ্ৰেমৰ এক আন্তৰিক প্ৰকাশ। বছৰৰ পাছত বছৰ ধৰি নীৰৱে চলাই অহা এই প্ৰচেষ্টাই নতুন প্ৰজন্মৰ মাজতো দেশপ্ৰেম, সৃজনশীলতা আৰু স্বাৱলম্বিতাৰ এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে। স্বাধীনতা দিৱসৰ প্ৰাকমুহূৰ্তত নুমলীগড়ৰ এই যুৱকজনৰ বাঁহৰ টুকুৰাৰে নিৰ্মিত জাতীয় পতাকা যেন দেশপ্ৰেমৰ এক ব্যতিক্ৰমী প্ৰতীক হৈ পৰিছে। ক্ষুদ্ৰ প্ৰচেষ্টাইও যে দেশৰ প্ৰতি গভীৰ শ্ৰদ্ধা আৰু ভালপোৱাৰ এক শক্তিশালী প্ৰকাশ হ'ব পাৰে, ধৰ্মেশ্বৰ আচনৰ প্ৰায় এটা দশকৰ এই নীৰৱ প্ৰচেষ্টাই তাৰেই এক উজ্জ্বল উদাহৰণ।

# আৰক্ষীৰ জিম্মাত ৰহুল আমিনৰ মৃত্যুৰ তদন্ত বিচাৰি মৰিগাঁও জিলা আমছুৰ স্মাৰক পত্ৰ

**অসম বাৰ্তা, লাহৰীঘাট, ১৪ আগষ্ট ঃ** লাহৰীঘাট আৰক্ষী জিম্মাত থকা অভিযুক্ত ৰহুল আমিনৰ চিকিৎসাধীন অৱস্থা কালি মৃত্যু হোৱা ঘটনাৰ নিৰপেক্ষ তদন্ত বিচাৰি সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ মৰিগাঁও জিলায়ে স্মাৰক পত্ৰ প্ৰদান কৰে। আমছুৰ কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক ছাদ্দাম হুছেইন আৰু মৰিগাঁও জিলা সমিতিৰ সভাপতি অধিবক্তা হাৰুণ অল ৰছিদৰ উপস্থিতিত সঁজাতি দলে লাহৰীঘাট ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ জৰিয়তে CID লৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। আৰক্ষীৰ জিম্মাত থকা এগৰাকী সুঠাম দেহাৰ লোকৰ মৃত্যু হোৱাটো সহজভাৱে মানি ল'ব পৰা নাই সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ মৰিগাঁও জিলা সমিতিয়ে। আৰক্ষীৰ জিম্মাত থকা অৱস্থাত কি পৰিস্থিতিত, কাৰ অৱহেলাত লোক জনৰ মৃত্যু হ'ল তাৰ এক নিৰপেক্ষ তদন্তৰ দাবীত এই স্মাৰক পত্ৰ প্ৰেৰণ কৰে ছাত্ৰ সংগঠনটোৱে।

**পৰিনিতা, পূবালী, অনিন্দিতাহঁতৰ সুমধুৰ গীত আৰু বড়ো, তিৱা, বিহু নৃত্যই ছন্দময় কৰিলে বিদ্যালয়ৰ বাকৰি**

# ভূৰাগাঁৱৰ গেৰুৱাত উত্তৰ পূৰ্বাঞ্চল সাংস্কৃতিক কেন্দ্ৰৰ ব্যৱস্থাপনাত 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী

**অসম বাৰ্তা, ভূৰাগাঁও, ১৪ আগষ্ট ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গণত ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ উদ্যোগত আৰু উত্তৰ পূৰ্বাঞ্চল সাংস্কৃতিক কেন্দ্ৰৰ ব্যৱস্থাপনাত আজি ' হৰ ঘৰ ত্ৰিৰংগা' অনুষ্ঠান এটি অনুষ্ঠিত হয়। উল্লেখ্য যে আগন্তুক ৮০ তম্ স্বাধীনতা দিৱসৰ উপলক্ষে এইবেলি ৯ আগষ্টৰ পৰা ১৭ আগষ্টলৈকে উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ লগতে অসমতো ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ উদ্যোগত আৰু উত্তৰ পূৰ্বাঞ্চল সাংস্কৃতিক কেন্দ্ৰৰ ব্যৱস্থাপনাত আৰম্ভ হৈছে ' হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী। ইয়াৰে অংশ হিচাপে মাজত মাত্ৰ এদিন বাকী থকাৰ অৱস্থাত আজি জিলাখনৰ গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গণত ' হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী এটি অনুষ্ঠিত হয়। পুৱা ১০ বজাত সাংস্কৃতিক শোভাযাত্ৰাৰে অনুষ্ঠানটো শুভাৰম্ভণি হয়। প্ৰচণ্ড ৰ'দ আৰু গৰমকো নেওচি বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাটোত বিদ্যালয় খনৰ সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী সকলে অংশগ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী সকলে হাতে-হাতে জাতীয় পতাকালৈ উলিওৱা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাটি বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলে বাৰেৰহনীয়া লোক কৃষ্টিৰে সজাই সকলোৰে মন আকৰ্ষিত কৰিবলৈ সক্ষম হয়। ইয়াৰ পাছতে অনুষ্ঠানটোৰ উপলক্ষে এখন সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ বাবুল বৰাই বন্তি প্ৰজ্বলন কৰা মাত্ৰকে বন্দে মাতৰম ধ্বনিৰে সকলোৱে পৰিৱেশটি জীৱন্ত কৰি তোলে। বন্তি প্ৰজ্বলন কৰি বৰাই আদৰণি ভাষণ ৰাখে। অনুষ্ঠানটোত মুখ্য অতিথিৰূপে উপস্থিত থকা মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লীলাকান্ত বৰঠাকুৰয়ে জাতীয় পতাকাখনৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ ব্যাখ্যা দাঙি ধৰে। তেওঁ কয়, জাতীয় পতাকাখন কেৱল আমি উত্তোলন কৰিলেই নহব। এই পতাকাখন আমি আমাৰ অন্তৰত যাতে স্থাপন কৰিব পাৰোঁ তাৰ বাবেই যেন চৰকাৰে এতিয়া হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচী গ্ৰহণ কৰিছে। একেদৰে বিশিষ্ট অতিথিৰূপে উপস্থিত থকা মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° হৰমোহন কলিতাই স্বাধীনতা দিৱসৰ তাৎপৰ্যপূৰ্ণ মন্তব্য প্ৰদান কৰাৰ লগতে সমাজত পঢ়া-লিখাৰ পৰিৱেশ গঢ়ি তুলিবলৈ কমেও প্ৰতি গৰাকী শিক্ষিত লোকৰ ঘৰত একোখনকৈ বাতৰি কাকত, আলোচনী ৰাখিবলৈ আহ্বান জনায়। ইয়াৰ পাছতে অনুষ্ঠিত সাংস্কৃতিক কাৰ্যসূচীত ছাত্ৰী পুৱালী ডেকা আৰু পৰিনিতা বৰদলৈ, অনিন্দিতা আদিৰ দেশ প্ৰেম মূলক গীতৰ লগতে দেশপ্ৰেম মূলক নৃত্য, তিৱা আৰু বড়ো জনগোষ্ঠীয় নৃত্য, বিহু নৃত্য আৰু অন্যান্য কাৰ্যসূচীয়ে ছন্দময় কৰি তোলে গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাকৰি। অনুষ্ঠানটোত বিশিষ্ট অতিথিৰূপে মৰিগাঁও জিলা অগপৰ সভাপতি ৰাজেন বৰা, তিৱা স্বায়ত্ত্ব পৰিষদৰ প্ৰাক্তন উপ মুখ্য কাৰ্যবাহী সদস্য বিপিন চন্দ্ৰ বৰদলৈ, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ৰাজেন্দ্ৰ বৰদলৈ সহ বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে অনুষ্ঠানটো অতি সাৱলিল আৰু গাম্ভীৰ্যপূৰ্ণ ভাৱে আঁত ধৰি প্ৰতিটো কাৰ্যসূচীক অনন্য মাত্ৰা প্ৰদান কৰে কস্তুৰীমা দাসে। শলাগৰ শৰাই আগবঢ়াই সংস্থাটোৰ বিষয়া গংগাধৰ কলিতাই। উল্লেখ্য যে সংস্থাটোৰ ব্যৱস্থাপনাত এতিয়ালৈকে যিমানবোৰ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হৈছে, ইয়াৰ ভিতৰত আজি গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচীয়ে সৰ্বাংগ সুন্দৰ আৰু আটাইতকৈ ভাল অনুষ্ঠান হোৱা বুলি উত্তৰ পূৰ্বাঞ্চল সাংস্কৃতিক কেন্দ্ৰৰ বিষয়ববীয়া গংগাধৰ কলিতাই ৰাজহুৱাকৈ প্ৰকাশ কৰে।

# স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি ডুমডুমাৰ ছেইণ্ট মেৰীজ স্কুলত 'আৰ্হি সংসদ' অনুষ্ঠিত

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৪ আগষ্ট ঃ** কালিলৈ উদ্‌যাপিত হ'বলগীয়া দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে আজি ডুমডুমাৰ ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এখন 'আৰ্হি সংসদ' (Mock Parliament) অনুষ্ঠিত হয়। বিদ্যালয়খনৰ অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই 'আৰ্হি সংসদ'ৰ অধ্যক্ষৰ আসন গ্ৰহণ কৰে বিদ্যালয়খনৰ সহকাৰী শিক্ষক অভিজিৎ খাটনিয়াৰে। উক্ত 'আৰ্হি সংসদ'ত বিৰোধী পক্ষই "উজনি অসমৰ শেহতীয়া বানপানী: দুৰ্যোগৰ আগতীয়া প্ৰস্তুতি আৰু আগজাননী ব্যৱস্থাৰ ব্যৰ্থতা" শীৰ্ষক বিষয়ৰ ওপৰত অনা এটা সভা স্থগিত প্ৰস্তাৱৰ ওপৰত বিতংভাৱে আলোচনা কৰা হয়। বিৰোধী পক্ষৰ সদস্যসকলে অসমৰ শেহতীয়া বানপানীৰ পূৰ্বে আগতীয়া প্ৰস্তুতি আৰু আগজাননী ব্যৱস্থা সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱা বুলি অভিযোগ কৰি চৰকাৰী পক্ষক তীব্ৰ সমালোচনা কৰে। তেওঁলোকে নাগালেণ্ডৰ পাহাৰত হোৱা অবৈধ কয়লা আৰু শিল, বালিৰ খননৰ প্ৰসংগ উত্থাপন কৰি এইবোৰ বন্ধ কৰাৰ ক্ষেত্ৰত চৰকাৰৰ ব্যৰ্থতাক সমালোচনা কৰে। তদুপৰি নিৰ্বাচনৰ পূৰ্বে অসমৰ বানপানীৰ সমস্যা সমাধান কৰিম বুলি প্ৰতিশ্ৰুতি দি শাসনৰ গাদী দখল কৰা চৰকাৰখনে অসমৰ বানপানীৰ সমস্যা সমাধানৰ বাবে প্ৰকৃততে একোৱেই কৰা নাই বুলিও মন্তব্য কৰে। ইয়াৰ বিপৰীতে শাসকীয় পক্ষৰ সদস্যসকলে বিৰোধী পক্ষৰ সকলো অভিযোগ খণ্ডন কৰি কয় যে আজি পৰ্যন্ত বিশ্বত ভূমিকম্প, বানপানী আদিৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ এশ শতাংশ আগজাননী দিব পৰা কোনো প্ৰযুক্তি উদ্ভাৱন হোৱা নাই। শেষত, অধ্যক্ষই সভা স্থগিত প্ৰস্তাৱৰ ওপৰত ভোটগ্ৰহণ কৰে আৰু মৌখিক ভোটত উক্ত প্ৰস্তাৱটি নাকচ হয়। অধ্যক্ষৰ মন্তব্যত অধ্যক্ষ অভিজিৎ খাটনিয়াৰে কয় যে গণতন্ত্ৰৰ মূল কথা এইটো নহয় যে সকলোৱে একমত হ'বই লাগিব; বৰং ইয়াৰ মূল কথা হ'ল- সকলোৱে নিজৰ মতামত প্ৰকাশ কৰাৰ আৰু নিজৰ কথা কোৱাৰ অধিকাৰ লাভ কৰিব লাগিব। আজিৰ আলোচনাত অংশগ্ৰহণ কৰি আত্মবিশ্বাস, দায়িত্ববোধ আৰু গণতান্ত্ৰিক মূল্যবোধৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি নিজৰ মতামত প্ৰকাশ কৰা সকলো সদস্যকে তেওঁ ধন্যবাদ জনায়। তেওঁ লগতে কয় যে গণতন্ত্ৰৰ শক্তি কেৱল প্ৰশ্ন উত্থাপন কৰাতেই নিহিত নাথাকে; বৰং উত্থাপিত প্ৰশ্নসমূহৰ দায়িত্বশীল সমাধান বিচাৰি উলিওৱাতো ইয়াৰ শক্তি নিহিত হৈ থাকে। অনুষ্ঠানত বিদ্যালয়খনৰ অধ্যক্ষা চিষ্টাৰ ৰ'জ মেৰী আংগামিলু, উপাধ্যক্ষা চিষ্টাৰ কাইনি কেৰ'লিন, শিক্ষক-শিক্ষয়িত্ৰীসকল আৰু শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰে। ইয়াৰ উপৰিও নিম্ন শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত ছবি আঁকা, ৰাষ্ট্ৰীয় পতাকা তৈয়াৰ কৰা, বক্তৃতা, প্ৰতিযোগিতা আদিও অনুষ্ঠিত কৰা হয়।

# তিৱা স্বায়ত্ত্ব পৰিষদক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত নকৰাত সদৌ তিৱা ছাত্ৰ সন্থা আন্দোলনৰ কাৰ্য্যসূচী ঘোষণাক লৈ তিৱা ছাত্ৰ সন্থা ৰ সংবাদমেল সম্বোধন

**অসম বাৰ্তা, ৰহা, ১৪ আগষ্ট ঃ** সদৌ তিৱা ছাত্ৰ সন্থা আৰু জাতীয় সংগঠন সমূহৰ আন্দোলনৰ ফলস্বৰূপে ১৯৯৫ চনত তিৱা স্বায়ত্ত্ব পৰিষদ গঠন কৰা হৈছিল আৰু ২০১০ চনত পৰিষদৰ প্ৰথমটো নিৰ্বাচন অনুষ্ঠিত হৈছিল। যোৱা ইংৰাজী ২৫ ডিচেম্বৰ ২০২৫ তাৰিখে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষা তথা ভৈয়াম জনজাতি পৰিক্ৰমা মন্ত্ৰী ডাঃ ৰনোজ পেগু দেৱৰ নেতৃত্বত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ লগত তিৱা, ৰাভা, মিচিং স্বায়ত্ত্ব পৰিষদক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভূক্ত কৰাৰ কাৰণে পোনপ্ৰথমবাৰৰ বাবে এক ত্ৰি-পাক্ষিক বৈঠক অনুষ্ঠিত হয় আৰু সেই বৈঠকতে ২০২৬ বৰ্ষ জানুৱাৰী মাহৰ ভিতৰত এজন মধ্যস্থতাকাৰী (Interlocutor) নিয়োগ কৰাৰ কথা ঘোষণা কৰে, কিন্তু এজন গৃহমন্ত্ৰীয়ে দিয়া কথা আজি আঠমাহ উকলি যোৱাৰ পাছটো মধ্যস্থতাকাৰী (Interlocutor) ঘোষণা নকৰিলে। এজন গৃহমন্ত্ৰী ইমান মিছলীয়া হ'ব নালাগে। গতিকে অতি সোনকালে ইয়াৰ সঠিক সিদ্ধান্ত নল'লে অহা নগাঁও লোকসভা উপ-নিৰ্বাচনত তিৱা ৰাইজে বিজেপি চৰকাৰৰ বিৰুদ্ধে ভোট প্ৰদান কৰিবলৈ আহ্বান জনাব বুলি কৈ গতিকে সময় থাকোঁতেই ইয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাই। তিৱা স্বায়ত্ত্ব পৰিষদখন তিৱা ৰাইজৰ আৰু পৰিষদৰ এলেকাত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ উন্নয়নৰ প্ৰাণকেন্দ্ৰ। তিৱা স্বায়ত্ত্ব পৰিষদ নিৰ্বাচন অনুষ্ঠিত কৰিব লাগিছিল জানুৱাৰী মাহত কিন্তু চৰকাৰৰ হেমাহীৰ বাবে পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত কৰিব নোৱাৰিলে। নিৰ্বাচন সময়মতে অনুষ্ঠিত কৰিবলৈ নোৱাৰাটো চৰকাৰৰ দুৰ্বলতা। কিন্তু নিৰ্বাচন অনুষ্ঠিত কৰাৰ গইনা লৈ পৰিষদৰ কাম-কাজ স্থবিৰ কৰাটো কিন্তু দুৰ্ভাগ্যজনক। ২০১০ চনত পৰিষদৰ প্ৰথমটো নিৰ্বাচন অনুষ্ঠিত হৈছিল। সেই সময়ত বহু তিৱা তথা জনজাতি গাঁও পৰিষদত অন্তৰ্ভুক্ত হোৱা নাছিল। ইতিমধ্যে ২০২৪ বৰ্ষৰ ৪ আগষ্ট তাৰিখে ১১৩খন গাঁও নতুনকৈ পৰিষদত অন্তৰ্ভুক্ত কৰিবলৈ এক অধিসূচনা জাৰি কৰে আৰু নগাঁৱত এটা আৰু ধেমাজি জিলাত এটা নতুন সমষ্টি গঠন কৰে। নতুনকৈ অন্তৰ্ভুক্ত হোৱা গাঁওসমূহক লৈ সমষ্টি পুনৰ নিৰ্ধাৰণ কৰি শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰি অতিশীঘ্ৰে পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত কৰা লগতে পশ্চিম কাৰ্বিআংলং জিলা থাৰাখুঞ্জী গাঁৱত হাইড্ৰ ইলেকট্ৰিক প্ৰজেক্ট স্থাপন কৰিবলৈ ইতিমধ্যে মাটি কিনাৰ কাম আৰম্ভ হৈছে। আমাক এলেক্ট্ৰিক লাগিব কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে আমাৰ মাটি, বাৰী, ঘৰ, ধ্বংস যোৱা আশংকা থকা ঠাইত এই প্ৰজেক্ট হ'ব দিব নোৱাৰোঁ কাৰণ ইতিমধ্যে আমি দেখিবলৈ পাইছো যে যি ঠাইতে পাৱাৰ প্ৰজেক্ট হৈ তাৰ দাঁতিকাষৰীয়া অঞ্চলসমূহ প্ৰায় বানপানীত ধ্বংস হৈ গৈছে। গতিকে তেওঁলোকৰ আশংকা আছে যে নামনিত থকা লোকসকলৰ যথেষ্ট বিপদত পৰিব সেয়েহে সময় থাকোঁতেই প্ৰজেক্টটো অন্য নিৰাপদ ঠাইত স্থাপন কৰিবলৈ দাবী জনায়। ইতিমধ্যেই আগষ্ট মাহৰ ২ তাৰিখৰ পৰা লোকপিয়লৰ কাম আৰম্ভ হৈছে আৰু জাতিগত লোকগণনা অহা ফেব্ৰুৱাৰী মাহৰ পৰা আৰম্ভ হ'ব। গতিকে জাতিগত লোকগণনাত জাতি লালুং (তিৱা), ভাষা লালুং (তিৱা) আৰু ধৰ্ম লালুং (তিৱা) পিনোং লিখিবলৈ সকলো তিৱা ৰাইজক আহ্বান জনাইছে। ট্ৰাইবেল বেল্ট ব্লক এলেকাত অবৈধভাৱে বেদখল কৰি থকা মাটি উচ্ছেদ কৰিবলৈ বাৰে বাৰে চৰকাৰক তথ্য সহকাৰে দি থকা পাছতো আজিলৈকে এটাও বেল্ট ব্লকৰ ভূমি বেদখল মুক্ত কৰিব নোৱাৰিলে বা নকৰিলে বুলি উল্লেখ কৰি আজি দাবী জনাই যে অতি সোনকালে ট্ৰাইবেল বেল্ট ব্লকৰ পৰা অবৈধ বেদখলকাৰীক উচ্ছেদ কৰিবলৈ। সন্থাৰ দীৰ্ঘদিনীয়া মৌলিক সমস্যাসমূহৰ সমাধানৰ দাবীত এলানি গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰিছে। ১) সন্থাই অহা ইংৰাজী ২৯ আগষ্ট তাৰিখে মৰিগাঁৱত গণ ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। ২) ছেপ্টেম্বৰ মাহৰ দ্বিতীয় সপ্তাহত জাতিগত লোকগণনাৰ ওপৰত বিশেষভাৱে আলোচনা কৰিবলৈ মৰিগাঁও জিলা পুথিভঁৰালত এক নাগৰিক সভা অনুষ্ঠিত কৰা হ'ব।৩) অহা ইংৰাজী ২০ নৱেম্বৰ ২০২৬ তাৰিখে নতুন দিল্লীৰ যন্ত্ৰৰ মন্ত্ৰৰত গণ ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

# পশ্চিম দৰঙৰ দিপীলাৰ পৰা ঐতিহাসিক পথৰুঘাটলৈ পদব্ৰজে বিজেপিৰ ত্ৰিৰংগা যাত্ৰা

**অসম বাৰ্তা, দেওমৰনৈ, ১৪ আগষ্ট ঃ** ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে দেশজুৰি উদ্‌যাপিত হয় মনে প্ৰাণে ত্ৰিৰংগা, ঘৰে ঘৰে ত্ৰিৰংগা কাৰ্যসূচী। সেই অংশস্বৰূপে আজি দৰঙৰ পাথৰিঘাট মণ্ডল যুৱ মৰ্চাৰ উদ্যোগত আৰু পথৰুঘাট মণ্ডল বিজেপিৰ সহযোগত অনুষ্ঠিত হয় 'ত্ৰিৰংগা যাত্ৰা'। দিপীলা চ'কৰ পৰা ঐতিহ্যমণ্ডিত পাথৰিঘাটৰ কৃষক শহীদ বাকৰিলৈ আৰম্ভ এই ত্ৰিৰংগা যাত্ৰা। এই কাৰ্যসূচীত ত্ৰিৰংগা পতাকা জোকাৰি শুভাৰম্ভণি কৰে বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে আৰু দৰং জিলা পৰিষদৰ প্ৰাক্তন সভাপতি ধীৰেন্দ্ৰ ডেকা। শুভাৰম্ভ কৰি বিধায়ক ৰাজবংশীয়ে ভাৰতৰ স্বাধীনতা আন্দোলনৰ বীৰপুৰুষসকলৰ ত্যাগক সোঁৱৰণ কৰে। তেওঁ কয় আজিৰ ত্ৰিৰংগা যাত্ৰাই দেশৰ প্ৰতিজন নাগৰিকৰ মাজত দেশপ্ৰেমৰ অনুভূতি জাগ্ৰত কৰাৰ লগতে ৰাষ্ট্ৰীয় পতাকা ত্ৰিৰংগাৰ প্ৰতি সন্মান আৰু শ্ৰদ্ধা বৃদ্ধি কৰা বুলি কৈ পথৰুঘাট ৰণত প্ৰাণাহুতি দিয়া সাতকুৰি শ্বহীদৰ ত্যাগ স্বাধীনতা আন্দোলনৰেই এটা বিৰাট অধ্যায় আছিল বুলি দোহাৰে। দিপীলা চকৰ মাজমজিয়াৰ শ্বহীদ বেদীৰ সন্মুখৰ পৰা আৰম্ভ কৰা যাত্ৰাৰ আৰম্ভণিতে পাথৰিঘাট মণ্ডল বিজেপিৰ সভাপতি তপন চহৰীয়াই ত্ৰিৰংগা যাত্ৰাই আমাক দেশপ্ৰেম, ভাতৃত্ববোধ জাগ্ৰত কৰিব বুলি উল্লেখ কৰে। আজিৰ এই ত্ৰিৰংগা যাত্ৰাত পাথৰিঘাট মণ্ডল বিজেপিৰ সভাপতি তপন চহৰীয়া, দৰং জিলা পৰিষদৰ প্ৰাক্তন সভাপতি ধীৰেন্দ্ৰ ডেকা, দৰং জিলা যুৱ মৰ্চাৰ সভাপতি কমল কৃষ্ণ ডেকা, দৰং জিলা যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক ধীৰাজ কুমাৰ শৰ্মা, দৰং জিলা যুৱ মৰ্চাৰ সম্পাদক নিতান্ত হাজৰিকা, পথৰুঘাট মণ্ডল যুৱ মৰ্চাৰ সভাপতি জ্যোতি প্ৰসাদ ডেকা, বিশিষ্ট সাংস্কৃতিক কৰ্মী গোপাল কৃষ্ণ ডেকা, ৰাজিৱ ডেকা, বিজেপি নেতা কন্দৰ্প কলিতা, দৰং জিলা যুৱ মৰ্চাৰ প্ৰাক্তন সভাপতি দিব্যজ্যোতি শৰ্মা, দিপীলা গাঁও পঞ্চায়তৰ সভাপতি গজেন কলিতা, দিপীলা চিনিয়ৰ ছেকেণ্ডাৰী মহাবিদ্যালয়, দিপীলা হাইস্কুল আদিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে আৰু ছাত্ৰ-ছাত্ৰী, অংগনৱাড়ী কৰ্মী, আশাকৰ্মী, ভাৰতীয় জনতা পাৰ্টিৰ দলীয় কৰ্মী লগতে যুৱ মৰ্চাৰ কৰ্মী সকলে অংশগ্ৰহণ কৰে। অংশগ্ৰহণকাৰীসকলে হাতত ৰাষ্ট্ৰীয় পতাকা লৈ দেশপ্ৰেমমূলক শ্ল'গান দি পদব্ৰজে যাত্ৰা কৰে।

# নলবাৰীত জিলা দিৱস উদ্‌যাপন




**অসম বাৰ্তা, নলবাৰী, ১৪ আগষ্ট ঃ** আজি নলবাৰী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত জিলা প্ৰশাসনৰ উদ্যোগত নলবাৰী জিলা দিৱস উদযাপন কৰা হয়। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম চৰকাৰৰ বিত্ত মন্ত্ৰী জয়ন্তমল্ল বৰুৱা। মন্ত্ৰী শ্ৰী বৰুৱাই কয় যে নলবাৰী জিলাখন ১৯৮৫ চনৰ আজিৰ এই দিনটোতে জিলা হিচাপে ঘোষিত হৈছিল। আজি জিলাখনে ৪১বছৰ অতিক্ৰম কৰিলে বুলি উল্লেখ কৰি তেওঁ কয় যে নলবাৰী জিলাখন মানৱ সম্পদেৰে চহকী। মানৱ সম্পদেৰে চহকী এই নলবাৰী জিলাখন আজি শিক্ষাৰ নৱদ্বীপ হিচাপে খ্যাত-এইদৰে কয় মুখ্য অতিথি মন্ত্ৰী শ্ৰী বৰুৱাই। আজি ভাৰত তথা পৃথিৱীৰ যিকোনো স্থানতে নলবাৰীৰ লোক বিচাৰি পোৱা যায় আৰু এইটো নলবাৰীৰ বাবে গৌৰৱৰ বিষয় বুলি উল্লেখ কৰে মন্ত্ৰীগৰাকীয়ে। তেওঁ ভাষণ প্ৰসংগত আৰু কয় যে মন্ত্ৰী হিচাপে তেওঁ নলবাৰীখনক আৰু আগুৱাই লৈ যোৱাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰি যাব। আজিৰ জিলা দিৱসৰ অনুষ্ঠানত বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকাও উপস্থিত থাকে। আজিৰ সভাত আদৰণি ভাষণ দিয়ে জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে। আজিৰ নলবাৰী জিলা দিৱসৰ অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি অৱসৰপ্ৰাপ্ত শিক্ষক, গীতিকাৰ, নাট্যকাৰ অনুকূল শৰ্মাই নলবাৰী জিলাৰ ক্ৰম বিৱৰ্তনৰ কথা ব্যাখ্যা কৰে। আজিৰ জিলা দিৱসৰ অনুষ্ঠানত জিলা আয়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰীৰ দ্বাৰা সমবেত সংগীত, একক সংগীত, নৃত্যৰ লগতে সুনাগ নাট্য গোষ্ঠীৰ দ্বাৰা "বিভাজন এক বিভীষিকা" নামেৰে এখন চুটি নাটকো পৰিৱেশন কৰা হয়। জিলা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাৰ বঁটাসমূহো বিতৰণ কৰা হয়। আজিৰ অনুষ্ঠানত জ্যেষ্ঠ আৰক্ষী অধীক্ষক বিবেকানন্দ দাস, নলবাৰী চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ অচ্যুত বৈশ্য, নলবাৰী জিলা পৰিষদৰ সভানেত্ৰী আৰু নলবাৰী পৌৰসভা আৰু টিহু পৌৰসভাৰ সভানেত্ৰীদ্বয় উপস্থিত থাকে।

# "ৰাজ্যৰ ভিতৰত ড্ৰাগছ প্ৰচলনত দ্বিতীয় স্থানত গোলাঘাট জিলা, ৯০ শতাংশ ড্ৰাগছ আসক্তৰ শৰীৰত এইচ, আই ভি পজেটিভ"

## পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ উদ্যোগত 'ড্ৰাগছ বিৰোধী সজাগত অভিযান' আৰম্ভ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ গোলাঘাট, ১৪ আগষ্ট ঃ** নৱ-প্ৰজন্মৰ জীৱন পংগু কৰি সমাজ জীৱনলৈ ভয়াবহভাৱে অশনি সংকেত কঢ়িয়াই অনা মাৰাত্মক ড্ৰাগছৰ ব্যাপক প্ৰচলনৰ ক্ষেত্ৰত ৰাজ্যখনৰ ভিতৰতে দ্বিতীয় স্থানত গোলাঘাট জিলা। এনে ভয়ংকৰ তথ্যই সৰ্বস্তৰৰ ৰাইজক গভীৰ উদ্বিগ্ন কৰি তুলিছে। সমাজৰ এনে বিষবাষ্প উৎখাত কৰাৰ আহ্বানেৰে আৰু "আমাৰ সংকল্প, ড্ৰাগছমুক্ত সমাজ" শীৰ্ষক শ্ল'গানেৰে অসমৰ ভিতৰতে অগ্ৰনী অনুষ্ঠান পশ্চিম গোলাঘাট শাখা সাহিত্য সভাই সমগ্ৰ গোলাঘাট জিলাত গোলাঘাট জিলা প্ৰশাসন, নুমলীগড় শোধনাগাৰ লিমিটেড, স্বেচ্ছাসেৱী অনুষ্ঠান চছিয়েল এমপাৱাৰমেণ্ট এণ্ড ওৱেলফাৰ চছাইটি অৱ কাইণ্ডনেছ চমুকৈ 'SEWAK'ৰ সহযোগত আৰম্ভ কৰিছে ড্ৰাগছ বিৰোধী অভিযান। ইয়াৰ অংশবিশেষ হিচাপে আজি এন, এন, এছ বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ সহযোগত বিশ্ববিদ্যালযখনিত বৃহৎ আয়োজনেৰে অনুষ্ঠিত হয় "ড্ৰাগছ বিৰোধী কৰ্মশালা। উক্ত ড্ৰাগছ বিৰোধী সজাগতা কৰ্মশালাখনি আনুষ্ঠানিকভাৱে




শুভ উদ্বোধন কৰে গোলাঘাটৰ জিলা আয়ুক্ত বিশ্বজিৎ ফুকনে। কৰ্মশালা উদ্বোধন কৰি জিলা আয়ুক্ত ফুকনে এনেধৰণৰ পদক্ষেপৰ ভুয়সী প্ৰশংসা কৰি জিলা প্ৰশাসনৰ তৰফৰ পৰা সকলো ধৰণৰ সহযোগিতা আগবঢ়াই যাব বুলি ঘোষণা কৰে। আদৰণী ভাষণ প্ৰদান কৰে বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰফেছাৰ জি, সিংহায়াহে। সহকাৰী অধ্যাপক পল্লৱী বৰা আৰু পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ সম্পাদক স্বাগতা বৰাই আঁত ধৰা কৰ্মশালাত পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ সভাপতি ড° পুতুল চন্দ্ৰ শইকীয়া, জ্যেষ্ঠ সাংবাদিক, পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক দিগন্ত ভূএঞা, সমল ব্যক্তি ৰূপে গোলাঘাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মিণ্টু সন্দিকৈ, ডাঃ নয়ন দত্ত, বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক তথা NSS ৰ প্ৰকল্প সমন্বয়ক ড° অন্তৰা বৰা, বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিভাগৰ মুৰব্বী অধ্যাপক ত্ৰিবেদী চুতীয়া, পঞ্জীয়ক ড° উদয় কুমাৰ খনিকৰ, অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰদীপ বৰঠাকুৰ আদিয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাত কেইবা শতাধিক ছাত্ৰ-ছাত্ৰী, বিশিষ্ট নাগৰিক, সাংবাদিক, বিভিন্ন সংগঠনৰ প্ৰতিনিধি আদি উপস্থিত থাকে। সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি গোলাঘাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মিণ্টু সন্দিকৈয়ে ড্ৰাগছৰ ভয়াবহতাৰ বিভিন্ন দিশ, আইনগত সমস্যা, ৰাইজৰ কৰণীয় আদিৰ সন্দৰ্ভত সাৱলীলভাৱে উল্লেখ কৰে। গোলাঘাট জিলাৰ ড্ৰাগছ আসক্ত লোকৰ ভিতৰত ৯০ শতাংশ লোকৰ দেহত ভয়াবহ এইচ, আই, ভি পজিটিভ থকাৰ তথ্য উল্লেখ কৰে। সমল ব্যক্তি ডাঃ নয়ন দত্তই ড্ৰাগছ সেৱনৰ ফলত মানুহৰ স্বাস্থ্যৰ কেনেধৰণৰ অৱনতি ঘটি এজন তেজাল যুৱক কেনদৰে পংগুত্বলৈ গতি কৰে, সেই সন্দৰ্ভত উল্লেখ কৰে। উল্লেখ্য যে, এনে ড্ৰাগছ বিৰোধী সজাগতা অভিযানৰ জৰিয়তে বিশেষকৈ নৱ-প্ৰজন্মক ড্ৰাগছ বিৰোধী সংগ্ৰামখনত সহযোদ্ধা ৰূপে প্ৰস্তুত কৰি গাঁৱে-ভুঁৱে, নগৰে এক পৰিৱেশ সৃষ্টিৰ লক্ষ্য স্থিৰ কৰিছে। আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে জিলা আয়ুক্ত বিশ্বজিৎ ফুকনে।

# মাকুম আৰক্ষীৰ নেতৃত্বত পেঙেৰীত তিনি বাইক চোৰক আটক

**অসম বাৰ্তা, মাকুম, ১৪ আগষ্ট ঃ** মাকুম অঞ্চলৰ পৰা চুৰি হোৱা এখন মটৰ চাইকেল তিনিচুকীয়া জিলাৰ পেঙেৰীত মাকুম আৰক্ষীয়ে জব্দ কৰিবলৈ সক্ষম হয়। জানিবলৈ পৰা মতে কালি মাকুম অঞ্চলৰ পৰা এখন টিভিএছ মটৰচাইকেল চুৰি হৈছিল। মটৰ চাইকেল গৰাকীয়ে মাকুম আৰক্ষীক জাননী দিয়াৰ পাঁচ ঘণ্টা সময় অতিক্ৰম নকৰোঁতেই মাকুম আৰক্ষী থানাৰ উপ পৰিদৰ্শক চম্পক চুতীয়াৰ নেতৃত্বত যোৱা আৰক্ষীৰ দল আৰু তিনিচুকীয়া ৰাইডাৰ বাহিনীৰ সহযোগত পেঙেৰীৰ পৰা মটৰচাইকেলখন উদ্ধাৰ কৰিবলৈ সক্ষম হয়। মটৰচাইকেল চুৰি কাণ্ডৰ লগত জড়িত থকা আৰক্ষীয়ে তিনিজনক আটক কৰে। আটকাধীন যুৱক কেইজন ক্ৰমে তিনিচুকীয়া জিলাৰ ২ নং কাকজানৰ মনোজ হাজৰিকা (৩৯), পুৰণি মতাপুঙৰ কুশল চুতীয়া (২৪) আৰু হাতীজানৰ আকাশ গোঁহাই (২৬)। ইতিমধ্যে মাকুম আৰক্ষীয়ে তিনিওৰে বিৰুদ্ধে ৪৩/২০২৬, ভাৰতীয় ন্যায় সংহিতাৰ ৩০৩(২) ধাৰাৰ অধীনত গোচৰ ৰুজু কৰি জেল সাজোঁটলৈ প্ৰেৰণ কৰিছে।

# আমগুৰিত বানবিধ্বস্ত বিদ্যালয়ৰ শিক্ষাৰ্থীলৈ সামগ্ৰী বিতৰণ বিভিন্ন সংগঠনৰ

**অসম বাৰ্তা, চেলেংহাট, ১৪ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ আমগুৰি অঞ্চলটোও সাম্প্ৰতিক জলপ্ৰলয়ত বিস্তৰভাৱে ক্ষতিগ্ৰস্ত হয়। এই জলপ্ৰলয়ে ছাত্ৰ-ছাত্ৰীৰ কিতাপ-বহী সকলো উটুৱাই নিয়াৰ পাছত অঞ্চলটোৰ বিভিন্ন শিক্ষানুষ্ঠানত আমগুৰি নগৰ প্ৰাথমিক শিক্ষক মঞ্চ, জৈন সমাজ, আমগুৰি লেখিকা সমাৰোহ সমিতি, পূৰ্বোত্তৰ প্ৰাদেশিক মাৰোৱাৰী সন্মিলন, মাৰোৱাৰী যুৱ মঞ্চ আৰু মাৰোৱাৰী সমাজৰ উদ্যোগত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ মাজত বহী, কাগজ, কলমকে ধৰি বিভিন্ন সামগ্ৰী পৰ্য্যায়ক্ৰমে বিতৰণ কৰিছে। মাৰোৱাৰী যুৱ মঞ্চ আৰু মাৰোৱাৰী সন্মিলনে যোৱা বুধবাৰে আমগুৰি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ বানপীড়িত ১৩০ গৰাকী ছাত্ৰীৰ মাজত স্কুল বেগ, বহী, পানীৰ বটল, কলম আদি সামগ্ৰী বিতৰণ কৰে। এই উপলক্ষ্যে বিদ্যালয়খনৰ উদ্যোগত এখন সভা অনুষ্ঠিত হয়। সভাত ভূপেন হাজৰিকাৰ "মানুহে মানুহৰ বাবে" গীতেৰে ছাত্ৰীসকলে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। বিদ্যালয়ৰ প্ৰধান শিক্ষক দিব্যজ্যোতি শইকীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত তেওঁ মাৰোৱাৰী সমাজৰ এই কাৰ্যৰ ভূয়সী প্ৰশংসা কৰাৰ লগতে বিদ্যালয়ৰ ফালৰ পৰা এখন কৃতজ্ঞতা পত্ৰ নন্দ কিশোৰ শাৰদা আৰু সোহণলাল মুন্দ্ৰাৰ হাতত অৰ্পণ কৰে। মাৰোৱাৰী সন্মিলনৰ সভাপতি দিনেশ জৈনে বিগত দিনসমূহত সংগঠনটোৱে বানপীড়িত অঞ্চলত গ্ৰহণ কৰা বিভিন্ন জনহিতকৰ কাৰ্যৰ বিষয়ে আলোকপাত কৰি প্ৰাদেশিক পৰ্যায়ৰ বিষয়ববীয়া সকললৈ ধন্যবাদ জ্ঞাপন কৰে। সভাত স্থানীয় থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মৃদুল হাজৰিকা, চি কে বি কমাৰ্চ কলেজৰ প্ৰাক্তন উপাধ্যক্ষ বিমল শইকীয়া, প্ৰাক্তন প্ৰধান শিক্ষক অতুল চন্দ্ৰ বৰঠাকুৰ, পুলিন বৰঠাকুৰ, প্ৰাক্তন অধ্যক্ষ অমৰ জ্যোতি বৰঠাকুৰ, পৰিচালনা সমিতিৰ সভানেত্ৰী দীপালী শইকীয়া বৰুৱা, সমাজকৰ্মী পুতুল বৰুৱা, ৱাৰ্ড সদস্য অমিত আগৰৱালাকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। সভাৰ আঁত ধৰে বিদ্যালয়ৰ শিক্ষক দিগন্ত খাৰঘৰীয়াই। সেইদৰে আমগুৰি নগৰ প্ৰাথমিক শিক্ষক মঞ্চই নগৰখনৰ বানবিধ্বস্ত প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক উন্নতমানৰ বহী আগবঢ়ায়। আমগুৰি আঞ্চলিক লেখিকা সমাৰোহ সমিতিয়ে বন্যাৰ্ত প্ৰাথমিক বিদ্যালয় সমূহৰ শিক্ষাৰ্থীৰ মাজত লেখন সামগ্ৰী বিতৰণৰ লগতে আমগুৰি নগৰৰ ২নং ৱাৰ্ডৰ শান্তিবনৰ ১৭টা পৰিয়ালৰ মাজত বাল্টি আদি প্ৰয়োজনীয় সামগ্ৰীও বিতৰণ কৰে। আমগুৰি কাণ্ট্ৰি উইমেনচ্ নামৰ সংস্থাই আৰম্ভণিৰে পৰা বন্যাৰ্তসকলক খাদ্য, বস্ত্ৰ আদি যথাসাধ্য বিতৰণ কৰি আহিছে। ইয়াৰোপৰি অঞ্চলটোৰ বিশিষ্ট ব্যৱসায়ী পুতুল গগৈ, বিপুল ভূএঞা, উমেশ সিং, সুৰেন বড়া আদিয়েও নিজাববীয়াকৈ সহস্ৰাধিক বন্যাৰ্তক খোৱা পানী, আহাৰ আৰু ন্যূনতম প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰি আহিছে। উল্লেখ্য যে প্ৰথমবাৰৰ বাবে বানবিধ্বস্ত অঞ্চলটোৰ যুৱক-যুৱতী, মানৱতাবাদী ব্যক্তি, স্বেচ্ছাসেৱী সংগঠন আৰু বিভিন্ন দলে অঞ্চলটোৰ লগতে চাহ বাগিচাৰ বন্যাৰ্ত লোকক আজি পৰ্যন্ত সহায়ৰ হাত আগবঢ়াই আহিছে, যিটো আমগুৰিবাসীৰ বাবে এক আদৰ্শ হৈ ৰ'ব।

# শ্ৰীৰামপুৰত বিজেপিৰ ত্ৰিৰংগা যাত্ৰা

**অসম বাৰ্তা, গোসাঁইগাঁও, ১৪ আগষ্ট ঃ** স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত ভাৰতীয় জনতা পাৰ্টীৰ শ্ৰীৰামপুৰ মণ্ডল সমিতিৰ উদ্যোগত দেশপ্ৰেম আৰু জাতীয় ঐক্যৰ বাণীৰে এক ত্ৰিৰংগা যাত্ৰা উলিওৱা হয়। শ্ৰীৰামপুৰ মণ্ডল বিজেপি কাৰ্যালয়ৰ পৰা আৰম্ভ হোৱা এই ত্ৰিৰংগা যাত্ৰাত দলীয় নেতা-কৰ্মী, সমৰ্থককে ধৰি বহু লোকে অংশগ্ৰহণ কৰে। হাতে হাতে জাতীয় পতাকা লৈ অংশগ্ৰহণকাৰীসকলে শ্ৰীৰামপুৰ চাৰিআলি পৰিভ্ৰমণ কৰি পুনৰ মণ্ডল বিজেপি কাৰ্যালয়ত উপস্থিত হয় আৰু তাতেই যাত্ৰাৰ সামৰণি পৰে। ত্ৰিৰংগা যাত্ৰাৰ সময়ছোৱাত অংশগ্ৰহণকাৰী সকলে দেশপ্ৰেম, জাতীয় ঐক্য আৰু স্বাধীনতা সংগ্ৰামৰ বীৰ শ্বহীদসকলৰ ত্যাগক স্মৰণ কৰে। স্বাধীনতা দিৱসৰ তাৎপৰ্য জনসাধাৰণৰ মাজত অধিক ব্যাপকভাৱে প্ৰচাৰ কৰাৰ লগতে নতুন প্ৰজন্মৰ মাজত দেশপ্ৰেম আৰু ৰাষ্ট্ৰীয় ঐক্যৰ ভাবধাৰা জাগ্ৰত কৰাৰ উদ্দেশ্যে এই কাৰ্য্যসূচীৰ আয়োজন কৰা হয় বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে।

# তিনিচুকীয়া জিলা প্ৰশাসনৰ উদ্যোগত বিভাজন বিভীষিকা স্মৃতি দিৱস উপলক্ষে আলোচনাচক্ৰ আৰু তথ্যচিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৪ আগষ্ট ঃ** ১৯৪৭ চনৰ দেশ বিভাজনৰ বিভীষিকাময় পৰিস্থিতিত মৃত্যুবৰণ কৰা আৰু বাধ্যত পৰি নিজৰ জন্মস্থান ত্যাগ কৰিব লগা লোকসকলৰ স্মৃতিত প্ৰতি বছৰে "বিভাজন বিভীষিকা স্মৃতি দিৱস" পালন কৰা হয়। বিভাজনৰ সময়ত সৃষ্টি হোৱা দুখ-দুৰ্দশা আৰু বিভীষিকাৰ বিষয়ে নৱপ্ৰজন্মক অৱগত কৰাৰ লগতে ভৱিষ্যতে যাতে দেশত তেনে পৰিস্থিতিৰ পুনৰাবৃত্তি নহয় সেই উদ্দেশ্য আগত ৰাখি পালন কৰা বিভাজন বিভীষিকা দিৱস উপলক্ষে তিনিচুকীয়া জিলা প্ৰশাসনৰ উদ্যোগত তিনিচুকীয়া বাণিজ্য মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি এখনি আলোচনাচক্ৰ অনুষ্ঠিত কৰা হয়। তিনিচুকীয়া বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চৈতন্য বৰাই আঁত ধৰা অনুষ্ঠানটিত মুখ্য বক্তা হিচাপে অংশ লৈ চাবুৱাৰ দাখাদেৱী ৰাছিৰাছিয়া মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ড° প্লাৱিতা দাসে ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰাম, দেশ বিভাজন তথা দেশ বিভাজনৰ সময়ত সৃষ্টি হোৱা ভয়াবহ




পৰিস্থিতিৰ ওপৰত আলোকপাত কৰে। দেশ বিভাজনৰ সময়ছোৱাত মানুহৰ দুৰৱস্থা সম্পৰ্কেও বিশদভাৱে বৰ্ণনা আগবঢ়ায়। এনে পৰিস্থিতিৰ পুনৰাবৃত্তি নহ'বলৈ সকলোৱে মাজত পাৰস্পৰিক বুজাপৰা আৰু বিশ্বাস অটুট ৰখাটো খুবেই জৰুৰী বুলিও তেওঁ নিজ বক্তব্যত উল্লেখ কৰে। অনুষ্ঠানত তিনিচুকীয়া বিধানসভা সমষ্টিৰ বিধায়ক পুলক গোহাঁইয়ে দেশ বিভাজনৰ সময়ৰ কথা স্মৰণ কৰি তেনে পৰিৱেশৰ যাতে কেতিয়াও পুনৰাবৃত্তি নহয় আৰু সমাজখনক শান্তি, সম্প্ৰীতিৰ মাজেৰে প্ৰগতিৰ দিশত আগুৱাই নিবলৈ সকলোৱে একান্ত প্ৰচেষ্টা অতিশয় প্ৰয়োজনীয় বুলি মন্তব্য আগবঢ়ায়। বিভাজন বিভীষিকা দিৱস উপলক্ষে অনুষ্ঠিত আলোচনাচক্ৰত জিলা উন্নয়ন আয়ুক্ত জাভেদ আৰমান, জিলা পৰিষদৰ সভাপতি ভদ্ৰেশ্বৰ মৰাণ, উপ-সভাপতি চিত্ৰলেখা দুৱৰা সোণা, তিনিচুকীয়া পৌৰ সভাৰ সভাপতি পুলক চেতিয়া, তিনিচুকীয়া পৌৰসভাৰ উপসভাপতি ইন্দিৰা ৰয়, সহকাৰী আয়ুক্ত বন্দী কুমাৰী প্ৰমুখ্যে প্ৰশাসনৰ অন্যান্য উচ্চ পদস্থ বিষয়া-কৰ্মচাৰী আৰু বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল তথা মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাসকল উপস্থিত থাকে। আনহাতে, "বিভাজন বিভীষিকা স্মৃতি দিৱস"ৰ লগত সংগতি ৰাখি কেইবাখনো তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হয়।

# স্বাধীনতা আন্দোলন আৰু নবীন চন্দ্ৰ বৰদলৈ

## জাতীয় চেতনাৰ এক উজ্জ্বল প্ৰহৰী

ভাৰতৰ স্বাধীনতা আন্দোলনৰ ইতিহাস কেৱল দিল্লী, কলকাতা বা বোম্বাইৰ ৰাজনৈতিক ঘটনাপ্ৰবাহৰ ইতিহাস নহয়, ই সমগ্ৰ দেশজুৰি বিস্তৃত এক জাতীয় জাগৰণৰ ইতিহাস। এই মহান আন্দোলনত অসমৰ ভূমিকা বিশেষভাৱে উল্লেখযোগ্য। অসমৰ বহু নেতাই ভাৰতৰ স্বাধীনতা সংগ্ৰামখনক শক্তিশালী কৰি তুলিছিল। তেনে নেতা সকলৰ ভিতৰত নবীন চন্দ্ৰ বৰদলৈ এক উজ্জ্বল নাম বুলি ক'ব পাৰি। তেওঁ আছিল অসমৰ জাতীয়তাবাদী আন্দোলনৰ অন্যতম পথপ্ৰদৰ্শক, দক্ষ সংগঠক, প্ৰখ্যাত ৰাজনীতিবিদ আৰু স্বাধীনতা সংগ্ৰামৰ এক বলিষ্ঠ সৈনিক। তেওঁৰ নেতৃত্ব, ত্যাগ আৰু আদৰ্শই অসমৰ স্বাধীনতা আন্দোলনক নতুন গতি প্ৰদান কৰিছিল।

নবীন চন্দ্ৰ বৰদলৈৰ নাম উচ্চাৰণ কৰিলেই দেশপ্ৰেম, আত্মত্যাগ আৰু জনসেৱাৰ এখন উজ্জ্বল প্ৰতিচ্ছবি আমাৰ মনত ভাহি উঠে। তেওঁ কেৱল এজন ৰাজনৈতিক নেতাই নাছিল, তেওঁ আছিল জাতীয় জীৱনৰো অন্যতম নিৰ্মাতাৰ দৰে। অসমৰ জনগণৰ মাজত জাতীয় চেতনা জগাই তোলা, গান্ধীয় আদৰ্শৰ প্ৰচাৰ, অসহযোগ আন্দোলনক সফল কৰি তোলা আৰু স্বাধীনতা আন্দোলনৰ বিভিন্ন পৰ্যায়ত সক্ৰিয় অংশগ্ৰহণৰ বাবে তেওঁ সদায় স্মৰণীয় হৈ থাকিব।

*জন্ম আৰু শৈশৱঃ*

নবীন চন্দ্ৰ বৰদলৈৰ জন্ম ১৮৭৫ চনত কামৰূপ জিলাৰ উত্তৰ গুৱাহাটীত হয়। শৈশৱৰে পৰা তেওঁ মেধাৱী, অধ্যৱসায়ী আৰু সমাজসচেতন আছিল। তেওঁ গুৱাহাটীত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা লাভ কৰি উচ্চশিক্ষাৰ বাবে কলকাতালৈ যায়। শিক্ষাজীৱনত তেওঁ জাতীয়তাবাদী চিন্তাধাৰাৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱিত হয়। সেই সময়ত সমগ্ৰ ভাৰততে স্বাধীনতাৰ চেতনা ধীৰে ধীৰে বিস্তাৰ লাভ কৰিছিল। বংগভংগ আন্দোলন, স্বদেশী আন্দোলন আৰু জাতীয় কংগ্ৰেছৰ কাৰ্যকলাপে নবীন চন্দ্ৰ বৰদলৈৰ মনত গভীৰ প্ৰভাৱ পেলায়।

শিক্ষা সমাপ্ত কৰাৰ পিছত তেওঁ আইনৰ পেছাত যোগদান কৰে। কিন্তু তেওঁ বুজি পাইছিল যে কেৱল ব্যক্তিগত উন্নতিৰে জাতিৰ মুক্তি সম্ভৱ নহয়। সেয়েহে তেওঁ ধীৰে ধীৰে জনজীৱন আৰু ৰাজনীতিত সক্ৰিয়ভাৱে জড়িত হৈ পৰে।

*ভাৰতীয় স্বাধীনতা আন্দোলনৰ পটভূমিঃ*

১৮৫৭ চনৰ মহাবিদ্ৰোহৰ পিছত ভাৰতীয় জাতীয়তাবাদ শক্তিশালী ৰূপত গঢ় লৈ উঠে। ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ গঠনৰ জৰিয়তে স্বাধীনতা আন্দোলনে এক সংগঠিত ৰূপ লাভ কৰে। বিংশ শতিকাৰ আৰম্ভণিতে বাল গংগাধৰ তিলক, লালা লাজপত ৰায়, বিপিন চন্দ্ৰ পাল আদিৰ নেতৃত্বত স্বাধীনতাৰ দাবী অধিক জোৰদাৰ হয়।

পৰৱৰ্তী সময়ত মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলন, আইন অমান্য আন্দোলন আৰু ভাৰত ত্যাগ আন্দোলনে স্বাধীনতা সংগ্ৰামক গণআন্দোলনৰ ৰূপ দিয়ে। এই বৃহৎ আন্দোলন সমূহত অসমৰ জনসাধাৰণক সংগঠিত কৰাৰ ক্ষেত্ৰত নবীন চন্দ্ৰ বৰদলৈৰ অৱদান আছিল অতুলনীয়।

*অসমত জাতীয়তাবাদৰ উত্থানঃ*

উনবিংশ শতিকাৰ শেষভাগ আৰু বিংশ শতিকাৰ আৰম্ভণিতে অসমত জাতীয়তাবাদী চেতনা ক্ৰমাৎ বিস্তাৰ লাভ কৰিবলৈ ধৰে। লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী আদিৰ দৰে সাহিত্যিকসকলে সাহিত্যৰ জৰিয়তে জাতীয় চেতনাৰ বিকাশ ঘটায়।

ৰাজনৈতিক ক্ষেত্ৰত তৰুণৰাম ফুকন, নবীন চন্দ্ৰ বৰদলৈ, কুলধৰ চলিহা, বিষ্ণুৰাম মেধি আদি নেতাই স্বাধীনতা আন্দোলনৰ ভিত্তি শক্তিশালী কৰে। নবীন চন্দ্ৰ বৰদলৈ এই আন্দোলনৰ অন্যতম কেন্দ্ৰীয় ব্যক্তিত্ব আছিল।

*অসহযোগ আন্দোলনত নবীন চন্দ্ৰ বৰদলৈঃ*

১৯২০ চনত মহাত্মা গান্ধীয়ে অসহযোগ আন্দোলন আৰম্ভ কৰাৰ পিছত সমগ্ৰ দেশৰ লগতে অসমতো ইয়াৰ প্ৰভাৱ পৰে। নবীন চন্দ্ৰ বৰদলৈয়ে এই আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। তেওঁ আইনৰ পেছা ত্যাগ কৰি স্বাধীনতা সংগ্ৰামত আত্মনিয়োগ কৰে। তেওঁ অসমৰ বিভিন্ন অঞ্চল ভ্ৰমণ কৰি জনগণক বিদেশী সামগ্ৰী বৰ্জন, চৰকাৰী অনুষ্ঠান বয়কট আৰু স্বদেশী সামগ্ৰী ব্যৱহাৰৰ আহ্বান জনায়। তেওঁৰ বক্তৃতাই সাধাৰণ মানুহক গভীৰভাৱে অনুপ্ৰাণিত কৰিছিল। অসহযোগ আন্দোলনৰ সময়ত অসমৰ বহু যুৱক-যুৱতী



আৰু ছাত্ৰ-ছাত্ৰীয়ে আন্দোলনত যোগদান কৰে। ইয়াৰ নেপথ্যত নবীন চন্দ্ৰ বৰদলৈৰ নেতৃত্ব বিশেষভাৱে উল্লেখযোগ্য বুলিব পাৰি।

*গান্ধীবাদী আদৰ্শৰ প্ৰচাৰঃ*

নবীন চন্দ্ৰ বৰদলৈ মহাত্মা গান্ধীৰ আদৰ্শৰ একনিষ্ঠ অনুসৰী আছিল। তেওঁ অহিংসা, সত্যাগ্ৰহ আৰু স্বদেশী আদৰ্শৰ প্ৰচাৰত বিশেষ গুৰুত্ব দিছিল। তেওঁ বিশ্বাস কৰিছিল যে ভাৰতৰ স্বাধীনতা কেৱল ৰাজনৈতিক পৰিৱৰ্তনৰ জৰিয়তে নহয়, ই সামাজিক আৰু নৈতিক জাগৰণৰ জৰিয়তেও সম্ভৱ। সেয়েহে তেওঁ খাদী ব্যৱহাৰ, গ্ৰামোন্নয়ন, শিক্ষা বিস্তাৰ আৰু সামাজিক সংস্কাৰৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল।

*কাৰাবাস আৰু আত্মত্যাগঃ*

স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰাৰ বাবে নবীন চন্দ্ৰ বৰদলৈ বহু বাধা-বিঘিনিৰ সন্মুখীন হয়। ব্ৰিটিছ চৰকাৰে তেওঁক বিভিন্ন সময়ত গ্ৰেপ্তাৰ কৰে। কাৰাবাসৰ কষ্ট সহ্য কৰিও তেওঁ আন্দোলনৰ পথ এৰি যোৱা নাছিল। তেওঁৰ কাৰাবাসে অসমৰ জনগণৰ মাজত স্বাধীনতাৰ প্ৰতি অধিক উৎসাহৰহে সৃষ্টি কৰিছিল। অসমীয়া জনগণেই উপলব্ধি কৰিছিল যে দেশৰ স্বাধীনতাৰ বাবে ত্যাগ স্বীকাৰ কৰাটো অত্যাৱশ্যক।

*অসম প্ৰাদেশিক কংগ্ৰেছত তেওঁৰ ভূমিকাঃ*

অসম প্ৰাদেশিক কংগ্ৰেছ গঢ়ি তোলা আৰু ইয়াক শক্তিশালী সংগঠন হিচাপে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত নবীন চন্দ্ৰ বৰদলৈৰ ভূমিকা উল্লেখযোগ্য। তেওঁ কংগ্ৰেছৰ বিভিন্ন কাৰ্যসূচী সফলভাৱে ৰূপায়ণ কৰিছিল। তেওঁ এগৰাকী সংগঠক হিচাপে অত্যন্ত দক্ষ আছিল। অসমৰ বিভিন্ন অঞ্চলৰ নেতা আৰু কৰ্মীসকলক একত্ৰিত কৰি তেওঁ শক্তিশালী গণভিত্তি সৃষ্টি কৰিছিল। ফলস্বৰূপে স্বাধীনতা আন্দোলন অসমত ব্যাপক জনসমৰ্থন লাভ কৰে।

*কৃষক আৰু সাধাৰণ জনতাৰ নেতাঃ*

নবীন চন্দ্ৰ বৰদলৈৰ ৰাজনীতিৰ মূল কেন্দ্ৰবিন্দু আছিল সাধাৰণ মানুহ। তেওঁ কৃষক, শ্ৰমিক আৰু দৰিদ্ৰ জনগোষ্ঠীৰ সমস্যা গভীৰভাৱে উপলব্ধি কৰিব পাৰিছিল। ব্ৰিটিছ ঔপনিৱেশিক শাসনৰ সময়ত কৃষকসকল নানা সমস্যাৰ সন্মুখীন হৈছিল। নবীন চন্দ্ৰ বৰদলৈয়ে তেওঁলোকৰ অধিকাৰ সুৰক্ষাৰ বাবে সংগ্ৰাম কৰিছিল। ইয়াৰ ফলত তেওঁ অসমৰ সাধাৰণ জনতাৰ মাজত অতি জনপ্ৰিয় হৈ উঠিছিল।

*শিক্ষাৰ প্ৰসাৰত অৱদানঃ*

নবীন চন্দ্ৰ বৰদলৈয়ে উপলব্ধি কৰিছিল যে শিক্ষা অবিহনে জাতীয় উন্নতি সম্ভৱ নহয়। সেয়েহে তেওঁ শিক্ষাৰ বিস্তাৰৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁ জাতীয় শিক্ষাৰ প্ৰচাৰ, মাতৃভাষাৰ বিকাশ আৰু শিক্ষানুষ্ঠানৰ উন্নয়নৰ ক্ষেত্ৰত বিশেষ আগ্ৰহ প্ৰকাশ কৰিছিল। তেওঁৰ চিন্তাধাৰাই অসমৰ শিক্ষা আন্দোলনক প্ৰভাৱিত কৰিছিল।

*আইন অমান্য আন্দোলন আৰু তেওঁৰ ভূমিকাঃ*

১৯৩০ চনত আৰম্ভ হোৱা আইন অমান্য আন্দোলনতো নবীন চন্দ্ৰ বৰদলৈ সক্ৰিয় আছিল। তেওঁ ব্ৰিটিছ চৰকাৰৰ অন্যায় আইনসমূহৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে আৰু জনগণক আন্দোলনত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰে। এই আন্দোলনৰ সময়ত অসমৰ বিভিন্ন অঞ্চলত গণআন্দোলন গঢ়ি তোলাত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁৰ নেতৃত্বই আন্দোলনক অধিক সংগঠিত আৰু শক্তিশালী কৰি তুলিছিল বুলিব পাৰি।

*স্বাধীনতা আন্দোলনত অসমৰ অৱদানক শক্তিশালী কৰাঃ*

অসমৰ স্বাধীনতা আন্দোলনৰ ইতিহাসত নবীন চন্দ্ৰ বৰদলৈক এক সেতুবন্ধনকাৰী ব্যক্তিত্ব হিচাপে পৰিগণিত কৰিব পাৰি। তেওঁ অসমৰ আন্দোলনক সৰ্বভাৰতীয় স্বাধীনতা সংগ্ৰামৰ সৈতে সংযুক্ত কৰাত প্ৰভুত অৰিহণা আগবঢ়াইছিল। তেওঁৰ প্ৰচেষ্টাৰ ফলত অসমৰ জনগণে জাতীয় আন্দোলনৰ সৈতে নিজকে সম্পৃক্ত অনুভৱ কৰিবলৈ আৰম্ভ কৰে। এই চেতনাই পৰৱৰ্তী সময়ত স্বাধীনতা সংগ্ৰামক অধিক শক্তিশালী কৰে।

*ব্যক্তিত্ব আৰু নেতৃত্বৰ বৈশিষ্ট্যঃ*

নবীন চন্দ্ৰ বৰদলৈৰ ব্যক্তিত্ব আছিল সৰল, নম্ৰ আৰু আদৰ্শবাদী। তেওঁ সততা, নিষ্ঠা আৰু দেশপ্ৰেমৰ এক উজ্জ্বল উদাহৰণ আছিল। তেওঁৰ নেতৃত্বৰ কিছুমান বিশেষ বৈশিষ্ট্য হৈছে—দৃঢ় জাতীয়তাবাদ, অসাধাৰণ সাংগঠনিক দক্ষতা, গণমুখী নেতৃত্ব, আত্মত্যাগৰ মানসিকতা, নৈতিক সাহস, অহিংস নীতিৰ প্ৰতি আস্থা আদি। এই গুণসমূহে তেখেতক অসমৰ ৰাজনৈতিক জীৱনত এক বিশেষ মৰ্যাদা প্ৰদান কৰিছিল।

*স্বাধীনতাৰ পিছতো তেওঁৰ আদৰ্শৰ প্ৰাসঙ্গিকতাঃ*

আজিৰ ভাৰতত নবীন চন্দ্ৰ বৰদলৈৰ আদৰ্শ বিশেষভাৱে প্ৰাসঙ্গিক। গণতান্ত্ৰিক মূল্যবোধ, সামাজিক ন্যায়, শিক্ষা, সততা আৰু জনসেৱাৰ যি আদৰ্শ তেওঁ প্ৰতিষ্ঠা কৰিছিল, সেই আদৰ্শসমূহ আজিও

**অজিত বৰুৱা**

সমানভাৱে গুৰুত্বপূৰ্ণ।

যুৱ সমাজে তেওঁৰ জীৱনৰ পৰা দেশপ্ৰেম, আত্মনিয়োগ আৰু নেতৃত্বৰ শিক্ষা লাভ কৰিব পাৰে। তেওঁৰ আদৰ্শ অনুসৰণে জাতি গঠনৰ প্ৰক্ৰিয়া অধিক শক্তিশালী হ'ব পাৰে। ভাৰতৰ স্বাধীনতা আন্দোলনৰ ইতিহাসত নবীন চন্দ্ৰ বৰদলৈৰ নাম চিৰস্মৰণীয়। তেওঁ অসমৰ স্বাধীনতা সংগ্ৰামক এক নতুন দিশ প্ৰদান কৰিছিল আৰু জাতীয় আন্দোলনৰ সৈতে অসমক ওতপ্ৰোতভাৱে সংযুক্ত কৰিছিল। তেওঁৰ ত্যাগ, নেতৃত্ব, সাংগঠনিক দক্ষতা আৰু দেশপ্ৰেমে অসমৰ ইতিহাসত এক স্বৰ্ণিল অধ্যায় ৰচনা কৰিছে।

স্বাধীনতা কেৱল ৰাজনৈতিক মুক্তি নহয়, ই হৈছে আত্মমৰ্যাদা, ন্যায় আৰু মানৱীয় মূল্যবোধৰ প্ৰতিষ্ঠা। নবীন চন্দ্ৰ বৰদলৈয়ে নিজৰ জীৱনৰ জৰিয়তে এই সত্য প্ৰতিপন্ন কৰি গৈছে। সেয়েহে তেওঁ হৈছে অসমৰ স্বাধীনতা আন্দোলনৰ এক অবিস্মৰণীয় নায়ক, যাৰ অৱদান ভাৰতীয় জাতীয় জীৱনত সদায় উজ্জ্বল হৈ থাকিব। তেওঁৰ স্মৃতি আৰু আদৰ্শ ভৱিষ্যৎ প্ৰজন্মৰ বাবে এক অমূল্য প্ৰেৰণা হৈ ৰ'ব।

# 'বন্দে মাতৰম্'-ভাৰতীয় জাতীয় চেতনাৰ অক্ষয় বন্তি

ভাৰতৰ স্বাধীনতা সংগ্ৰাম আছিল ব্ৰিটিছ ঔপনিৱেশিক শাসনৰ শোষণ, নিৰ্যাতন আৰু অন্যায়ৰ বিৰুদ্ধে গঢ় লৈ উঠা এক সুদীৰ্ঘ আৰু কষ্টকৰ ঐতিহাসিক আন্দোলন। দেশক পৰাধীনতাৰ শৃংখলৰ পৰা মুক্ত কৰি স্বাধীনতাৰ সূৰ্যোদয় ঘটোৱাৰ লক্ষ্যৰে অসংখ্য দেশপ্ৰেমী লোক, বিপ্লৱী আৰু স্বাধীনতা সংগ্ৰামীয়ে নিজৰ জীৱন, ত্যাগ আৰু তপস্যাৰে এই সংগ্ৰামক মহীয়ান কৰি তুলিছিল। ঊনবিংশ শতিকাৰ শেষাৰ্ধৰ পৰা সূচনা হোৱা এই মুক্তি সংগ্ৰামে কালক্ৰমত এক অভূতপূৰ্ব



হিমাংশু ৰঞ্জন ভূঞা

গণ-আন্দোলনৰ ৰূপ লৈ সমগ্ৰ দেশক ভৌগোলিক, ভাষিক আৰু সামাজিক প্ৰাচীৰ ভাঙি একত্ৰিত কৰিছিল। আবেদন-নিবেদনৰ নৰমপন্থী ৰাজনীতিৰ পৰা আৰম্ভ কৰি স্বদেশী আন্দোলন, স্বৰাজ, সত্যাগ্ৰহ, অসহযোগ, আইন অমান্য আৰু ভাৰত ত্যাগ আন্দোলনলৈকে- স্বাধীনতাৰ ব্যাকুল আকাংক্ষাই ভাৰতীয় জনজীৱনক গভীৰভাৱে স্পৰ্শ কৰিছিল। এই সংগ্ৰাম কেৱল মাত্ৰ ৰাজনৈতিক অধিকাৰ পুনৰুদ্ধাৰৰ আন্দোলন নাছিল, ই আছিল আত্মমৰ্যাদা, স্বদেশপ্ৰেম, ঐক্য আৰু জাতীয় চেতনাৰ এক বিৰাট সংস্কাৰমুখী জাগৰণ।

এই ঐতিহাসিক জাগৰণক শক্তি, প্ৰেৰণা আৰু স্পন্দন প্ৰদান কৰা বহু প্ৰতীক, শ্লোগান আৰু গীতৰ ভিতৰত বংকিমচন্দ্ৰ চট্টোপাধ্যায়ৰ কালজয়ী সৃষ্টি 'বন্দে মাতৰম্' এ লাভ কৰিছিল এক সৰ্বোচ্চ আৰু অনন্য স্থান। পৰাধীনতাৰ গ্লানি আৰু নিৰাশাত অৱসন্ন হৈ পৰা বিশাল ভাৰতবৰ্ষৰ জনসাধাৰণক মাতৃভূমিৰ প্ৰতি একাত্মবোধ আৰু আত্মত্যাগৰ মহৎ চেতনাৰে উদ্বুদ্ধ কৰি তোলা এই দুটা শব্দ এক শক্তিশালী জাতীয় মংগলধ্বনি আৰু মুক্তিকামী জনতাৰ হুংকাৰত পৰিণত হৈছিল। 'বন্দে মাতৰম্' কেৱল এটি কবিতা বা গান হৈ থকা নাছিল। এই গীত হৈ পৰিছিল পৰাধীন ভাৰতৰ জাগ্ৰত আত্মাৰ সাৰ্থক অভিব্যক্তি, স্বদেশপ্ৰেমৰ এক উজ্জ্বল প্ৰতীক আৰু সংগ্ৰামৰ অগ্নিকুণ্ডত নতুন প্ৰাণ সঞ্চাৰ কৰা এক অনন্য সঞ্জীৱনী মন্ত্ৰ।

১৮৭৫ চনত প্ৰসিদ্ধ সাহিত্যিক, চিন্তাবিদ তথা স্বাধীনতা সংগ্ৰামী বংকিমচন্দ্ৰ চট্টোপাধ্যায়ে এই কালজয়ী গীতটি ৰচনা কৰিছিল। সম্প্ৰতি এই ঐতিহাসিক ৰচনাৰ ১৫০ বছৰ পূৰ্ণ হৈছে। ১৮৮২ চনত প্ৰকাশিত বংকিমচন্দ্ৰৰ বিখ্যাত উপন্যাস 'আনন্দমঠ'ত এই গীতটো মুখ্য স্তোত্ৰ হিচাপে অন্তৰ্ভুক্ত কৰা হৈছিল। সংস্কৃত-বঙালী মিশ্ৰভাষাত ৰচিত এই গীতত মাতৃভূমিৰ বন্দনাৰ মাজেৰে ভাৰতীয় জাতীয়তাবাদৰ গভীৰ চেতনা প্ৰকাশ পাইছে। গীতটোৰ মূলভাবনাত ভাৰতভূমিক মাতৃৰূপে কল্পনা কৰি দেৱী দুৰ্গাৰ প্ৰতীকী ৰূপত বন্দনা কৰা হৈছে। 'আনন্দমঠ' উপন্যাসখনৰ মূল কাহিনী 'সন্তান' নামেৰে জনাজাত এদল সন্ন্যাসীক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছে। তেওঁলোকে নিজৰ জীৱন মাতৃভূমিৰ সেৱা আৰু মুক্তিৰ বাবে উৎসৰ্গা কৰিছিল। তেওঁলোকৰ বাবে মাতৃভূমি কেৱল জন্মভূমি নহয়, বৰং এগৰাকী দেৱীৰূপা মাতৃ। সন্তানসকলে গোৱা 'বন্দে মাতৰম্' গীতটোৱে এই দেশপ্ৰেম আৰু মাতৃভূমিৰ প্ৰতি গভীৰ ভক্তিৰ ভাবকে প্ৰতিফলিত কৰিছে। সেয়েহে, গীতটো 'আনন্দমঠ'ৰ কেন্দ্ৰীয় ভাবধাৰাৰ সৈতে গভীৰভাৱে জড়িত। সন্তানসকলৰ মন্দিৰত মাতৃভূমিক প্ৰতিনিধিত্ব কৰা তিনিটা মূৰ্তি স্থাপন কৰা হৈছিল- অতীতৰ গৌৰৱময় মাতৃ, বৰ্তমানৰ দুৰ্বল আৰু ধূলি-ধূসৰিত মাতৃ আৰু ভৱিষ্যতৰ মহিমামণ্ডিত মাতৃ। এই তিনিটা ৰূপৰ মাজেৰে ভাৰতৰ গৌৰৱময় অতীত, বৰ্তমানৰ পৰাধীনতা আৰু উজ্জ্বল ভৱিষ্যতৰ এক প্ৰতীকী চিত্ৰ দাঙি ধৰা হৈছে। এইদৰেই 'বন্দে মাতৰম্' গীতটোৱে মাতৃভূমিক দেৱীৰূপে কল্পনা কৰি দেশপ্ৰেম, আত্মত্যাগ আৰু স্বাধীনতাৰ আকাংক্ষাক এক শক্তিশালী ৰূপ প্ৰদান কৰিছে। গীতটোৰ মূল বাৰ্তা আছিল- জন্মভূমিৰ পৱিত্ৰতা, স্বাধীনতা আৰু স্বাভিমান ৰক্ষা কৰাটো প্ৰতিজন সন্তানৰ সৰ্বোচ্চ ধৰ্ম আৰু ঐতিহাসিক দায়িত্ব। এই গীতটোক মহৰ্ষি শ্ৰীঅৰবিন্দই কেৱল এক কবিতা হিচাপে নহয়, বৰঞ্চ ইয়াক 'ভাৰতীয় ৰাষ্ট্ৰবাদৰ মন্ত্ৰ' আৰু 'জাতীয় সংগ্ৰামৰ প্ৰাণস্পন্দন' বুলি অভিহিত কৰিছিল।

ভাৰতৰ স্বাধীনতা আন্দোলন চলি থকা দিনবোৰত 'বন্দে মাতৰম্' এক অভূতপূৰ্ব জাতীয় ধ্বনি আৰু অফুৰন্ত প্ৰেৰণাৰ উৎসত পৰিণত হৈছিল। ১৮৯৬ চনত কলকাতাত অনুষ্ঠিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ ১২ সংখ্যক বাৰ্ষিক অধিৱেশনত বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে প্ৰথমবাৰৰ বাবে ৰাজনৈতিক মঞ্চত গীতটি নিজৰ সুৰেৰে সংযোজিত কৰি ৰাজহুৱাভাৱে পৰিৱেশন কৰে। ৰবীন্দ্ৰনাথৰ অতি গম্ভীৰ, উদাত্ত আৰু সুমধুৰ কণ্ঠত ৰূপায়িত এই গীতটিয়ে সমগ্ৰ অধিৱেশন স্থানত এক বৈপ্লৱিক উদ্দীপনা সৃষ্টি কৰিছিল। পৰৱৰ্তী সময়ত ১৯০১ চনৰ কংগ্ৰেছৰ কলকাতা অধিৱেশনত দক্ষিণাচৰণ সেন আৰু ১৯০৫ চনৰ বাৰাণসী অধিৱেশনত সৰলা দেৱী চৌধুৰীণীয়ে এই গীত পৰিৱেশন কৰি ইয়াক অধিক জনপ্ৰিয় কৰি তোলে। ১৯০৫ চনত লৰ্ড কাৰ্জনে যেতিয়া সাম্ৰাজ্যবাদী স্বাৰ্থত বংগ ভংগৰ সিদ্ধান্ত ঘোষণা কৰে, তেতিয়া তাৰ প্ৰতিক্ৰিয়াস্বৰূপে গঢ়ি উঠা স্বদেশী আন্দোলনৰ সময়ছোৱাত 'বন্দে মাতৰম্' কেৱল এটি দেশপ্ৰেমমূলক গীত হৈ নাথাকি এক শক্তিশালী ৰাজনৈতিক শ্লোগানত পৰিণত হয়। ১৯০৫ চনৰ ৭ আগষ্টত ৰাজনৈতিক শ্লোগান হিচাপে ইয়াৰ উল্লেখযোগ্য ব্যৱহাৰ দেখা যায়। সেই বছৰতে ভাৰতীয় জাতীয় কংগ্ৰেছৰ বাৰাণসী অধিৱেশনতো গীতটোৱে সৰ্বভাৰতীয় পৰিসৰত বিশেষ মৰ্যাদা লাভ কৰে। ব্ৰিটিছ ঔপনিৱেশিক শাসকে 'বন্দে মাতৰম্'ৰ জনপ্ৰিয়তা আৰু ইয়াৰ মাজেৰে প্ৰকাশ পোৱা জাতীয়তাবাদী চেতনাক ভয় কৰিছিল। ১৯০৬ চনৰ এপ্ৰিল মাহত পূব বংগৰ বৰিশালত অনুষ্ঠিত বংগ প্ৰাদেশিক সন্মিলনত ৰাজহুৱাভাৱে 'বন্দে মাতৰম্' গোৱাৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰা হয় আৰু অৱশেষত সন্মিলনখনো বন্ধ কৰি দিয়া হয়। কিন্তু প্ৰতিনিধিসকলে ঔপনিৱেশিক নিৰ্দেশ অমান্য কৰি 'বন্দে মাতৰম্' ধ্বনি অব্যাহত ৰাখে আৰু আৰক্ষীৰ দমন-পীড়নৰ সন্মুখীন হয়। ১৯০৭ চনৰ মে' মাহতো লাহোৰৰ যুৱ প্ৰতিবাদকাৰীসকলে ৰাৱালপিণ্ডিত স্বদেশী নেতাসকলক গ্ৰেপ্তাৰ কৰাৰ প্ৰতিবাদত 'বন্দে মাতৰম্' শ্লোগান ধ্বনি দিয়ে।




'বন্দে মাতৰম্'ৰ প্ৰভাৱ ভাৰতৰ সীমা অতিক্ৰম কৰিও বিস্তৃত ৰূপত প্ৰতিফলিত হৈছিল। ১৯০৭ চনত মেডাম ভিকাজী কামাই জাৰ্মানীৰ ষ্টুটগাৰ্টত ভাৰতৰ বাহিৰত প্ৰথমবাৰৰ বাবে ত্ৰিৰংগ পতাকা উত্তোলন কৰে। সেই পতাকাত দেৱনাগৰী লিপিত সোণালী আখৰেৰে 'বন্দে মাতৰম্' শব্দযুগল অংকিত আছিল। একেদৰে, ১৯০৯ চনত মদনলাল ধিংৰাক ফাঁচী দিয়াৰ পূৰ্বে তেওঁৰ শেষ উচ্চাৰণ হিচাপেও 'বন্দে মাতৰম্'ৰ উল্লেখ পোৱা যায়। সেই সময়ছোৱাতে পেৰিছত থকা ভাৰতীয় দেশপ্ৰেমীসকলে জেনেভাৰ পৰা 'বন্দে মাতৰম্' নামৰ এখন আলোচনী প্ৰকাশৰ উদ্যোগ গ্ৰহণ কৰে। 'বন্দে মাতৰম্'ৰ জনপ্ৰিয়তা কেৱল বিপ্লৱী আৰু প্ৰতিবাদকাৰীসকলৰ মাজতেই সীমাবদ্ধ নাছিল। ১৯১২ চনৰ অক্টোবৰ মাহত গোপাল কৃষ্ণ গোখলে দক্ষিণ আফ্ৰিকাৰ কেপটাউনত উপস্থিত হোৱাৰ সময়তো এক বিশাল শোভাযাত্ৰাই 'বন্দে মাতৰম্' ধ্বনিৰে তেওঁক আদৰণি জনাইছিল। এনেভাৱেই ব্ৰিটিছৰ 'ভাগ কৰা আৰু শাসন কৰা' কুটিল নীতিৰ বিৰুদ্ধে ধৰ্ম, বৰ্ণ, ভাষা আৰু অঞ্চল নিৰ্বিশেষে সমগ্ৰ দেশবাসী যেতিয়া ৰাজপথলৈ ওলাই আহিছিল, তেতিয়া এই গীতটিয়েই আছিল সাংস্কৃতিক আৰু মানসিক ঐক্যৰ প্ৰধান সেতু।

বিপ্লৱী সংগ্ৰামৰ ক্ষেত্ৰতো এই গীতৰ প্ৰভাৱ আছিল অসীম। ক্ষুদিৰাম বসু, প্ৰফুল্ল চাকী, ভগৎ সিং, ৰাজগুৰু, সুখদেৱ, সূৰ্য সেন, আশফাকউল্লা খান আৰু মাতঙ্গিনী হাজৰাৰ দৰে অসংখ্য অমৰ শ্বহীদে ব্ৰিটিছৰ ফাঁচীৰ মঞ্চত উঠি আনন্দৰে 'বন্দে মাতৰম্' উচ্চাৰণ কৰি দেশৰ বাবে প্ৰাণ আহুতি দিছিল। গীতটোৰ অনবদ্য জনপ্ৰিয়তা আৰু ক্ৰান্তিকাৰী প্ৰভাৱত আতংকিত হৈ ব্ৰিটিছ চৰকাৰে বহু ঠাইত ইয়াৰ ৰাজহুৱা উচ্চাৰণ আৰু গোৱাটো আইনগতভাৱে নিষিদ্ধ কৰিছিল। কিন্তু উপনিৱেশবাদী দমন-পীড়ন, লাঠী চালনা বা কাৰাদণ্ডই ভাৰতীয় মুক্তিকামী জনতাৰ কণ্ঠ স্তব্ধ কৰিব পৰা নাছিল। বৰং নিষিদ্ধ হোৱাৰ পিছত এই গীতৰ প্ৰতি জনসাধাৰণৰ আকৰ্ষণ আৰু দেশভক্তিৰ বহ্নি আৰু অধিক তীব্ৰতৰ হৈ পৰিছিল।

'বন্দে মাতৰম্'ৰ জনপ্ৰিয়তা কেৱল ৰাজনৈতিক সভা-সমিতিতে সীমাবদ্ধ হৈ থকা নাছিল, ই বিয়পি পৰিছিল সাহিত্য, সাংবাদিকতা, চলচ্চিত্ৰ আৰু জাতীয় প্ৰতীকসমূহলৈও। ১৯০৬ চনৰ আগষ্ট মাহত বিপিন চন্দ্ৰ পালৰ সম্পাদনাত 'বন্দে মাতৰম্' শীৰ্ষক এখন ইংৰাজী দৈনিক কাকত মুকলি কৰা হৈছিল, য'ত পৰৱৰ্তী সময়ত শ্ৰীঅৰবিন্দই যুটীয়া সম্পাদক হিচাপে যোগদান কৰিছিল। একেদৰে লাহোৰৰ পৰা পঞ্জাৱ কেশৰী লালা লাজপত ৰায়ে 'বন্দে মাতৰম্' নামৰ এখন বিশিষ্ট উৰ্দু সাময়িক পত্ৰ সম্পাদনা কৰি প্ৰকাশ কৰিছিল। ১৯০৫ চনত হীৰালাল সেনে নিৰ্মাণ কৰা ভাৰতৰ প্ৰথম ৰাজনৈতিক তথ্যচিত্ৰখনো এই গীতৰ ধ্বনি আৰু সুৰেৰে সামৰণি মৰা হৈছিল। ১৯০৯ চনত শ্ৰীঅৰবিন্দই এই গীতৰ ইংৰাজী অনুবাদ কৰিছিল—Mother, I Bow to Thee! যিটো আন্তৰ্জাতিক পৰ্যায়ত অত্যন্ত সমাদৃত হৈছিল। ২০০২ চনত বি বি চি ৱৰ্ল্ড ছাৰ্ভিচে অনুষ্ঠিত কৰা এক আন্তৰ্জাতিক সমীক্ষাত এ. আৰ. ৰহমানে সুৰাৰোপ আৰু পৰিৱেশন কৰা 'বন্দে মাতৰম্'এ বিশ্বৰ সৰ্বকালৰ অন্যতম জনপ্ৰিয় গীত হিচাপে স্থান লাভ কৰে।

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতে সুদীৰ্ঘ পৰাধীনতাৰ অন্ত পেলাই স্বাধীনতা লাভ কৰাৰ পিছত, সংবিধান সভাত স্বাধীন দেশৰ বাবে ৰাষ্ট্ৰীয় সংগীত আৰু ৰাষ্ট্ৰীয় গীত চয়ন কৰাৰ উদ্দেশ্যে দীঘলীয়া আলোচনা অনুষ্ঠিত হয়। অৱশেষত ১৯৫০ চনৰ ২৪ জানুৱাৰীত সংবিধান সভাৰ অন্তিম বৈঠকত সংবিধান সভাৰ সভাপতি ড° ৰাজেন্দ্ৰ প্ৰসাদে এক ঐতিহাসিক ঘোষণাৰে- ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'জন গণ মন'ক ভাৰতৰ আনুষ্ঠানিক জাতীয় সংগীত হিচাপে আৰু বংকিমচন্দ্ৰ চট্টোপাধ্যায়ৰ 'বন্দে মাতৰম্'ক জাতীয় গীত (ৰাষ্ট্ৰীয় সংগীত) হিচাপে গ্ৰহণ কৰা হয়। ১৮৭৫ চনৰ পৰা ২০২৫-২৬ চনলৈ- 'বন্দে মাতৰম্'ৰ এই ডেৰশতিকাজোৰা ঐতিহাসিক যাত্ৰা কেৱল অতীতৰ কোনো কাব্যিক সৃষ্টিৰ কাহিনী নহয়। ই হ'ল ভাৰতীয় ৰাষ্ট্ৰীয়তাবাদৰ আত্মাৰ ইতিহাস।

পৰিশেষত ক'ব পাৰি যে, কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগত 'বন্দে মাতৰম্'ৰ ১৫০ বছৰীয়া জয়ন্তী উপলক্ষে ২০২৫ চনৰ ৭ নৱেম্বৰৰ পৰা ২০২৬ চনৰ ৭ নৱেম্বৰলৈকে বছৰজোৱা ৰাষ্ট্ৰীয় উদযাপন অনুষ্ঠিত কৰি থকা হৈছে। কেন্দ্ৰীয় কেবিনেটে এই উদ্‌যাপনত বিশেষকৈ যুৱ প্ৰজন্ম আৰু ছাত্ৰ-ছাত্ৰীক সম্পৃক্ত কৰি গীতটোৰ ঐতিহাসিক তাৎপৰ্য, দেশপ্ৰেম আৰু জাতীয় চেতনাৰ বিষয়ে সজাগতা বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত মতে, দেশজুৰি 'বন্দে মাতৰম্'ৰ সম্পূৰ্ণ সংস্কৰণৰ সমূহীয়া গীত পৰিৱেশনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। চৰকাৰী কাৰ্যালয়, শিক্ষা প্ৰতিষ্ঠান আৰু বিভিন্ন সংগঠনত সমূহীয়া গীত, সাংস্কৃতিক অনুষ্ঠান, আলোচনা, প্ৰদৰ্শনী আৰু জনসাধাৰণৰ অংশগ্ৰহণমূলক কাৰ্যসূচী অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰা হৈছে।

বিশেষকৈ যুৱসমাজক গীতটোৰ ৰাষ্ট্ৰপ্ৰেম, ঐক্য, ত্যাগ আৰু স্বাধীনতা আন্দোলনৰ ঐতিহ্যৰ সৈতে সংযুক্ত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। যিবোৰ শব্দই বিভাজিত আৰু নিদ্ৰিত হৈ থকা এটা জাতিক বিশ্বৰ আটাইতকৈ শক্তিশালী ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে থিয় হ'বলৈ অফুৰন্ত সাহস দিছিল, সেই 'বন্দে মাতৰম্' আজিও প্ৰতিজন ভাৰতীয়ৰ হৃদয়ত সমানেই উজ্জীৱিত হৈ আছে। 'বন্দেমাতৰম্' আমাৰ গৌৰৱময় ইতিহাসৰ প্ৰেৰণাদায়ী অধ্যায় আৰু অনাগত ভৱিষ্যতলৈকে ভাৰতৰ ঐক্য, অখণ্ডতা, সাৰ্বভৌমত্ব আৰু জাতীয় স্বাভিমান ৰক্ষা কৰাৰ এক অমৰ, চিৰপ্ৰভাৱশালী আলোকস্তম্ভ হিচাপে প্ৰবাহিত হৈ থাকিব।

**লেখকৰ ঠিকনা ঃ**
**জামুগুৰিহাট, শোণিতপুৰ**

## স্বাধীনতা দিৱস

*✍ মামণ মেধি*

এই শব্দটো দেখিলেই পোনপ্ৰথমে
মনলৈ এটা প্ৰশ্ন আহে—
"সঁচাকৈয়ে আমি স্বাধীন নে?"
এজনী এন.চি.চি. কেডে হিচাপে
স্বাধীনতা দিৱস আৰু গণতন্ত্ৰ দিৱস
আছিল মোৰ বাবে এক গভীৰ আৱেগ,
এই দুটা দিন যেন মোৰ প্ৰাণৰ
এক পৱিত্ৰ উৎসৱ আছিল!
কিন্তু, এই বছৰটোত চকুৰে যি যি দেখিলোঁ-
মনত বাৰে বাৰে এটাই প্ৰশ্ন জাগে,
সঁচাকৈয়ে আমি স্বাধীন নে?
যিটো দেশত মেধাৱী ছাত্ৰ-ছাত্ৰীৰ
ভৱিষ্যৎ লৈ খেলা খেলা হয়,
য'ত এটি নিৰীহ ১৮ মহীয়া শিশুৱেও
পৈশাচিক ধৰ্ষণৰ বলি হ'বলগীয়া হয!
য'ত 'অৰ্ধাংগিনী' বুলি
সম্বোধন কৰা পত্নীয়ে
সমাজত দেৱতাৰ আসন দিয়া স্বামীক
প্ৰাণ ল'বলৈকো দ্বিধাবোধ নকৰে,
য'ত জুবিন দাৰ দৰে মহান শিল্পীয়েও
ন্যায় পাবলৈ আজি ইমান
সংগ্ৰাম কৰিবলগীয়া হয়।
য'ত আজিও জাতি-মাটি-ভেটিৰ নামত
আপোন ভাই-ককাইৰ মাজতে
তেজৰ সম্পৰ্ক ম্লান পৰে,
য'ত এতিয়াও এচাম লোকে
নাৰীৰ স্বাভাৱিক মাহেকীয়া ঋতু চক্ৰকলৈ
ঘিণ আৰু অহেতুক লাঞ্ছনা কৰিবলৈ এৰা নাই।
সঁচাকৈয়ে, তেনে এখন দেশ স্বাধীন নে?
আজি এই 'স্বাধীনতা' শব্দটোৱেই
মোৰ চেতনাক নাড়া দিছে,
আৰু মোক আমনি কৰিছে
অযুত প্ৰশ্নৰ এক কঠিন তালিকাই
সঁচাকৈ আমি স্বাধীন নে?

## ৮০ সংখ্যক স্বাধীনতা দিৱস

পোনপ্ৰথমতে সকলো দেশবাসীক ৮০ সংখ্যক স্বাধীনতা দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰিছোঁ। আশা ৰাখিছোঁ ভগৱানে সকলোকে ভালে কুশলে ৰাখিব। যদিও মহা প্ৰলয়ে আমাক দুঃখিত কৰিছে। দেশৰ জনগণে বহুতে সহায় কৰিছে। আৰু বাকীবোৰে দুখৰ সমভাগী হৈছে। আমি স্বাধীনতা দেশৰ নাগৰিক বুলি গৌৰৱ অনুভৱ কৰোঁ। সেই হিচাপে প্ৰতিবছৰে ১৫ আগষ্টৰ দিনটো স্বাধীনতা দিৱস পালন কৰোঁ। আজি কালি আগতকৈ ল'ৰা ছোৱালীয়ে বোৰে গাড়ী মটৰ বাইক স্কুটিত জাতীয় পতাকা লৈ ঘূৰি ফুৰি উদ্‌যাপন কৰে। সঁচাকৈ বহুত ভাল লাগে। কিন্তু কেতিয়াবা কেতিয়াবা মনটো দুখেৰে ভৰি পৰে। আমাৰ দৰে সৰু সৰু মানুহবোৰৰ বাক স্বাধীনতা, কৰ্ম কৰা স্বাধীনতাত আঘাত পৰে। মৌলিক অধিকাৰ খৰ্ব হয়। আমি যিহেতু এখন সংবিধানৰ অধীনত তলত নীতি নিয়ম দ্বাৰা চালিত নাগৰিক। সকলোৰে এক হোৱা উচিত। আমি উজুটি নোখোৱাকৈ থকা নাই। তথাপি ভুলবোৰ শুদ্ধ কৰি যোৱা ভাল। প্ৰথমে ভাষাৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে। দ্বিতীয়তে জাতিৰ মাটি ভেটিত গুৰুত্ব দিব লাগে। তৃতীয়তে শিক্ষা আৰু স্বাস্থ্যৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে। চতুৰ্থতে জৈৱ বৈচিত্ৰ্য নদ-নদী, পাহাৰ, গছ-গছনিত অধিক গুৰুত্ব দিব লাগে। পঞ্চমতে নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে আৰু যিবোৰ ব্যক্তিগত কোম্পানীত নিয়োজিত হৈ আছে। তেওঁ লোকৰ পাৰিশ্ৰমিক কম বেছি সময় ব্যৱহাৰ কৰে। লগতে জানিব পৰা মতে মাহটো সম্পূৰ্ণ কাম কৰা সুযোগ নাই। বৰ্তমান সময়ত সৰ্বাধিক চৰ্চিত বিষয় ই ৰিক্সা চলাচল ক্ষেত্ৰত হোৱা চৰকাৰে সু সিদ্ধান্ত লোৱা উচিত। আজিৰ তাৰিখত হাজাৰ হাজাৰ বুলি ক'ব পাৰি। আমাৰ বিশেষ অনুৰোধ। ৰাষ্ট্ৰীয় ঘাইপথত ই ৰিক্সা চলাচল বন্ধ কৰাটো যুক্তিসংগত নহয় বুলি ভাৱো। কিন্তু নীতি নিয়ম থকা অতি জৰুৰী। নহ'লে বিশৃঙ্খল হ'ব। আজি যদি ৮০ সংখ্যক স্বাধীনতা পায় দেশৰ সৰু সৰু মানুহবোৰ কাম কৰি খাবলৈ হাহাকাৰ কৰিব লগা হয়। ইয়াতকৈ দুখৰ কথা নাই।

*বিপুল চন্দ্ৰ দাস*
*নহিৰা গাঁও, দক্ষিণ কামৰূপ*

### মুক্তিসংগ্ৰামৰ পৰা সংবিধান সভালৈ

# ভাৰতীয় ৰাষ্ট্ৰ-গঠনত অসমৰ ভূমিকা



নলিনী ৰঞ্জন ভূঞা

**ভা**ৰতৰ স্বাধীনতা আন্দোলন আৰু স্বাধীনতা-উত্তৰ ৰাষ্ট্ৰ-নিৰ্মাণৰ ইতিহাসত অসমৰ ভূমিকা বহুমাত্ৰিক আৰু তাৎপৰ্যপূৰ্ণ। ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে কৃষক-জনতাৰ প্ৰতিবাদ, জাতীয় আন্দোলনত অসমৰ সক্ৰিয় অংশগ্ৰহণ, ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অসংখ্য লোকৰ ত্যাগ আৰু আত্মবলিদান-এই সকলোবোৰে অসমত জাতীয়তাবাদী চেতনাৰ বিকাশ ঘটাইছিল। কিন্তু অসমৰ অৱদান কেৱল স্বাধীনতা লাভৰ সংগ্ৰামতে সীমাবদ্ধ নাছিল। স্বাধীনতাৰ পিছত ভাৰতীয় সংবিধানৰ কাঠামো নিৰ্মাণৰ সময়তো অসমৰ প্ৰতিনিধিসকলে ৰাজ্যখনৰ স্বকীয়তা, জনজাতীয় অঞ্চলৰ অধিকাৰ, সামাজিক ন্যায়, সংখ্যালঘু আৰু অনুসূচিত জাতিৰ প্ৰতিনিধিত্ব, আঞ্চলিক স্বাৰ্থ তথা সীমান্তৱৰ্তী অসমৰ বিশেষ সমস্যাসমূহ সংবিধান সভাৰ আলোচনালৈ আনিছিল। সেই অৰ্থত ভাৰতীয় গণৰাজ্যৰ সাংবিধানিক ভেটি নিৰ্মাণৰ ইতিহাসতো অসমৰ এক উল্লেখযোগ্য স্থান আছে।

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পাছত অসম ব্ৰিটিছ ঔপনিৱেশিক শাসনৰ অন্তৰ্ভুক্ত হয়। ইয়াৰ পিছৰে পৰা ঔপনিৱেশিক শোষণ, কৰনীতি আৰু প্ৰশাসনিক হস্তক্ষেপৰ বিৰুদ্ধে বিভিন্ন সময়ত অসমত প্ৰতিবাদ আৰু প্ৰতিৰোধৰ সৃষ্টি হয়। ১৮৫৭ চনৰ বিদ্ৰোহৰ সময়ত মণিৰাম দেৱান আৰু পিয়লি বৰুৱাই ব্ৰিটিছ শাসনৰ বিৰুদ্ধে বিদ্ৰোহৰ প্ৰচেষ্টাত অংশ লৈছিল। তেওঁলোকৰ আত্মবলিদানে অসমৰ ঔপনিৱেশিক-বিৰোধী চেতনাৰ ইতিহাসত এক স্মৰণীয় অধ্যায়ৰ সৃষ্টি কৰে। কৃষক সমাজৰ প্ৰতিবাদেও ঔপনিৱেশিক শাসনৰ ভেটি কঁপাই তুলিছিল। ১৮৬১ চনৰ ফুলগুৰিৰ ধেৱা আৰু ১৮৯৪ চনৰ পথৰুঘাটৰ কৃষক বিদ্ৰোহ ইয়াৰ উল্লেখযোগ্য উদাহৰণ। অত্যধিক কৰ, ভূমি-ৰাজহ আৰু ঔপনিৱেশিক অৰ্থনৈতিক নীতিৰ বিৰুদ্ধে কৃষকসকলে যি প্ৰতিবাদ গঢ়ি তুলিছিল, তাৰ মাজত নিজৰ জীৱন-জীৱিকা আৰু অধিকাৰ ৰক্ষাৰ এক সুস্পষ্ট আকাংক্ষা প্ৰকাশ পাইছিল। এই প্ৰতিবাদসমূহে পৰৱৰ্তী জাতীয় আন্দোলনৰ বাবে অসমৰ সমাজত এক প্ৰতিবাদী ৰাজনৈতিক চেতনাৰ ভেটি গঢ়ি তুলিছিল।

বিংশ শতিকাৰ আৰম্ভণিৰ পৰা অসমত জাতীয়তাবাদী চেতনাই অধিক সুসংগঠিত ৰূপ ল'বলৈ আৰম্ভ কৰে। শিক্ষিত মধ্যবিত্ত সমাজ, জাতীয়তাবাদী নেতা আৰু বিভিন্ন সামাজিক সংগঠনে ব্ৰিটিছ শাসনৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক নীতিৰ বিৰুদ্ধে জনমত গঢ়ি তুলিবলৈ আগবাঢ়ি আহে। ১৯২১ চনত অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সাংগঠনিক ৰূপ অধিক সুদৃঢ় হয়। সেই সময়ত কুলধৰ চলিহা আৰু পিছলৈ তৰুণ ৰাম ফুকন, গোপীনাথ বৰদলৈ, নবীন চন্দ্ৰ বৰদলৈ, চন্দ্ৰনাথ শৰ্মা আদি নেতাই অসহযোগ আন্দোলনক অসমৰ বিভিন্ন প্ৰান্তলৈ লৈ যোৱাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মহাত্মা গান্ধীৰ ১৯২১ চনৰ অসম ভ্ৰমণে এই আন্দোলনক বিশেষ গতি প্ৰদান কৰে। গান্ধীয়ে অসমৰ বিভিন্ন ঠাইত জনসভাত অংশ লৈ স্বদেশী বস্তু গ্ৰহণ, বিদেশী বস্ত্ৰ বৰ্জন তথা অসহযোগৰ বাণী প্ৰচাৰ কৰে। তেওঁৰ ভ্ৰমণে অসমৰ ৰাজনৈতিক পৰিৱেশত নতুন উদ্দীপনাৰ সৃষ্টি কৰে আৰু অসহযোগ আন্দোলনে জনসাধাৰণৰ মাজত ব্যাপক সঁহাৰি লাভ কৰে। অসহযোগ আন্দোলনৰ জৰিয়তে অসমৰ জাতীয় আন্দোলনে ব্যাপকভাৱে গণভিত্তি লাভ কৰে। ছাত্ৰ সকলে স্কুল-কলেজ বৰ্জন কৰি, যুৱক, কৃষক, ব্যৱসায়ী আৰু সাধাৰণ জনতাৰ লগতে মহিলাসকলেও ক্ৰমে জাতীয় আন্দোলনৰ সৈতে জড়িত হ'বলৈ আৰম্ভ কৰে। চন্দ্ৰপ্ৰভা শইকীয়ানী এই মহিলা জাগৰণৰ অন্যতম অগ্ৰণী নেত্ৰী আছিল। ১৯২৬ চনত গঠিত অসম প্ৰাদেশিক মহিলা সমিতিয়ে মহিলা শিক্ষা, সামাজিক সংস্কাৰ আৰু জাতীয় চেতনাৰ প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

অসহযোগ আন্দোলনৰ পিছত আইন অমান্য আন্দোলনেও অসমত জাতীয়তাবাদী ৰাজনীতিক অধিক সক্ৰিয় কৰি তোলে। ১৯৩০ চনত মহাত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা এই আন্দোলনত অসমৰ নেতা, ছাত্ৰ, মহিলা আৰু সাধাৰণ জনতাই অংশগ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰী সকলে স্কুল- কলেজ ত্যাগ কৰি আন্দোলনত জড়িত হৈ পৰে। বিদেশী সামগ্ৰী বৰ্জন, ব্ৰিটিছ বিৰোধী সভা-সমিতি, শোভাযাত্ৰা আৰু বিভিন্ন অসহযোগমূলক কাৰ্যসূচীৰ জৰিয়তে স্বাধীনতাৰ দাবী অধিক শক্তিশালী হৈ উঠে। ব্ৰিটিছ চৰকাৰৰ দমননীতি, গ্ৰেপ্তাৰ আৰু কাৰাবাসেও এই আন্দোলনৰ গতি ৰোধ কৰিব নোৱাৰিলে। এই পৰ্যায়ত গঢ় লৈ উঠা জাতীয়তাবাদী পৰিৱেশেই পৰৱৰ্তী সময়ৰ অধিক তীব্ৰ গণআন্দোলনৰ ভেটি প্ৰস্তুত কৰে।

সেই পৰিণতিত ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনে অসমত এক গভীৰ গণজাগৰণৰ সৃষ্টি কৰে। ভাৰতৰ অনান্য ঠাইৰ দৰে মৌলানা মহম্মদ তৈয়বুল্লা, বিষ্ণুৰাম মেধি, ফকৰুদ্দিন আলি আহমদ আদি অসমৰ নেতৃ স্থানীয় কেই বাগৰাকীও লোকক আন্দোলনৰ আৰম্ভণিতেই কাৰাৰুদ্ধ কৰাত অসমৰ ইমূৰৰ পৰা সিমূৰলৈ সৰ্বত্ৰ হৈ-চৈৰ সৃষ্টি হৈ সকলো লোক আন্দোলনত জঁপিয়াই পৰিল। প্ৰভাত চন্দ্ৰ বৰুৱা, কালিৰাম মেধি, মহেন্দ্ৰ নাথ ডেকা, শংকৰ চন্দ্ৰ বৰুৱা, অমিয় কুমাৰ দাস, জ্যোতিপ্ৰসাদ আগৰৱালা, গহন চন্দ্ৰ গোস্বামী, ব্ৰজনাথ শৰ্মাৰ দৰে নেতাসকলে গোপন স্বেচ্ছাসেৱী কেন্দ্ৰৰ জৰিয়তে আন্দোলন পৰিচালনা কৰিছিল। ৰূপ কোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ বিপ্লৱী কবিতা, গীত আৰু তেজোদীপ্ত বক্তৃতাত উদ্বুদ্ধ হৈ অসমৰ লাখ লাখ যুৱক-যুৱতীয়ে 'মৃত্যু বাহিনী'ত যোগদান কৰি স্বাধীন ভাৰতৰ ত্ৰিৰঙ্গ পতাকা হাতত লৈ গণ-মিছিল কৰি বিভিন্ন অনুষ্ঠানত ত্ৰিৰঙ্গ পতাকা উত্তোলন কৰি কুইট ইণ্ডিয়া, বন্দেমাতৰম ধ্বনি দিবলৈ ধৰিলে।

আন্দোলনত অসমৰ মহিলাসকলৰ অৱদানো আছিল অভূতপূৰ্ব। ১৯৪২ চনৰ ২০ ছেপ্টেম্বৰ তাৰিখে গহপুৰ থানা অভিমুখে যোৱা এটা শোভাযাত্ৰাৰ সন্মুখত থাকি নেতৃত্ব দি হাতত ত্ৰিৰঙ্গ পতাকা লৈ আগবাঢ়ি যোৱা অৱস্থাত কিশোৰী কনকলতা বৰুৱাই পুলিচৰ গুলিত প্ৰাণ বিসৰ্জন দিয়ে। গুলিত আঘাত প্ৰাপ্ত হৈ বাগৰি পৰা কনকলতাৰ হাতৰ পৰা দ্ৰুতগতিৰে পতাকা মাটিত পৰিবলৈ নিদি মুকুন্দ কাকতিয়ে সিংহ বিক্ৰমেৰে আগুৱাই যাওঁতেই পুলিচৰ আন এটা গুলিয়ে মুকুন্দ কাকতিকো নিহত কৰে। কনকলতা আৰু মুকুন্দ কাকতিৰ দেশৰ হকে কৰা আত্মবলিদানত উপস্থিত জনতা বিক্ষুব্ধ হৈ পৰে। কনকলতা বৰুৱা ভাৰত ত্যাগ আন্দোলনৰ প্ৰথম মহিলা শ্বহীদ হিচাপে ইতিহাসত অমৰ হৈ আছে। আনহাতে একেদিনাই ঢেকীয়াজুলি থানাত জাতীয় পতাকা উত্তোলন কৰিবলৈ আগবাঢ়ি যোৱা এটা বৃহৎ শোভাযাত্ৰাত অংশ লোৱা জনতাৰ ওপৰত বৰ্বৰ ভাৱে পুলিছে উপৰ্যুপৰি গুলী বৰ্ষণ কৰাত তেৰ গৰাকী আন্দোলন কাৰী ঘটনাস্থলিতে নিহত হৈছিল। একেদৰে আগষ্টৰ ২৬ তাৰিখে বেবেজীয়া দলঙৰ ওপৰত মিলিটাৰীৰ গুলি চালনাত কলাই কোচ, হেমকান্ত বৰুৱা, হেমৰাম পাটৰ, গুণাভিৰাম বৰুৱাই মৃত্যু বৰণ কৰে। একে সময়তে বাৰপুজীয়াৰ তিলক ডেকা মিলিটাৰীৰ গুলিত নিহত হয়।

১৯৪২ চনৰ ১৮ চেপ্তেম্বৰত নগাঁৱৰ বঢ়মপুৰত ৰত্নমালা নামৰ এগৰাকী কিশোৰীৰ হাতৰ পৰা মিলিটাৰীয়ে জাতীয় পতাকা কাঢ়ি লৈ অত্যাচাৰ কৰাত বয়োজ্যেষ্ঠা ভোগেশ্বৰী ফুকননী আগবাঢ়ি যায়। লগে লগে মিলিটাৰীয়ে নিৰ্মমভাৱে ভোগেশ্বৰী ফুকননীক গুলি কৰি হত্যা কৰে। এই কাৰ্যত জনতা উত্তেজিত হৈ পৰে আৰু প্ৰতিবাদ কৰি আগবাঢ়ি যায়। পুনৰ মিলিটাৰীয়ে প্ৰতিবাদ কাৰী জনতাৰ ওপৰত নিৰ্মম গুলিচালনাৰে লক্ষ্মীৰাম হাজৰিকা, থানুৰাম সুত আৰু বলোৰাম সুতক হত্যা কৰে। আনহাতে ১৫ চেপ্তেম্বৰত বজালীত পুলিচৰ গুলিত অষ্টম শ্ৰেণীৰ ছাত্ৰ মদন শৰ্মা আৰু ৰাউতা ৰাম দাস নিহত হয়।

অসমৰ কুশল কোঁৱৰৰ বলিদান এই আন্দোলনৰ অন্যতম হৃদয়স্পৰ্শী কাহিনী। শিৱসাগৰ জিলাৰ সৰুপথাৰত ৰে'লৰ চিৰি খোলাৰ অপৰাধত সৰুপথাৰ প্ৰাথমিক কংগ্ৰেছৰ সম্পাদক কুশল কোঁৱৰক গ্ৰেপ্তাৰ কৰে আৰু ১৯৪৩ চনৰ ১৫ জুনত ইংৰাজ চৰকাৰে কুশল কোঁৱৰক ফাঁচি কাঠত ওলোমাই। ১৯৪২ চনৰ ভাৰতত্যাগ আন্দোলনত ফাঁচিকাঠত ওলোমা একমাত্ৰ শ্বহীদ আছিল কুশল কোঁৱৰ। ছাত্ৰ, কৃষক আৰু শ্ৰমিক শ্ৰেণীৰ ব্যাপক অংশগ্ৰহণে অসমত ভাৰত ত্যাগ আন্দোলনক এক জন-আন্দোলনৰ ৰূপ দিছিল। বিদেশী সামগ্ৰীৰ বৰ্জন, হৰতাল আৰু প্ৰতিবাদী মিছিলৰ জৰিয়তে অসমৰ জনতাই ব্ৰিটিছৰ বিৰুদ্ধে এক অটল সংগ্ৰাম গঢ়ি তুলিছিল। আন্দোলনৰ সময়ত অগণন বন্দীৰে অসমৰ সকলো জেল ভৰি পৰিছিল।

এইদৰে স্বাধীনতা সংগ্ৰামৰ বিভিন্ন পৰ্যায় অতিক্ৰম কৰি অসমে ১৯৪০ দশকৰ শেষভাগত ভাৰতৰ সাংবিধানিক ভৱিষ্যৎ নিৰ্ধাৰণৰ প্ৰক্ৰিয়াত প্ৰৱেশ কৰে। কেবিনেট মিছন পৰিকল্পনাৰ ভিত্তিত গঠিত ভাৰতীয় সংবিধান সভাৰ প্ৰথম বৈঠক অনুষ্ঠিত হৈছিল ১৯৪৬ চনৰ ৯ ডিচেম্বৰত। অসমৰ পৰাও কেইবাগৰাকী প্ৰতিনিধি এই সভালৈ নিৰ্বাচিত হৈছিল। স্বাধীনতাৰ পিছত সদস্যপদৰ পুনৰ বিন্যাসৰ ফলত গোপীনাথ বৰদলৈ, ৰেভাৰেণ্ড জে. জে. এম. নিকোলছ-ৰয়, কুলধৰ চলিহা, ৰোহিণী কুমাৰ চৌধুৰী, ধৰণীধৰ বসুমতাৰী, নিবাৰণ চন্দ্ৰ লস্কৰ, ছৈয়দ মহম্মদ চাদুল্লা আৰু ছৈয়দ আব্দুৰ ৰউফ আদি অসমৰ সৈতে জড়িত প্ৰতিনিধিয়ে সংবিধান সভাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সংবিধান সভাত অসমৰ ভূমিকাৰ দিশত ১৯৪৬ চনৰ কেবিনেট মিছন পৰিকল্পনাৰ প্ৰসংগ বিশেষভাৱে গুৰুত্বপূৰ্ণ। এই পৰিকল্পনাত অসমক বংগৰ সৈতে একেটা গোটত অন্তৰ্ভুক্ত কৰাৰ প্ৰস্তাৱ দিয়া হৈছিল। অসমৰ ৰাজনৈতিক আৰু প্ৰশাসনিক স্বাৰ্থৰ ক্ষেত্ৰত ইয়াৰ সম্ভাব্য পৰিণতি সম্পৰ্কে গভীৰ উদ্বেগ প্ৰকাশ কৰি গোপীনাথ বৰদলৈয়ে এই ব্যৱস্থাৰ দৃঢ় বিৰোধিতা কৰিছিল। অসমৰ স্বকীয় ৰাজনৈতিক পৰিচয় আৰু ভৱিষ্যৎ নিৰ্ধাৰণৰ অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত তেওঁৰ এই অৱস্থান ঐতিহাসিকভাৱে গুৰুত্বপূৰ্ণ।

স্বাধীনতাৰ পিছত সংবিধান প্ৰণয়নৰ কামত অসমৰ আটাইতকৈ উল্লেখযোগ্য অৱদানৰ অন্যতম আছিল জনজাতীয় আৰু পাহাৰীয়া অঞ্চলসমূহৰ বাবে বিশেষ সাংবিধানিক সুৰক্ষাৰ ধাৰণা বিকশিত কৰাত লোৱা ভূমিকা। ১৯৪৭ চনৰ ২৭ ফেব্ৰুৱাৰীত সংবিধান সভাৰ পৰামৰ্শদাতা সমিতিৰ অধীনত উত্তৰ-পূৰ্ব সীমান্ত অসমৰ জনজাতীয় আৰু বৰ্জিত অঞ্চল বিষয়ক উপ-সমিতি গঠন কৰা হয় আৰু গোপীনাথ বৰদলৈ ইয়াৰ অধ্যক্ষ নিৰ্বাচিত হয়। ৰেভাৰেণ্ড জে. জে. এম. নিকোলছ-ৰয়েও এই প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই উপ-সমিতিৰ কাম আছিল তদানীন্তন অসমৰ জনজাতীয় আৰু বৰ্জিত অঞ্চলসমূহৰ বিশেষ সামাজিক, সাংস্কৃতিক আৰু প্ৰশাসনিক পৰিস্থিতি অধ্যয়ন কৰা আৰু সেই অনুসৰি সাংবিধানিক ব্যৱস্থাৰ পৰামৰ্শ আগবঢ়োৱা। স্থানীয় জনসাধাৰণৰ মতামত, পৰম্পৰাগত সামাজিক ব্যৱস্থা, ভূমি-ব্যৱস্থা আৰু প্ৰশাসনিক প্ৰয়োজনীয়তাক বিবেচনাত লৈ প্ৰস্তুত কৰা প্ৰতিবেদন পৰৱৰ্তী সাংবিধানিক আলোচনাত গুৰুত্বপূৰ্ণ বিষয় হৈ পৰে। ১৯৪৭ চনৰ ২৫ আগষ্টত এই উপ-সমিতিৰ প্ৰতিবেদন দাখিল কৰা হয় আৰু ইয়াৰ পৰামৰ্শসমূহ পৰৱৰ্তী সময়ৰ খচৰা সংবিধানৰ সংশ্লিষ্ট ব্যৱস্থাত অন্তৰ্ভুক্ত কৰা হয়।

ইয়াৰ ফলস্বৰূপে ভাৰতীয় সংবিধানত জনজাতীয় অঞ্চলৰ বাবে বিশেষ প্ৰশাসনিক ব্যৱস্থাৰ পথ মুকলি হয়। পৰৱৰ্তী সময়ত সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত স্বায়ত্তশাসিত জিলা পৰিষদ আৰু আঞ্চলিক পৰিষদৰ ব্যৱস্থা গঢ় লৈ উঠে। ভূমি, বন, জলসম্পদ, পৰম্পৰাগত আইন, সামাজিক ৰীতি-নীতি আদি বিষয়ত স্থানীয় জনজাতীয় সমাজৰ স্বকীয়তা ৰক্ষা কৰাৰ বাবে এই ব্যৱস্থা বিশেষ তাৎপৰ্যপূৰ্ণ হৈ পৰে। গোপীনাথ বৰদলৈৰ এই ভূমিকা ষষ্ঠ অনুসূচীৰ বিকাশৰ সৈতে ঘনিষ্ঠভাৱে জড়িত। অৱশ্যে এই ক্ষেত্ৰত এটা কথা মনত ৰখা প্ৰয়োজন যে অসমৰ সকলো প্ৰতিনিধিৰ মত একে নাছিল। জনজাতীয় স্বায়ত্তশাসনৰ পৰিসৰ, প্ৰশাসনিক ক্ষমতা আৰু সমতল আৰু পাহাৰীয়া অঞ্চলৰ মাজৰ সম্পৰ্ক সম্পৰ্কে সংবিধান সভাত মতভেদ আৰু বিতৰ্কও হৈছিল। এই বিতৰ্কৰ মাজেৰেই বিশেষ সাংবিধানিক সুৰক্ষা আৰু ভাৰতীয় ঐক্য- দুয়োটাৰ মাজত এক ভাৰসাম্য স্থাপনৰ চেষ্টা কৰা হৈছিল। সেই অৰ্থত ষষ্ঠ অনুসূচী কেৱল এটা প্ৰশাসনিক ব্যৱস্থা নহয়, ই ভাৰতীয় গণতন্ত্ৰই বৈচিত্ৰ্যৰ সৈতে সহাৱস্থান নিশ্চিত কৰাৰ বাবে গ্ৰহণ কৰা এক গুৰুত্বপূৰ্ণ সাংবিধানিক পদ্ধতি বুলি বিবেচিত হয়।

অসমৰ পৰা সংবিধান সভাত থকা ছৈয়দ মহম্মদ চাদুল্লাৰ ভূমিকাও বিশেষভাৱে উল্লেখযোগ্য। তেওঁ খচৰা প্ৰস্তুতকাৰী সমিতিৰ সদস্য আছিল আৰু সংবিধানৰ খচৰা প্ৰস্তুত কৰাৰ প্ৰক্ৰিয়াত প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰিছিল। সংবিধান সভাৰ আলোচনাত তেওঁ খচৰা সংবিধানৰ বিভিন্ন দিশৰ ওপৰত মত প্ৰকাশ কৰাৰ লগতে অসমৰ বিশেষ অৱস্থা, কেন্দ্ৰ আৰু প্ৰদেশৰ সম্পৰ্ক তথা দেশৰ পূব সীমান্তৱৰ্তী অঞ্চল হিচাপে অসমৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰিছিল। নিবাৰণ চন্দ্ৰ লস্কৰৰ অৱদান আন এক দিশৰ পৰা গুৰুত্বপূৰ্ণ। তেওঁ অসমৰ অনুসূচিত জাতিৰ ৰাজনৈতিক প্ৰতিনিধিত্বৰ প্ৰশ্ন সংবিধান সভাৰ আলোচনালৈ আনিছিল। ইয়াৰ পৰা স্পষ্ট হয় যে অসমৰ প্ৰতিনিধিসকলৰ সাংবিধানিক চিন্তা কেৱল আঞ্চলিক স্বাৰ্থতে সীমাবদ্ধ নাছিল। সামাজিক ন্যায় আৰু প্ৰতিনিধিত্বৰ দৰে সৰ্বভাৰতীয় প্ৰশ্নতো তেওঁলোকে সক্ৰিয় অংশগ্ৰহণ কৰিছিল।

এই সমগ্ৰ প্ৰক্ৰিয়াটোৰ তাৎপৰ্য আজিৰ দৃষ্টিকোণৰ পৰাও যথেষ্ট গভীৰ। স্বাধীনতা আন্দোলনে অসমৰ জনসাধাৰণক ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে এক ৰাজনৈতিক চেতনাৰে উদ্বুদ্ধ কৰিছিল। সংবিধান সভাৰ বিতৰ্কই সেই চেতনাক স্বাধীন ভাৰতৰ সাংবিধানিক কাঠামোৰ ভিতৰত নতুন ৰূপ দিছিল। এফালে অসমৰ স্বকীয়তা আৰু আঞ্চলিক স্বাৰ্থ ৰক্ষাৰ প্ৰশ্ন, আনফালে ভাৰতীয় ঐক্য আৰু গণতান্ত্ৰিক ৰাষ্ট্ৰ-নিৰ্মাণ- এই দুয়োটা প্ৰয়োজনৰ মাজত ভাৰসাম্য স্থাপন কৰাটো আছিল এক কঠিন ঐতিহাসিক দায়িত্ব। সেয়ে অসমৰ ইতিহাসক কেৱল স্বাধীনতা সংগ্ৰামৰ বীৰগাথা হিচাপে চালে ছবিখন সম্পূৰ্ণ হৈছে বুলিব নোৱাৰি। ফুলগুৰিৰ কৃষক বিদ্ৰোহৰ পৰা ভাৰত ত্যাগ আন্দোলনৰ আত্মবলিদানলৈ, আৰু তাৰ পৰা সংবিধান সভাত জনজাতীয় স্বায়ত্তশাসন, সামাজিক ন্যায় আৰু অসমৰ সাংবিধানিক স্বাৰ্থৰ প্ৰশ্ন উত্থাপন কৰালৈ-এই সমগ্ৰ যাত্ৰাই অসমৰ ৰাজনৈতিক ইতিহাসৰ এক সুদীৰ্ঘ ধাৰাবাহিকতা প্ৰতিফলিত কৰে।

পৰিশেষত কব পাৰি যে, ভাৰতীয় ৰাষ্ট্ৰ-গঠনৰ ইতিহাসত অসমৰ অৱদানৰ মূল তাৎপৰ্য হ'ল- অসমে কেৱল স্বাধীনতাৰ বাবে যুঁজ দিয়া নাছিল। স্বাধীন ভাৰত কেনেকুৱা হ'ব লাগে, সেই প্ৰশ্নৰ উত্তৰ বিচৰাৰ প্ৰক্ৰিয়াতো অসমে নিজৰ অভিজ্ঞতা আৰু দাবী আগবঢ়াইছিল। বিশেষকৈ জনজাতীয় স্বায়ত্তশাসন আৰু সাংস্কৃতিক বৈচিত্ৰ্যক সাংবিধানিক সুৰক্ষা দিয়াৰ ক্ষেত্ৰত অসমৰ অভিজ্ঞতা ভাৰতীয় গণতন্ত্ৰৰ এক মূল্যৱান সম্পদ হিচাপে বিবেচিত হৈছিল। স্বাধীনতা সংগ্ৰামৰ আত্মত্যাগ আৰু সংবিধান নিৰ্মাণৰ যুক্তিনিষ্ঠ বিতৰ্ক- এই দুয়োটা পৰ্যায় মিলিয়েই ভাৰতীয় ৰাষ্ট্ৰ-গঠনত অসমৰ ঐতিহাসিক ভূমিকা সম্পূৰ্ণ ৰূপত প্ৰতিফলিত হৈছিল বুলি ক'ব পৰা যায়।

তথ্য সূত্ৰ-

১)ভাৰতৰ স্বাধীনতাৰ প্ৰধান যুদ্ধ। লেখক-ৰামমল ঠাকুৰীয়া। প্ৰকাশ-১৯৬৩।
২) ইণ্টাৰ নেটত পোৱা বিভিন্ন প্ৰবন্ধ।

*লেখকৰ ঠিকনা ঃ জামুগুৰিহাট, শোণিতপুৰ*




# স্বাধীনতা দিৱস ঃ অতীত আৰু বৰ্তমান

**১**৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষই দীৰ্ঘদিনীয়া সংগ্ৰাম আৰু ত্যাগৰ অন্তত ব্ৰিটিছ শাসনৰ কবলৰ পৰা মুক্তি লাভ কৰিছিল। অতীতত এই দিনটো আছিল মুক্ত আকাশৰ তলত উশাহ লোৱাৰ আনন্দ আৰু দেশ গঠনৰ প্ৰথম প্ৰতিশ্ৰুতি। এই জাতীয় দিনটো উদ্‌যাপনৰ মূল মান্যতা হ'ল দেশৰ স্বাধীনতা সংগ্ৰামী নেতা সকলৰ ত্যাগক স্মৰণ কৰা আৰু গণতান্ত্ৰিক মূল্যবোধ অক্ষুণ্ণ ৰখা। সংবিধানে প্ৰদান কৰা গণতন্ত্ৰ, সমতা আৰু স্বাধীনতাৰ অধিকাৰৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ হোৱাৰ দিন হিচাপে ইয়াক গণ্য কৰা হয়। ১৯৪৭ চনৰ ১৫ আগষ্টত অনুষ্ঠিত হোৱা প্ৰথম স্বাধীনতা দিৱসটো আনন্দ, উল্লাস আৰু দেশপ্ৰেমৰ এক অপূৰ্ব মিলনৰ দিন আছিল। সেই দিনটোত প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে দিল্লীৰ লালকিল্লাত জাতীয় পতাকা উত্তোলন কৰিছিল আৰু সমগ্ৰ দেশত লাখ-লাখ লোকে ব্ৰিটিছ শাসনৰ অন্ত পৰাত, পৰাধীনতাৰ পৰা মুক্তি লাভ কৰাত স্বাভাৱিকতে আনন্দ প্ৰকাশ কৰিছিল যদিও দেশ বিভাজনৰ বেদনা আৰু হিংসাৰ পৰিৱেশ, লাখ-লাখ শৰণাৰ্থীলোকৰ ভিৰ আৰু আশ্ৰয়হীন সসম্যাই প্ৰথম স্বাধীনতা দিৱসৰ আনন্দ ম্লান কৰিছিল। উল্লেখ্য যে হিংসাৰ পৰিৱেশ দেখি স্বাধীনতা সংগ্ৰামী নেতা মহাত্মাগান্ধী শংকিত আৰু দুখিত হৈছিল আৰু সেয়ে তেখেতে আনন্দোল্লাসলৈ পিঠি দি শান্তি স্থাপনৰ বাবে সেই দিনটোত কোনো আনুষ্ঠানিক উৎসৱত ভাগ লোৱা নাছিল, বৰঞ্চ তেখেতে শান্তি স্থাপনৰ বাবে প্ৰাৰ্থনা তথা উপবাস কৰিছিল।

অতীত আৰু বৰ্তমানৰ স্বাধীনতা দিৱস পালনৰ মাজত আবেগ, প্ৰস্তুতি আৰু প্ৰদৰ্শনৰ ডাঙৰ পাৰ্থক্য দেখা যায়। পূৰ্বতে স্বাধীন ভাৰতত ৰাষ্ট্ৰীয় পতাকা উত্তোলন বা সভা আদি পতাৰ কোনো আইনী অধিকাৰ নাছিল। কংগ্ৰেছে 'পূৰ্ণ স্বৰাজ' ঘোষণা কৰি প্ৰথম স্বাধীনতা দিৱস পালন কৰিবলৈ যাওঁতে ব্ৰিটিছ চৰকাৰে ৰাজহুৱা সমাৱেশ, জাতীয় পতাকা উত্তোলন তথা স্বাধীনতা দিৱস বিষয়ৰ কাৰ্যসূচী সমূহক বেআইনী ঘোষণা কৰিছিল আৰু স্বাধীনতা দিৱস পালনত সক্ৰিয় ভূমিকা লোৱা নেতা সকলক কঠোৰ হাতেৰে দমন কৰিছিল। অতীতত এই দিনটো আছিল গভীৰ ত্যাগৰ সোঁৱৰণ আৰু দেশ গঠনৰ সংকল্প। অতীতত জাতীয় পতাকা উত্তোলন বা এই দিৱস পালনৰ ধৰণ অতি সৰল আৰু সাধাৰণ আছিল। অতীতৰ স্বাধীনতা দিৱস আছিল ব্ৰিটিছৰ দাসত্বৰ পৰা মুক্ত হোৱাৰ আনন্দ আৰু দেশৰ প্ৰতি থকা ভালপোৱা আৰু ত্যাগেৰে ভৰি থকা এক আবেগিক অনুভৱ।

বৰ্তমান প্ৰতিযোগিতামূলক আৰু ডিজিটেল যুগত স্বাধীনতা দিৱস পালনৰ ৰূপ পূৰ্বৰ তুলনাত বহুখিনি সলনি হৈছে। পূৰ্বতে স্বাধীনতা দিৱস কেৱল এটা চৰকাৰী ছুটী আৰু সাধাৰণ পতাকা উত্তোলন আছিল। বৰ্তমান চৰকাৰী-বেচৰকাৰী পৰ্যায়ত বৃহৎ আকাৰৰ পেৰেড, সাংস্কৃতিক অনুষ্ঠান আৰু কাৰ্যসূচী পালন কৰা হয়। মানুহে মুক্ত ভাবে উলহ-মালহেৰে স্বাধীনতা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। বজাৰত ত্ৰিৰংগা পতাকা, বেজ আদি সামগ্ৰীৰ যথেষ্ট বিক্ৰী হোৱা দেখা যায়। যুৱপ্ৰজন্মৰ মাজত দেশৰ ইতিহাসক লৈ নতুন সজাগতা দেখা যায়। বৰ্তমানৰ স্বাধীনতা দিৱস হৈছে সুৰক্ষিত অধিকাৰ উদ্‌যাপনৰ এটি বিশেষ দিন। সময়ৰ পৰিৱৰ্তনৰ লগে ভাৰতবৰ্ষত স্বাধীনতা দিৱস পালনৰ ধৰণ আৰু জনসাধাৰণৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণত নতুনত্ব পৰিলক্ষিত হৈছে। বৰ্তমান এই দিৱস কেৱল আনুষ্ঠানিক পতাকা উত্তোলন আৰু ভাষণৰ মাজতে সীমাবদ্ধ নাথাকি জনসাধাৰণৰ মাজত এক বহল দেশপ্ৰেম আৰু সজাগতাৰ ৰূপ লৈছে। বৰ্তমান সামাজিক মাধ্যমৰ জৰিয়তে অনলাইন প্ৰচাৰ আৰু দেশপ্ৰেমমূলক বাৰ্তা বিনিময় বৃদ্ধি পাইছে, চৰকাৰী কাৰ্যসূচীৰ লগতে সাধাৰণ ৰাইজ আৰু যুৱ প্ৰজন্মৰ সক্ৰিয় যোগদান বাঢ়িছে। এই দিনটোত 'হৰ ঘৰ তিৰংগা' বা বিশেষ থিম ভিত্তিক অভিযানৰ জৰিয়তে ঘৰে-ঘৰে ৰাষ্ট্ৰীয় পতাকা উৰুৱাই এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। বৰ্তমান স্বাধীনতা দিৱস কেৱল ৰাষ্ট্ৰীয় উৎসৱেই নহয়, দেশৰ প্ৰগতি আৰু সুৰক্ষাৰ বিষয়ে চৰ্চা কৰাৰো এটা বিশেষ দিন। ১৫ আগষ্টত সমগ্ৰ দেশতে স্বাধীনতা দিৱস পালিত হ'ব। কিন্তু ইয়াৰ আঁৰত থাকিব হাজাৰ জনৰ হুমুনিয়াহ, দুখ-বেদনা। সেইখিনি অন্ত পেলাব পাৰিলেহে প্ৰকৃত অৰ্থত ৰংচঙীয়া স্বাধীনতা দিৱস উদ্‌যাপন কৰাৰ মান্যতা থাকিব।

**নিবেদিতা হাজৰিকা**
*লেখিকাৰ ঠিকনা ঃ লখিমপুৰ*

# স্বাধীনতা দিৱস আৰু আমাৰ স্বাধীনতাৰ প্ৰকৃত অৰ্থ

হিমাক্ষী ডেকা

"দেশৰ ৰাজনৈতিক মুক্তিয়েই স্বাধীনতাৰ শেষ সীমা নহয়; যেতিয়ালৈকে সমাজৰ প্ৰতিজন ব্যক্তিৰ চিন্তা, মানসিকতা, অৰ্থনৈতিক স্বাৱলম্বীতা আৰু মৌলিক অধিকাৰসমূহ সঁচাকৈয়ে সুৰক্ষিত নহয়, তেতিয়ালৈকে স্বাধীনতাৰ প্ৰকৃত অৰ্থ অপূৰ্ণ হৈয়ে ৰ'ব।"

১৯৪৭ চনৰ ১৫ আগষ্টৰ এই দিনটো ভাৰতীয় ইতিহাসৰ এক সোণালী আৰু অতিকে গৌৰৱোজ্জ্বল দিন, যিদিনা প্ৰায় দুশ বছৰীয়া ব্ৰিটিছ উপনিৱেশবাদৰ উপদ্ৰৱ, অমানৱীয় শোষণ আৰু অনাচাৰৰ অন্ত পেলাই আমাৰ মাতৃভূমি ভাৰতে এক স্বাধীন আৰু স্বতন্ত্ৰ প্ৰভাতৰ মুখ দেখা পাইছিল। মণিৰাম দেৱান, পিয়লি বৰুৱা, কংকনলতা বৰুৱা, মুকুন্দ কাকতি, কুশল কোঁৱৰৰ দৰে অসমৰ মহান মুক্তি সংগ্ৰামীসকলৰ স্বাৰ্থহীন দেশপ্ৰেম আৰু আত্মবলিদানৰ লগতে মহাত্মা গান্ধীৰ অহিংস নীতি তথা সহস্ৰজন ভাৰতীয় সংগ্ৰামীৰ অসীম ত্যাগৰ বিনিময়ত এই অমূল্য স্বাধীনতা অৰ্জিত হৈছিল। স্বাধীনতা লাভৰ পাছত ভাৰতে নিজাকৈ এক বিশ্ববিখ্যাত গণতান্ত্ৰিক সংবিধান ৰচনা কৰি দেশৰ প্ৰতিজন নাগৰিকৰ মানৱীয় মৰ্যাদা, বাক-স্বাধীনতা, ধৰ্মীয় স্বাতন্ত্ৰ্য, সমতা আৰু স্বতন্ত্ৰভাৱে জীয়াই থকাৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ সংবিধানত 'মৌলিক অধিকাৰ' সমূহ সংযোজিত কৰে। সংবিধানৰ এই মৌলিক অধিকাৰসমূহে প্ৰতিজন ব্যক্তিক নিজৰ ব্যক্তিগত, বৌদ্ধিক আৰু সামাজিক জীৱন স্বতন্ত্ৰভাৱে গঢ়ি তোলাৰ বাবে এক শক্তিশালী আইনী ভেটি প্ৰদান কৰে; যদিও ৰাষ্ট্ৰীয় নিৰাপত্তা, সাৰ্বভৌমত্ব আৰু সংহতি ৰক্ষাৰ স্বাৰ্থত সংবিধানত কিছু যুক্তিসংগত বাধা-নিষেধ আৰোপ কৰাৰ সংস্থান ৰখা হৈছে আৰু ৩৬৮ নম্বৰ অনুচ্ছেদ আদিকে ধৰি বিভিন্ন আইনী প্ৰক্ৰিয়াৰে সময়াশ্ৰয়ী সংশোধনৰ ব্যৱস্থাও ৰখা হৈছে। কিন্তু প্ৰতিবছৰে স্বাধীনতা দিৱসৰ পবিত্ৰ দিনটোত জাতীয় পতাকা উৰুৱাই, কুচকাৱাজ কৰি আৰু মহান সংগ্ৰামীসকলক স্মৰণ কৰাৰ আনন্দময় পৰিৱেশটোৰ সমান্তৰালভাৱে আমাৰ সমাজৰ বাস্তৱ ছবিখনলৈ চালে এক গভীৰ আৰু আন্তৰিক আত্মপ্ৰশ্নৰ উদয় হয়- আমি সঁচাকৈয়ে প্ৰত্যেকজন ব্যক্তিয়ে সম্পূৰ্ণ স্বাধীনতা লাভ কৰিলোঁনে? ৰাজনৈতিকভাৱে দেশখনে বিদেশী শাসনৰ পৰা মুক্তি পালে যদিও বৰ্তমানৰ সমাজখনত আমাৰ দৈনন্দিন জীৱনত মানসিক, সামাজিক, চিন্তাগত আৰু অৰ্থনৈতিক পৰাধীনতাই এতিয়াও বহু সংবেদনশীল স্থান অধিকাৰ কৰি আছে।



উদাহৰণস্বৰূপে, আমাৰ শিক্ষা ব্যৱস্থাত আজিও এজন ছাত্ৰ বা ছাত্ৰীয়ে নিজৰ ইচ্ছা, সপোন আৰু প্ৰতিভা অনুসৰি ভৱিষ্যত বাছনি কৰাৰ স্বাতন্ত্ৰ সম্পূৰ্ণভাৱে বিচাৰি নাপায়। মেট্ৰিক পৰীক্ষাৰ পাছত বহু শিক্ষাৰ্থীৰ অন্তৰ্নিহিত ইচ্ছা কলা বা বিজ্ঞান শাখাত পঢ়াৰ ইচ্ছা থাকিলেও পৰিয়াল, আত্মীয়-স্বজন আৰু সমাজৰ অযুক্তিকৰ চাপ, পৰম্পৰাগত দৃষ্টিভংগী বা আনৰ প্ৰৰোচনাৰ বাবে নিজৰ মূল পছন্দৰ বিপৰীতে বিজ্ঞান বা বাণিজ্য শাখাত নাম ভৰ্তি কৰিবলগীয়া হয়, যাৰ ফলত বহু উদীয়মান ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক মেধা, সৃষ্টিশীলতা আৰু পঢ়া-শুনাৰ প্ৰতি থকা স্বাভাৱিক আগ্ৰহ অকালতে মৰহি যায়। ইয়াৰ উপৰিও, সমাজত আজিও সামন্য পৰিমাণে থকা লিংগভিত্তিক বৈষম্য, উপযুক্ত উচ্চ শিক্ষা আৰু স্বাৱলম্বিতাৰ পৰা বঞ্চিত কৰাৰ প্ৰৱণতা, অৰ্থনৈতিক পৰাধীনতা তথা কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ দৰে সামাজিক ব্যাধিবোৰে আমাৰ নাৰী আৰু শিশুসকলৰ মৌলিক মৰ্যাদাক বাৰে বাৰে ভংগ কৰি আহিছে। কিন্তু ইয়াতো বহুতে ক'ব খোজে যে আজিৰ সমাজত এনে ধৰণৰ ঘটনা বা চিন্তাৰ অৱসান ঘটিছে কিন্তু এতিয়া সেই এচাম ব্যক্তিলৈ এক প্ৰশ্ন যে- যদিহে এনেধৰণৰ নিকৃষ্ট মানসিকতাৰ অৱসানেই ঘটিছে তেনেহ'লে আজি এজনী ছোৱালীৰ স্বাধীনতাই বা ক'ত? সন্ধিয়া এজনী ছোৱালী যেতিয়া ওলাই যায় ছোৱালীজনী ঘৰলৈ ঘূৰি নহালৈকে কেৱল তাইৰ সুৰক্ষাৰ ওপৰত একো একোটা চিন্তাই আত্মীয়জনক আৱৰি ধৰে। কেৱল এয়াই নহয় এনে বহু ধৰণৰ উদাহৰণ আছে আৰু যিবোৰৰ শেষত কেৱল এটা প্ৰশ্নৰহে উদয় হয় যে আমিবোৰ সঁচাকৈ স্বাধীন যানো।

আনহাতে মানুহ যেতিয়ালৈকে অৰ্থনৈতিকভাৱে নিৰ্ভৰশীল হৈ থাকে, তেতিয়ালৈকে তেওঁ নিজৰ স্বতন্ত্ৰ সিদ্ধান্ত গ্ৰহণ কৰাত বাধাৰ সন্মুখীন হয়; সেয়ে অৰ্থনৈতিক স্বাৱলম্বিতা হ'ল ব্যক্তিগত স্বাধীনতাৰ অন্যতম মূল চাবিকাঠি। ইয়াৰ লগতে, বাক-স্বাধীনতা আৰু গঠনমূলক চিন্তাৰ মুক্ত পৰিৱেশেহে এখন গণতান্ত্ৰিক সমাজক প্ৰাণৱন্ত কৰি ৰাখে, কিন্তু যেতিয়া মানুহে সমাজৰ ভয়ত নিজৰ শুদ্ধ মত প্ৰকাশ কৰিবলৈ সংকোচ কৰে, তেতিয়া সংবিধানে দিয়া অধিকাৰৰ প্ৰকৃত প্ৰয়োগ বাধাগ্ৰস্ত হৈ পৰে।

সেয়েহে, কেৱল এখন দেশ ভৌগোলিকভাৱে স্বাধীন হ'লেই বা আইনী নথি-পত্ৰ তথা সংবিধানৰ পাতত মৌলিক অধিকাৰ লিখি ৰাখিলেই স্বাধীনতা সম্পূৰ্ণ নহয়; যেতিয়ালৈকে আমাৰ সমাজৰ মানুহবোৰ মানসিকভাৱে সম্পূৰ্ণ স্বাধীন নহয়, অন্ধবিশ্বাস আৰু সামাজিক কুপ্ৰথাৰ ৰূপোৱালি শিকলিৰ পৰা মুক্ত নহয়, আৰু প্ৰতিজন নাগৰিকে নিজৰ পছন্দ মতে প্ৰতিভা বিকাশৰ সমান সুযোগ লাভ নকৰে, তেতিয়ালৈকে অৰ্জিত স্বাধীনতাৰ আচল উদ্দেশ্য আৰু গৌৰৱ অপূৰ্ণ হৈয়ে থাকিব। স্বাধীনতা হ'ল প্ৰতিজন মানুহৰ চিন্তাক সংকীৰ্ণতাৰ পৰা মুক্ত কৰা আৰু সৰ্বাঙ্গীণ বিকাশৰ পথ সুগম কৰাৰ এক গতিশীল প্ৰক্ৰিয়া। সেয়েহে, এই স্বাধীনতা দিৱসত কেৱল ৰঙীন ত্ৰিৰংগা পতাকাৰ তলত থিয় হৈ অতীতৰ গৌৰৱ গাথা গোৱাই নহয়, বৰঞ্চ দেশৰ প্ৰতিজন মানুহৰ চিন্তা আৰু মনবোৰ সংকীৰ্ণতাৰ পৰা স্বাধীন কৰা, নাৰী আৰু শিশুৰ সামাজিক আৰু আইনী সুৰক্ষা সুনিশ্চিত কৰা, বৈষম্যহীন অৰ্থনৈতিক পৰিৱেশ গঢ়া আৰু প্ৰতিজন নাগৰিকক শৈক্ষিক তথা চিন্তাৰ স্বাতন্ত্ৰ প্ৰদান কৰাই হওক আমাৰ নতুন দিনৰ মূল সংকল্প।

*লেখিকাৰ ঠিকনা ঃ দৰং, ছিপাঝাৰ*

## আজি দেশে পালন কৰিব ৮০

১৮ৰ পৰা ৩৫ বছৰ বয়সীয়া দেশৰ বিশাল নৱপ্ৰজন্মৰ সংকল্প, দক্ষতা আৰু সৃষ্টিশীলতাক পাথেয় কৰি এক উন্নত ৰাষ্ট্ৰ গঢ়াৰ অংগীকাৰ আজি পুনৰ আওৰোৱা হ'ব। ১৯৪৭ চনৰ ৰপ্ত আগষ্টত ভাৰতে লাভ কৰা এই স্বাধীনতা কেৱল এটা দিনৰ সংগ্ৰাম নাছিল, বৰঞ্চ প্ৰায় দুশ বছৰীয়া ব্ৰিটিছ শাসন আৰু শোষণৰ শিকলি ভাঙি নিজৰ ভাগ্য নিজেই নিৰ্ধাৰণ কৰাৰ এক দীৰ্ঘযাত্ৰা আছিল। মহাত্মা গান্ধী, নেতাজী সুভাষ চন্দ্ৰ বসু, ভগত সিং, ৰানী লক্ষ্মীবাঈৰ পৰা আৰম্ভ কৰি অসমৰ কৃতি সন্তান কুশল কোঁৱৰ, কনকলতা বৰুৱা, ভোগেশ্বৰী ফুকননীৰ দৰে অগণন বীৰ-বীৰাংগনাৰ অতুলনীয় আত্মত্যাগৰ ফচল আছিল এই ঐতিহাসিক মুক্তি। স্বাধীনতাৰ এই ৮০ বছৰীয়া যাত্ৰাত ভাৰতে গণতন্ত্ৰ, মহাকাশ বিজ্ঞান, কৃষি আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰতে এক সুকীয়া পৰিচয় গঢ়ি তুলিবলৈ সক্ষম হৈছে। একবিংশ শতিকাত ভৰি দি আজিৰ দিনটোত স্বাধীনতাৰ অৰ্থ কেৱল অতীজৰ আত্মত্যাগ স্মৰণ কৰাতেই সীমাবদ্ধ হৈ থকা নাই, বৰঞ্চ দেশবাসীয়ে বিচাৰে এক আধুনিক আৰু সমৃদ্ধিশালী ভাৰতৰ নতুন অধ্যায়। আজিৰ ভাৰতীয়ই বিচাৰে দৰিদ্ৰতা, নিবনুৱা সমস্যা আৰু সামাজিক বৈষম্যৰ পৰা সম্পূৰ্ণ মুক্তি। শিক্ষা, স্বাস্থ্য আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত স্বাৱলম্বী হৈ এক দুৰ্নীতিমুক্ত আৰু সমঅধিকাৰভিত্তিক সমাজ গঢ়ি তোলাই হৈছে আজিৰ প্ৰকৃত স্বাধীনতাৰ সংকল্প, য'ত প্ৰতিজন নাগৰিকে নিৰ্ভীকভাৱে আগবাঢ়ি যোৱাৰ সুযোগ লাভ কৰিব। আজিৰ মূল কাৰ্যসূচী অনুসৰি, পুৱা ৰাজধানী নতুন দিল্লীৰ ঐতিহাসিক লালকিল্লাত প্ৰধানমন্ত্ৰীয়ে ত্ৰিৰংগা পতাকা উত্তোলন কৰিব। পতাকা উত্তোলনৰ পাছতে স্থলসেনা, নৌসেনা, বায়ুসেনা আৰু অৰ্ধসামৰিক বাহিনীৰ জোৱানসকলে সুসজ্জিত কুচকাৱাজ প্ৰদৰ্শন কৰিব। ঐতিহ্যমণ্ডিত লালকিল্লাৰ প্ৰাংগনৰ পৰা প্ৰধানমন্ত্ৰীয়ে দেশবাসীক উদ্দেশ্যি এক বিশেষ ভাষণ প্ৰদান কৰিব। এই ভাষণত মুখ্যতঃ ডিজিটেল বিপ্লৱ, ষ্টাৰ্ট-আপ ব্যৱস্থা, প্ৰযুক্তিবিদ্যা আৰু ২০৪৭ চনৰ ভিতৰত ভাৰতক এক পূৰ্ণাঙ্গ উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ ৰূপৰেখা দাঙি ধৰা হ'ব বুলি আশা কৰা হৈছে। আনফালে, অসমতো ৰাজ্যিক পৰ্যায়ৰ মূল কাৰ্যসূচীটি আজি পুৱা গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'ব। ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে নিৰ্ধাৰিত সময়ত জাতীয় পতাকা উত্তোলন কৰি অসম আৰক্ষী, গৃহৰক্ষী বাহিনী, এন.চি.চি. আৰু স্কাউট-গাইডৰ দলসমূহৰ কুচকাৱাজৰ ছাল্যুট গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে নিজৰ ভাষণত অসমৰ বিকাশৰ যাত্ৰা আৰু বিশেষভাৱে ৰাজ্যৰ নৱপ্ৰজন্মক উদ্যোগী তথা কাৰিকৰীভাৱে দক্ষ কৰি তুলিবলৈ চৰকাৰে গ্ৰহণ কৰা বিভিন্ন নতুন নতুন আঁচনিসমূহৰ কথা দাঙি ধৰিব। ইফালে 'যুৱশক্তি' মূল বিষয়বস্তুৰ প্ৰতি সংগতি ৰাখি আজি অসমৰ প্ৰতিখন জিলা, মহকুমা আৰু শিক্ষানুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰীসকলৰ বিশেষ অংশগ্ৰহণেৰে বৰ্ণিল কাৰ্যসূচী ৰূপায়িত হ'ব। পুৱাৰে পৰা নৱপ্ৰজন্মৰ দ্বাৰা শোভাযাত্ৰা, দেশপ্ৰেমমূলক সাংস্কৃতিক অনুষ্ঠান আৰু 'যুৱ সংকল্প' কাৰ্যসূচী অনুষ্ঠিত হ'ব। শ্বহীদসকলৰ স্মৃতিস্তম্ভত পুষ্পাঞ্জলি প্ৰদান কৰি যুৱসমাজে দেশৰ একতা, অখণ্ডতা আৰু প্ৰগতিৰ বাবে নিজক উৎসৰ্গা কৰাৰ সংকল্প গ্ৰহণ কৰিব।

## খানাপাৰাত মুখ্যমন্ত্ৰীয়ে

ড° হিমন্ত বিশ্ব শৰ্মাই, আৰু এই বিশেষ দিনটোত তেওঁ ৰাজ্যবাসীক সম্বোধন কৰি দেশপ্ৰেম আৰু ঐক্যৰ বাৰ্তা প্ৰেৰণ কৰিব বুলি জানিব পৰা গৈছে। অন্য জিলাসমূহলৈ চালে, তিনিচুকীয়া জিলাত মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে, যোৰহাট জিলাত মন্ত্ৰী অতুল বৰাই, বৰপেটা জিলাত মন্ত্ৰী চৰণ বড়োৱে, গোলাঘাট জিলাত মন্ত্ৰী অজন্তা নেওগে, বঙাইগাঁও জিলাত মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰে, দৰং জিলাত মন্ত্ৰী অশোক সিংহলে, শিৱসাগৰ জিলাত মন্ত্ৰী বিমল বড়াই, শোণিতপুৰ জিলাত মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে, নলবাৰী জিলাত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই, শিলচৰ শ্চকাছাৰগ্ন জিলাত মন্ত্ৰী কৌশিক ৰায়ে, লখিমপুৰ জিলাত মন্ত্ৰী কেশৱ মহন্তই, শ্ৰীভূমি জিলাত মন্ত্ৰী কৃষ্ণেন্দু পালে, গোৱালপাৰা জিলাত মন্ত্ৰী নীলিমা দেৱীয়ে, নগাঁও জিলাত মন্ত্ৰী পীযুষ হাজৰিকাই, ধেমাজি জিলাত মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আৰু ডিব্ৰুগড় জিলাত মন্ত্ৰী সুশান্ত বৰগোহাঁয়ে ক্ৰমে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। ইয়াৰ উপৰিও স্বায়ত্তশাসিত পৰিষদসমূহৰ মুখ্য কাৰ্যবাহী আৰু বিধানসভাৰ পদাধিকাৰীসকলেও নিজ নিজ অঞ্চলত পতাকা উত্তোলনৰ কাৰ্যসূচী সম্পন্ন কৰিব। কোকৰাঝাৰত বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে, ডিফুত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী তথা বিধায়ক তুলিৰাম ৰংহাঙে, হাফলঙত উত্তৰ কাছাৰ পাহাৰ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোচাই, পশ্চিম কাৰ্বি আংলঙত বিধানসভাৰ উপাধ্যক্ষ ডাঃ হাৰে টেৰণে, কাজলগাঁৱত জেমছ বসুমতাৰীয়ে, মুছলপুৰত অগষ্টাছ টিগ্গাই, তামুলপুৰত মহেশ্বৰ বসুমতাৰীয়ে আৰু ওদালগুৰিত ৰিহন দৈমাৰীয়ে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত বানপানীৰ প্ৰভাৱ থকা সত্ত্বেও চৰকাৰে সকলো জিলাতে কাৰ্যসূচী নিৰ্বিঘ্নে সম্পন্ন কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। এই স্বাধীনতা দিৱস উদযাপনে ঐতিহাসিক গুৰুত্ব বহন কৰে, কাৰণ এইবাৰ দেশে স্বাধীনতাৰ ৮০ বছৰ পূৰ্ণ কৰিছে। বিদ্যালয়, মহাবিদ্যালয় আৰু ৰাজহুৱা সংস্থাসমূহেও নিজ নিজ পৰিসৰত পতাকা উত্তোলন আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিছে। ৰাজ্য চৰকাৰে সকলো নাগৰিকক স্বাধীনতা দিৱসৰ অনুষ্ঠানসমূহত অংশগ্ৰহণ কৰি দেশপ্ৰেমৰ ভাৱনা দৃঢ় কৰিবলৈ আহ্বান জনাইছে। একে সময়তে বানপীড়িত লোকসকলৰ সহায়-সহযোগিতাৰ বাবে চৰকাৰে প্ৰস্তুতি চলাই থকা বুলি জানিব পৰা গৈছে, যাৰ ফলত উৎসৱৰ লগতে মানৱীয় দায়বদ্ধতাও সমানভাৱে পালন কৰা হ'ব বুলি আশা কৰা হৈছে।

## স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত অসম

সেৱাৰ বাবে ৰাষ্ট্ৰপতিৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে, যিটো অসম আৰক্ষী বাহিনীৰ বাবে এক উল্লেখযোগ্য সফলতা। এইবাৰ বিশিষ্ট সেৱাৰ বাবে ৰাষ্ট্ৰপতিৰ পদক লাভ কৰা অসম আৰক্ষীৰ বিষয়াসকলৰ ভিতৰত আৰক্ষী মহাপৰিদৰ্শক দেৱজ্যোতি মুখাৰ্জী অন্যতম, যিয়ে তেওঁৰ দীৰ্ঘদিনীয়া সুশৃঙ্খল আৰু নিষ্ঠাবান সেৱাৰ বাবে এই সন্মান লাভ কৰিছে। ইয়াৰ উপৰিও প্ৰশংসনীয় সেৱাৰ বাবে মুঠ ১১ গৰাকী আৰক্ষী বিষয়াই পদক লাভ কৰিছে, যাৰ ভিতৰত আৰক্ষী মহাপৰিদৰ্শক ভি শিৱ প্ৰসাদ গড়ালা, সহকাৰী আৰক্ষী মহাপৰিদৰ্শক শৰ্মিষ্ঠা বৰুৱা, কমাণ্ডেণ্ট শান্তনু কুমাৰ দত্ত, আৰক্ষী অধীক্ষক শুভাশিস বৰুৱা, আৰক্ষী অধীক্ষক অমিতাভ বসুমতাৰী, আৰক্ষী অধীক্ষক সুমন চক্ৰৱৰ্তী, উপ-আৰক্ষী অধীক্ষক অকেৰ আলী, লেন্সনায়ক ৰিপণ পাল, লেন্সনায়ক নন্দা ত্ৰিপুৰা, আৰু সহকাৰী উপ-পৰিদৰ্শক সুৰজিৎ মজুমদাৰ আৰু প্ৰবীণ বৰা উল্লেখযোগ্য। এই সকলো বিষয়াই নিজ নিজ কৰ্মস্থলীত অসামান্য দক্ষতা আৰু নিষ্ঠা প্ৰদৰ্শন কৰি ৰাষ্ট্ৰপতিৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে, যাৰ ফলত অসম আৰক্ষীৰ ভিতৰত এক অনুকৰণীয় আদৰ্শ সৃষ্টি হৈছে। আনহাতে, অসমৰ অগ্নিনিৰ্বাপক বাহিনীৰ পৰাও দুগৰাকী বিষয়াই বিশিষ্ট সেৱাৰ বাবে ৰাষ্ট্ৰপতিৰ পদক লাভ কৰিছে, যিসকল হৈছে লীডিং ফায়াৰমেন লোহিত শইকীয়া আৰু সহকাৰী বিষয়া মহম্মদ শ্বাহ আলম শিকদাৰ। অগ্নিনিৰ্বাপক বাহিনীৰ এই দুগৰাকী বিষয়াই বিভিন্ন বিপদজনক পৰিস্থিতিত দেখুওৱা সাহস আৰু পেছাদাৰী দক্ষতাৰ বাবে এই সন্মান লাভ কৰিছে, যিটো সমগ্ৰ বাহিনীৰ বাবে গৌৰৱৰ বিষয়। ইপিনে, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষাৰ ক্ষেত্ৰতো অসমৰ পৰা এগৰাকীয়ে ৰাষ্ট্ৰপতিৰ পদক লাভ কৰিছে, যিয়ে হৈছে প্লাটুন কমানণ্ডাৰ অবিৰম ইছলাৰী। গৃহৰক্ষী বিভাগৰ এই বিষয়াজনে নিজ কৰ্মক্ষেত্ৰত অসাধাৰণ দায়িত্বশীলতা আৰু সেৱা মনোভাৱ প্ৰদৰ্শন কৰি এই সন্মান অৰ্জন কৰিবলৈ সক্ষম হৈছে, যাৰ ফলত অসমৰ গৃহৰক্ষী বাহিনীৰ ভিতৰতো এক উৎসাহৰ সঞ্চাৰ হৈছে। অসমৰ পৰা আৰক্ষী, অগ্নিনিৰ্বাপক আৰু গৃহৰক্ষী বিভাগৰ ৰপ্ত গৰাকী বিষয়াই স্বাধীনতা দিৱসৰ এই পবিত্ৰ ক্ষণত ৰাষ্ট্ৰপতিৰ পদক লাভ কৰি ৰাজ্যবাসীকে গৌৰৱান্বিত কৰিছে। এই সন্মানে অসমৰ সুৰক্ষা বাহিনীসমূহৰ কৰ্ম দক্ষতা আৰু আত্মোৎসৰ্গৰ পৰিচয় দিয়াৰ লগতে ভৱিষ্যতে অন্য বিষয়াসকলকো উন্নত সেৱা আগবঢ়াবলৈ অনুপ্ৰেৰণা যোগাব বুলি আশা কৰা হৈছে। ৰাষ্ট্ৰপতিৰ এই পদক প্ৰদান অনুষ্ঠান আগন্তুক দিনত নতুন দিল্লীত অনুষ্ঠিত হ'ব বুলি জানিব পৰা গৈছে, আৰু তাত অসমৰ এই গৰাকী বিষয়াসকলে নিজৰ বীৰত্ব আৰু সেৱাৰ স্বীকৃতি স্বৰূপে সন্মান গ্ৰহণ কৰিব।

## স্বাধীনতা দিৱসৰ দিনাই শিৱসাগৰৰ

বানপীড়িত ৰাইজৰ বাবে তিনিটা গুৰুত্বপূৰ্ণ দাবী উত্থাপন কৰিছে। বিধায়ক অখিল গগৈয়ে উত্থাপন কৰা প্ৰথম দাবীটো হৈছে ১৯ জুলাইৰ মহাপ্ৰলয়ত ক্ষতিগ্ৰস্ত প্ৰতিটো পৰিয়ালক ১০ লাখ টকাকৈ এককালিন ক্ষতিপূৰণ প্ৰদান কৰা। দ্বিতীয় দাবীটো হৈছে এই মহাপ্ৰলয়ৰ সঠিক কাৰণ উদঘাটন কৰি দোষীসকলক শাস্তি প্ৰদানৰ বাবে চিবিআইৰ জৰিয়তে তদন্ত চলোৱা। তৃতীয় দাবীটো হৈছে ক্ষতিগ্ৰস্ত তিনিওখন জিলাৰ সকলো ৰাজহুৱা আন্তঃগাঁথনি, যেনে ভাগি যোৱা ৰাস্তা, দলং আদি পুনৰনিৰ্মাণৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা। উল্লেখ্য যে, শিৱসাগৰ, যোৰহাট আৰু চৰাইদেউকে ধৰি উজনি অসমৰ কেইবাখনো জিলাত শেহতীয়াকৈ সংঘটিত বানপানীয়ে ব্যাপক ধ্বংসযজ্ঞ চলাইছে। বহু পৰিয়ালে নিজৰ ঘৰ-বাৰী, খেতিপথাৰ আৰু জীৱিকাৰ উপায় হেৰুৱাইছে। অখিল গগৈৰ এই অনশন আন্দোলনে বানপীড়িত ৰাইজৰ প্ৰতি থকা সংহতি প্ৰকাশ কৰাৰ লগতে চৰকাৰক সজাগ কৰি তুলিব বুলি ৰাজনৈতিক মহলত চৰ্চা হৈছে।

## অৰুণাচলীৰ গুলীচালনাৰ বিৰুদ্ধে

গোগামুখৰ মাজমজিয়াত সংগঠনটোৰ উদ্যোগত এক বিশাল জ্বলন্ত জোঁৰ সমদল কাৰ্যসূচী ৰূপায়ণ কৰা হয়, য'ত প্ৰতিবাদকাৰীসকলে হাতে হাতে জ্বলন্ত জোঁৰ লৈ গোগামুখৰ ৰাজপথত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। সমদলত অংশগ্ৰহণ কৰা প্ৰতিবাদকাৰীসকলে "অৰুণাচলী গুণ্ডাৰাজ বন্ধ কৰক", "নিৰীহ অসমীয়াৰ ওপৰত গুলীচালনা কৰা দোষীক শীঘ্ৰে গ্ৰেপ্তাৰ কৰক", "অৰুণাচল চৰকাৰ হায় হায়", "অসম চৰকাৰ হায় হায়" আদি নানা প্ৰতিবাদী শ্লোগানেৰে গোগামুখৰ আকাশ-বতাহ কঁপাই তোলে। ঘটনাটোক লৈ অঞ্চলটোত সৃষ্টি হোৱা ক্ষোভ আৰু উত্তেজনাৰ প্ৰতিফলন ঘটে এই সমদলত, য'ত শতাধিক যুৱ-ছাত্ৰই অংশগ্ৰহণ কৰি অৰুণাচলী দুৰ্বৃত্তৰ বিৰুদ্ধে ঐক্যবদ্ধ প্ৰতিবাদ প্ৰকাশ কৰে। সংগঠনটোৰ নেতৃত্বই চৰকাৰ আৰু প্ৰশাসনৰ ওচৰত স্পষ্ট ভাষাৰে দুটা মূল দাবী উত্থাপন কৰে। প্ৰথম দাবীটো হৈছে মিংমাং বদতিৰ ঘটনাৰ স'তে জড়িত অৰুণাচলী দুৰ্বৃত্তসকলক শীঘ্ৰেই গ্ৰেপ্তাৰ কৰি অসম আৰক্ষীক গতাই দিব লাগে আৰু তেওঁলোকক দৃষ্টান্তমূলক শাস্তিৰ ব্যৱস্থা কৰিব লাগে, যাতে ভৱিষ্যতে এনে ঘটনাৰ পুনৰাবৃত্তি নঘটে। দ্বিতীয় দাবীটো হৈছে অসম-অৰুণাচল প্ৰদেশৰ দীৰ্ঘদিনীয়া সীমান্ত বিবাদ আৰু সীমান্তৱৰ্তী অসমীয়া ৰাইজৰ নিৰাপত্তাহীনতাৰ অন্ত পেলাই এক স্থায়ী, সুৰক্ষিত আৰু বিশ্বাসযোগ্য সমাধান সূত্ৰ নিশ্চিত কৰিব লাগে, কিয়নো সীমান্ত অঞ্চলত অসমীয়া লোকসকলৰ ধন-জনৰ নিৰাপত্তা প্ৰতিদিনে সংকটৰ সন্মুখীন হৈ আছে। AJYCP-ৰ ধেমাজি জিলা সমিতিয়ে চৰকাৰক সকীয়াই দি কয় যে যদিহে অতি শীঘ্ৰে সীমান্তত অসমীয়া ৰাইজৰ ধন-জনৰ নিৰাপত্তা নিশ্চিত কৰা নহয় আৰু আক্ৰমণকাৰী দুৰ্বৃত্তক গ্ৰেপ্তাৰ কৰা নহয়, তেন্তে অনাগত দিনত সমগ্ৰ জিলাখনতে ইয়াতকৈয়ো ভয়াবহ আৰু ধাৰাবাহিক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলৈ পৰিষদ বাধ্য হ'ব। সংগঠনটোৱে প্ৰশাসনক কঠোৰ ভাষাত সোঁৱৰাই দিছে যে সীমান্তৱৰ্তী অঞ্চলবোৰত অসমীয়া ৰাইজৰ জীৱন-সম্পত্তি ৰক্ষা কৰাটো চৰকাৰৰ প্ৰাথমিক দায়িত্ব, আৰু সেই দায়িত্বত কোনো ধৰণৰ ঢিলাই ভৱিষ্যতে গুৰুতৰ পৰিণতি কঢ়িয়াই আনিব পাৰে। ঘটনাটোৰ পাছত প্ৰতিবাদী সমদলৰ সফলতা আৰু জনসমৰ্থনক লৈ সংগঠনটো অধিক সজাগ হৈ পৰিছে, আৰু দাবীসমূহ পূৰণ নোহোৱা পৰ্যন্ত আন্দোলন অব্যাহত ৰখাৰ সংকল্প ঘোষণা কৰিছে।

## অসম চিকিৎসা মহাবিদ্যালয়ত

তত্ত্বাৱধানত অব্যাহত আছে। মন্ত্ৰীগৰাকীয়ে প্ৰত্যেকজন আহত লোকৰ লগত সাক্ষাৎ কৰি তেওঁলোকৰ শুশ্ৰূষা আৰু সুস্থতাৰ বিষয়ে খোঁজ-বাতৰি লয়। মেডিকেল কলেজৰ চিকিৎসকসকলে জানিবলৈ দিয়া মতে, আজি এগৰাকী আহত লোকৰ অস্ত্ৰোপচাৰ সম্পন্ন কৰা হৈছে, আৰু চকুত আঘাতপ্ৰাপ্ত আন এগৰাকী আহত লোকৰ অস্ত্ৰোপচাৰ পৰহিলৈ সম্পন্ন কৰাৰ সিদ্ধান্ত লোৱা হৈছে। সকলো আহতৰ অৱস্থা বৰ্তমান বিপদমুক্ত বুলি চিকিৎসকে নিশ্চিত কৰে, আৰু তেওঁলোকে অতি সোনকালে চিকিৎসালয়ৰ পৰা উভতি যাব পাৰিব বুলি আশ্বাস প্ৰদান কৰে। মন্ত্ৰী ৰণোজ পেগুৱে চিকিৎসক আৰু নাৰ্ছৰ দলটোৰ পৰিশ্ৰমৰ প্ৰশংসা কৰি আহতসকলক সোনকালে সুস্থ হৈ উঠিবলৈ উৎসাহিত কৰে। আনহাতে, অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ধেমাজি জিলাৰ মিং মাং গাঁও পঞ্চায়তৰ অধীনস্থ বদতি গাঁৱৰ ১০ আগষ্টত সংঘটিত সীমান্ত গুলীচালনাৰ ঘটনাত আহত হোৱা ৰৰ গৰাকী লোকৰ প্ৰত্যেককে চ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰাৰ ঘোষণা কৰে। মন্ত্ৰী ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে ইয়াৰ সত্যাসত্য নিশ্চিত কৰি কয় যে সাহায্যৰ চেকসমূহ আগন্তুক কালি আহতসকলক গতাই দিয়া হ'ব। তেওঁ মুখ্যমন্ত্ৰীগৰাকীৰ এই সত্বৰ আৰু সংবেদনশীল পদক্ষেপৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। মন্ত্ৰী পেগুৱে কয় যে চৰকাৰে সীমান্তৱৰ্তী অঞ্চলত অসমীয়া ৰাইজৰ নিৰাপত্তা নিশ্চিত কৰাৰ বাবে সকলো ধৰণৰ প্ৰয়াস চলাই আছে, আৰু ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ প্ৰশাসনিক পৰ্যায়ত প্ৰয়োজনীয় পদক্ষেপ লোৱা হৈছে। বদতি গাঁৱৰ আহতসকলৰ প্ৰতি সমগ্ৰ ৰাজ্যৰ সমবেদনা জ্ঞাপন কৰি তেওঁ আশ্বাস দিয়ে যে তেওঁলোকৰ চিকিৎসা আৰু পুনৰ্বাসনৰ সম্পূৰ্ণ দায়িত্ব চৰকাৰে গ্ৰহণ কৰিছে। মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে চৰকাৰৰ এই সহায়ে আহতসকলৰ চিকিৎসা ব্যয় আৰু আৰ্থিক ক্ষতি পূৰণ কৰাত সহায়ক হ'ব বুলি আশা কৰা যায়। ঘটনাৰ তদন্ত অব্যাহত আছে, আৰু আইনী প্ৰক্ৰিয়াৰ জৰিয়তে যাতে দোষীসকলক উপযুক্ত শাস্তি প্ৰদান কৰা হয় তাৰ বাবে প্ৰশাসন সজাগ হৈ আছে বুলি মন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰে।

## স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত

আছাম ৰাইফলছৰ শিবিৰটোক লক্ষ্য কৰি প্ৰথমে কেইবাটাও বিস্ফোৰণ সংঘটিত কৰাৰ পাছতে বিদ্ৰোহী দলটোৱে ধাৰাসাৰ গুলীবৰ্ষণ আৰম্ভ কৰে। ইয়াৰ প্ৰত্যুত্তৰত নিৰাপত্তাৰক্ষীয়েও গুলীচালনা কৰাত দুয়োপক্ষৰ মাজত প্ৰায় ১৫ মিনিট ধৰি গুলীয়াগুলীৰ ঘটনা সংঘটিত হয়। অৱশ্যে এই পৰ্যন্ত সংঘৰ্ষৰ ফলত কোনো লোক হতাহত হোৱাৰ নিশ্চিত তথ্য লাভ কৰা হোৱা নাই। নিৰাপত্তা বাহিনীৰ শিবিৰ বা আন কোনো সম্পত্তিৰ ক্ষয়-ক্ষতিৰ বিষয়েও কৰ্তৃপক্ষৰ পৰা বিস্তৃত তথ্য প্ৰকাশ কৰা হোৱা নাই। ইফালে, গুলীয়াগুলীৰ অন্তত আন্ধাৰৰ সুযোগ লৈ আক্ৰমণকাৰী দলটোৱে ওচৰৰ বনাঞ্চলৰ মাজেৰে পলায়ন কৰা বুলি জানিব পৰা গৈছে। ঘটনাৰ পাছতে আছাম ৰাইফলছ আৰু অন্যান্য নিৰাপত্তা বাহিনীয়ে অঞ্চলটোত ব্যাপক তালাচী অভিযান আৰম্ভ কৰিছে। বনাঞ্চল আৰু ইয়াৰ সংলগ্ন এলেকাত সম্ভাব্য পলায়নৰ পথসমূহতো নিৰাপত্তা বাহিনীয়ে টহল বৃদ্ধি কৰিছে। ঘটনাটোৰ আঁৰত NSCN-KYA আৰু আলফা (স্বাধীন) জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰা হৈছে। অৱশ্যে এই সন্দেহৰ আনুষ্ঠানিক নিশ্চিতকৰণ এতিয়াও হোৱা নাই। দুয়োটা সংগঠনে কিছুদিন পূৰ্বে দেশৰ স্বাধীনতা দিৱস বৰ্জনৰ আহ্বান জনাই যৌথভাৱে সংবাদ মাধ্যমলৈ বিবৃতি প্ৰেৰণ কৰাৰ পাছতেই এই আক্ৰমণৰ ঘটনা সংঘটিত হোৱাত বিষয়টোৱে বিশেষ তাৎপৰ্য লাভ কৰিছে। উল্লেখযোগ্য যে স্বাধীনতা দিৱসক কেন্দ্ৰ কৰি উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন স্পৰ্শকাতৰ এলেকাত ইতিমধ্যে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰা হৈছে। সম্ভাব্য কূটাঘাতমূলক কাৰ্যকলাপৰ আশংকাত আৰক্ষী, আছাম ৰাইফলছ আৰু অন্যান্য নিৰাপত্তা সংস্থাই সংবেদনশীল অঞ্চলসমূহত আগতীয়াকৈ সতৰ্কতা অৱলম্বন কৰি আহিছে। লংভিত আছাম ৰাইফলছৰ শিবিৰত সংঘটিত এই আক্ৰমণৰ পাছত চাংলাং জিলাৰ বিভিন্ন অঞ্চলত নিৰাপত্তা ব্যৱস্থা অধিক শক্তিশালী কৰা হৈছে। আক্ৰমণকাৰী দলটোৰ সন্ধানত চলি থকা অভিযানত নিৰাপত্তা বাহিনীয়ে অঞ্চলটোৰ বনাঞ্চল আৰু সংযোগী পথসমূহত বিশেষ নজৰ ৰাখিছে। স্বাধীনতা দিৱসৰ মাত্ৰ এদিন পূৰ্বে সংঘটিত এই ঘটনাই অৰুণাচল প্ৰদেশৰ লগতে অসমৰো নিৰাপত্তা পৰিস্থিতিক লৈ পুনৰ উদ্বেগ সৃষ্টি কৰিছে।

## অসমত কয়লা নাই বুলি কোৱা

কৈছে যে অসমত কয়লা নাই। চৰকাৰ আৰু জনসাধাৰণৰ এই স্ববিৰোধী বক্তব্যৰ মাজতেই কংগ্ৰেছ নেতা তথা প্ৰাক্তন বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই মুখ্যমন্ত্ৰীৰ বক্তব্যক প্ৰত্যাহ্বান জনাই এখন নতুন বিতৰ্কৰ সূচনা কৰিছে। দেৱব্ৰত শইকীয়াই সংবাদ মাধ্যমৰ জৰিয়তে কয় যে অসমত কয়লা নাই বুলি কোৱা মুখ্যমন্ত্ৰীৰ দাবী সম্পূৰ্ণ মিছা, আৰু এই ধৰণে সত্য লুকুৱাই অবৈধ কয়লা মাফিয়া আৰু দুৰ্নীতিগ্ৰস্ত বিষয়াসকলক ৰক্ষা কৰাৰ অপচেষ্টা কৰাটো অত্যন্ত দুৰ্ভাগ্যজনক। তেওঁ প্ৰশ্ন উত্থাপন কৰে যে বৈজ্ঞানিক তদন্ত নোহোৱাকৈয়ে মুখ্যমন্ত্ৰীয়ে অসমত অবৈধ খনন নাই বুলি কোৱাত ইমান ব্যস্ত কিয়, আৰু ইয়াৰ আঁৰত কাৰ স্বাৰ্থ লুকাই আছে। তেওঁ কয় যে চৰকাৰী তথ্য আৰু নথিপত্ৰই অসমত কয়লা সম্পদৰ উপস্থিতি স্পষ্টভাৱে প্ৰমাণ কৰে, আৰু মুখ্যমন্ত্ৰীয়ে এই তথ্যবোৰ অস্বীকাৰ কৰি ৰাইজক বিভ্ৰান্ত কৰিছে। শইকীয়াই ভাৰত চৰকাৰৰ কয়লা মন্ত্ৰণালয়ৰ 'ক'ল ডাইৰেক্টৰী অব ইণ্ডিয়া ২০২৪-২৫' উদ্ধাৰ কৰি কয় যে অসমত মুঠ ৫২৫.০১ মিলিয়ন টন কয়লা সম্পদ মজুত আছে, আৰু ইণ্ডিয়ান ব্যুৰো অব মাইনছৰ তথ্য অনুসৰি কেৱল মাকুম ক'লফিল্ডতেই আছে ৪৫২.৭৯ মিলিয়ন টন কয়লা। ২০২০ চনত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ জাষ্টিচ বি পি কটকীৰ নেতৃত্বত গঠিত কমিছনৰ প্ৰতিবেদনত উমৰাংছোকে ধৰি বিভিন্ন অঞ্চলত বন আৰু খনন অনুমোদন নোহোৱাকৈ ৪,৮৭২ কোটি টকাৰ কয়লা লুণ্ঠন আৰু অবৈধ ৰেট-হ'ল মাইনিঙৰ তথ্য পোহৰলৈ অহা বুলিও তেওঁ উল্লেখ কৰে। ইয়াৰ উপৰিও উমৰাংছোৰ ভয়াবহ ঘটনাৰ পিছত বিধানসভাতে চৰকাৰে ২৬৩টা অবৈধ ৰেট-হ'ল মাইনিং চিনাক্ত কৰাৰ কথা স্বীকাৰ কৰিছিল, কিন্তু তথাপি মুখ্যমন্ত্ৰীয়ে অসমত কয়লা নাই বুলি দাবী কৰি তথ্যক অস্বীকাৰ কৰিছে। মুখ্যমন্ত্ৰীক পাঁচটা প্ৰত্যাহ্বান জনাই দেৱব্ৰত শইকীয়াই কয় যে তেওঁ জাষ্টিচ কটকী কমিছনৰ সম্পূৰ্ণ প্ৰতিবেদন আৰু চৰকাৰৰ এক্সন টেকেন ৰিপৰ্ট পুনৰ ৰাজহুৱা কৰাটো, ২০০৩ চনৰ পৰা চিনাক্ত কৰা ২৬৩টা অবৈধ ৰেট-হ'ল মাইনিঙৰ জিলাভিত্তিক তালিকা, মালিক আৰু অপাৰেটৰৰ নাম ৰাজহুৱা কৰাটো, অবৈধ খননৰ বিৰুদ্ধে হোৱা এজাহাৰ, গ্ৰেপ্তাৰ, চাৰ্জশ্বীট আৰু শাস্তিৰ তথ্য প্ৰকাশ কৰাটো, বন, আৰক্ষী, খনি আৰু জিলা প্ৰশাসনৰ জড়িত বিষয়াসকলৰ বিৰুদ্ধে লোৱা ব্যৱস্থাৰ তথ্য উলিওৱাটো, আৰু দিখৌৰ বানৰ সত্য উদঘাটনৰ বাবে হাইড্ৰ'লজিষ্ট, জিঅ'লজিষ্ট আৰু নদী বিশেষজ্ঞৰে গঠিত স্বাধীন বিশেষজ্ঞ কমিটী গঠন কৰি ২০ বছৰৰ চেটেলাইট চিত্ৰৰ ভিত্তিত প্ৰতিবেদন ৰাজহুৱা কৰাটো - এই পাঁচটা দাবী তেওঁ আগবঢ়াইছে। তেওঁ স্পষ্ট কৰে যে দিখৌৰ বানত সৰ্বস্বান্ত হোৱা ৰাইজে কোনো ৰাজনৈতিক ফাঁকি নিবিচাৰে, তেওঁলোকে বিচাৰে ন্যায়, সত্য আৰু প্ৰশাসনৰ জবাবদিহিতা। ইফালে, যোৰহাটৰ তিতাবৰ সমজিলাৰ বেকাজান অঞ্চলতো কয়লা খননৰ কুপ্ৰভাৱ সম্পৰ্কে এক উদ্বেগজনক পৰিস্থিতিৰ সৃষ্টি হৈছে। অসম-নাগালেণ্ড সীমান্তৰ পাহাৰৰ পৰা বৈ অহা বেকাজান নদীয়ে কঢ়িয়াই অনা কয়লাৰ অৱশিষ্ট, বোকা আৰু পলসে পুতি পেলাইছে কেইবাখনো গাঁৱৰ খেতিপথাৰ আৰু বাসগৃহ।

## অবৈধ খননেই উজনি অসমৰ বানৰ

ৰোধ কৰিব নোৱাৰি বুলি কৰা মন্তব্য অত্যন্ত দুৰ্ভাগ্যজনক, কাৰণ অসমৰ জনজীৱন আৰু পৰিৱেশৰ বাবে এই খননে সৃষ্টি কৰা সংকট অত্যন্ত গুৰুতৰ। সংবাদমেলত সম্পাদক পৰশজ্যোতি দাসে কয় যে শিৱসাগৰ আৰু চৰাইদেউ জিলাত বানে মানুহৰ জীৱন আৰু সম্পত্তি যি ধ্বংসলীলা চলালে, সেই বিষয়ে অসমবাসী ইতিমধ্যে অৱগত। কিন্তু চৰকাৰে এই পৰিস্থিতিৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা নলোৱা বাবে ইয়াৰ তীব্ৰ সমালোচনা কৰে দাসে। তেওঁৰ মতে, মুখ্যমন্ত্ৰীয়ে বিভিন্ন সংবাদ মাধ্যমত কৰা মন্তব্যবোৰে ৰাইজৰ মনত বহু প্ৰশ্নৰ সৃষ্টি কৰিছে, আৰু সেই প্ৰশ্নৰ উত্তৰ চৰকাৰে দিয়াই উচিত। দাসে কয়, "এই বান দুৰ্যোগ যে সম্পূৰ্ণৰূপে মানৱসৃষ্ট, সেই বিষয়টো সমগ্ৰ অসমবাসীয়ে বুজি পাইছে, আৰু যদি চৰকাৰে ইয়াক অস্বীকাৰ কৰিব বিচাৰে, সেয়া তেওঁলোকৰ ৰাজনৈতিক সিদ্ধান্ত, কিন্তু ৰাইজে জানে যে অবৈধ শিল আৰু কয়লা খননেই ইয়াৰ একমাত্ৰ কাৰণ।" ইয়াৰ উপৰি সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাই সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, নাজিৰাৰ বিধায়ক ময়ূৰ বৰগোহাঁই আৰু ডিমৌৰ বিধায়ক সুশান্ত বৰগোহাঁই - এই তিনিগৰাকী বিধায়কক অবৈধ কয়লা ব্যৱসায়ৰ সৈতে জড়িত বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে। দাসে কয় যে এই বিধায়কসকলৰ জড়িত থকাৰ বাবেই অবৈধ খনন অব্যাহত আছে, আৰু সেই কাৰণেই বান পৰিস্থিতি ইমান সংহাৰী হৈ পৰিছে। সংগঠনটোৱে মুখ্যমন্ত্ৰীৰ সাহায্য কিটতো দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰে, আৰু কয় যে বানপীড়িত ৰাইজে পাবলগীয়া ৰপ্ত হাজাৰ টকাৰ সাহায্যৰ ক্ষেত্ৰতো দুৰ্নীতি চলিছে। দাসে অনুসূচিত জাতিৰ লোকসকলকো অৱহেলা কৰা বুলি অভিযোগ আনে, কিয়নো তেওঁলোকৰ বহু লোক বসবাস কৰা অঞ্চলবোৰ বানে গৰকাৰ পাছতো চৰকাৰে সেই অঞ্চলবোৰলৈ বিশেষ গুৰুত্ব প্ৰদান কৰা নাই। সংগঠনটোৰ সম্পাদকে পুনৰবাৰ কয় যে উজনিৰ তিনি জিলাত বানৰ ফলত যি ক্ষয়ক্ষতি হৈছে, সেই ক্ষয়ক্ষতি চৰকাৰে আগতে ব্যৱস্থা গ্ৰহণ কৰিলে কমাব পাৰিলেহেঁতেন, কিন্তু সেই দিশত কোনো উদ্যোগ লোৱা নহ'ল। তেওঁ স্পষ্টকৈ ঘোষণা কৰে যে যিসকল খলনায়কৰ বাবে উজনিত এই দুৰ্যোগৰ সূচনা হৈছে, সেইসকলৰ ওপৰত কঠোৰ ব্যৱস্থা নললে সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থা সংঘাতমূলক আন্দোলনৰ পথত আগবাঢ়িব। তেওঁ অসম চৰকাৰক আহ্বান জনায় যে এই সমগ্ৰ পৰিস্থিতিৰ সঠিক অনুসন্ধান কৰি দোষীসকলক বিহিত দণ্ড বিধান কৰক, আৰু ভৱিষ্যতে যাতে এনে মানৱসৃষ্ট দুৰ্যোগৰ পুনৰাবৃত্তি নঘটে তাৰ বাবে স্থায়ী সমাধানৰ দিশত আগবাঢ়ক। সংবাদমেলত দাসে স্পষ্ট কৰি দিয়ে যে সংগঠনটোৱে ৰাইজৰ প্ৰতি থকা দায়বদ্ধতাৰ খাতিৰত এই অভিযোগবোৰ উত্থাপন কৰিছে, আৰু চৰকাৰে যদি তৎক্ষণাত পদক্ষেপ নলয়, তেন্তে সংগঠনটোৱে বৃহৎ আন্দোলন গঢ় দিবলৈ বাধ্য হ'ব।

## অসম-অৰুণাচল সীমান্ত সংঘাত

ৰাজ্যৰ মাজত শান্তিপূৰ্ণ সমাধানৰ বাবে আলোচনা হয়। সামাজিক মাধ্যমযোগে প্ৰচাৰ কৰা এক ভিডিঅ' বাৰ্তাত কিৰেণ ৰিজিজুৱে কয় যে অসম আৰু অৰুণাচলৰ সাংসদসকলে সদায় মিলিজুলি কাম কৰি আহিছে, আৰু বৰ্তমান সীমান্তত সৃষ্টি হোৱা সমস্যাৰ সমাধানৰ বাবেই এই বৈঠক অনুষ্ঠিত কৰা হৈছে। তেওঁ স্পষ্টভাৱে কয় যে অৰুণাচল অসমৰ পৰা ওলোৱা ৰাজ্য, আৰু দুয়ো ৰাজ্যৰ মাজত সদায় ভাতৃত্ববোধ বৰ্তাই ৰাখিব লাগে। ৰিজিজুৱে উল্লেখ কৰে যে কোনো পৰিয়ালৰ মাজতে কেতিয়াবা কাজিয়া বা ভুল বুজাবুজি হয়, কিন্তু তাকে লৈ সমগ্ৰ পৰিয়ালটোৱে সংঘাতত লিপ্ত হোৱাটো বাঞ্ছনীয় নহয়। ঠিক তেনেদৰে স্থানীয় পৰ্যায়ত হোৱা সংঘাতক লৈ সমগ্ৰ ৰাজ্যই একেৰাহে উত্তেজনা বৰ্তাই ৰখাটো অনুচিত বুলি তেওঁ মত প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আৰু কয় যে তেওঁ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু অৰুণাচলৰ মুখ্যমন্ত্ৰী প্ৰেমা খাণ্ডু দুয়োজনৰ লগত ইতিমধ্যে আলোচনা কৰিছে, আৰু দুয়ো মুখ্যমন্ত্ৰীৰ মাজত যোগাযোগ অব্যাহত আছে। অসমৰ মুখ্যমন্ত্ৰীৰ ফালৰ পৰা এগৰাকী জ্যেষ্ঠ মন্ত্ৰীক সীমান্ত অঞ্চললৈ পঠিওৱা হৈছে, আৰু তেওঁ স্থানীয় পৰ্যায়ত আলোচনা চলাই আছে। ৰিজিজুৱে আশা প্ৰকাশ কৰে যে এই সমস্যাবোৰ শীঘ্ৰেই মিলিজুলি সমাধান কৰিব পৰা যাব, আৰু দুয়ো ৰাজ্যৰ মাজত সম্ভাৱ বৰ্তাই ৰখাটোৱেই সকলোৰে স্বাৰ্থত। ইপিনে, এই বৈঠকত উপস্থিত থকা অসমৰ সাংসদ যোগেন মহনে সামাজিক মাধ্যমযোগে কয় যে অসম আৰু অৰুণাচল প্ৰদেশৰ নিৰ্বাচিত প্ৰতিনিধি হিচাপে তেওঁলোকে সীমান্তত শান্তি, সম্ভাৱ আৰু পাৰস্পৰিক বুজাবুজি বৰ্তাই ৰখাৰ আবেদন জনাইছে। তেওঁ লগতে কয় যে দুয়ো ৰাজ্য সদায় সাংস্কৃতিক, সামাজিক আৰু ঐতিহাসিক বান্ধোনেৰে একত্ৰিত, আৰু তেওঁলোক ককাই-ভাই-ভনীৰ দৰে সম্পৰ্ক বৰ্তাই আহিছে। গতিকে ভূমি তথা সীমা সম্পৰ্কীয় যিকোনো বিবাদ কেৱল শান্তিপূৰ্ণ আৰু সাংবিধানিক পদ্ধতিৰে সমাধান কৰাটোৱেই উচিত বুলি তেওঁ স্পষ্ট কৰে। উল্লেখ্য যে, দিল্লীস্থিত ৰিজিজুৰ আবাসত অনুষ্ঠিত এই বৈঠকত অসমৰ সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা, যোগেন মহন, বিজুলী কলিতা মেধি, পৰিমল শুক্লবৈদ্য, ফণীভূষণ চৌধুৰী, তেৰছ গোৱালা, প্ৰদান বৰুৱা, কামাখ্যা প্ৰসাদ তাছা আৰু অৰুণাচল প্ৰদেশৰ সাংসদসকল উপস্থিত থাকে। বৈঠকত দুয়ো ৰাজ্যৰ মাজত শান্তি পুনৰুদ্ধাৰ কৰাৰ পাশাপাশি ভৱিষ্যতে যাতে এনে ঘটনাৰ পুনৰাবৃত্তি নঘটে তাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লোৱা হয়। সীমান্তবাসী ৰাইজে এই বৈঠকৰ পৰিণতিলৈ আশাৰে চাই আছে, আৰু আশা কৰা হৈছে যে অতি শীঘ্ৰেই অসম-অৰুণাচল সীমান্তৰ বৰ্তমানৰ উত্তেজনাপূৰ্ণ পৰিস্থিতি স্বাভাৱিক হৈ পৰিব।

## ছয়মাইলত ১০ কেজি হেৰ'ইন উদ্ধাৰ

অঞ্চলৰ ওম ৰেচিডেন্সী নামৰ এটা ফ্লেটৰ ভিতৰত এটা আলমিৰাৰ ৰঙা বেগৰ পৰা এই বৃহৎ পৰিমাণৰ হেৰ'ইন উদ্ধাৰ কৰা হয়। অভিযান কালত পঞ্জাৱৰ বাসিন্দা হৰদীপ সিং নামৰ এজন ড্ৰাগছ সৰবৰাহকাৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। আৰক্ষী বিষয়া কল্যাণ পাঠকে জনোৱা মতে, হৰদীপ সিঙে এই হেৰ'ইনখিনি গুৱাহাটীতে গ্ৰহণ কৰাৰ পাছত পঞ্জাৱলৈ নিবলৈ যো-জা চলাই আছিল, কিন্তু আৰক্ষীৰ সতৰ্ক চকুৰ পৰা সি ৰক্ষা পৰিব নোৱাৰিলে। ধৃত সৰবৰাহকাৰীজনে কেইবাদিনো ধৰি গুৱাহাটীতে বাহৰ পাতি আছিল আৰু সুযোগমতে ড্ৰাগছখিনি পঞ্জাৱলৈ প্ৰেৰণ কৰাৰ পৰিকল্পনা কৰিছিল। বৰ্তমান ধৃত হৰদীপ সিঙক আৰক্ষীয়ে গভীৰভাৱে জেৰা কৰি আছে, আৰু অনুসন্ধানৰ স্বাৰ্থত অধিক তথ্য এইমাত্ৰ প্ৰকাশ কৰা নাই বুলি আৰক্ষী সূত্ৰে জানিবলৈ দিয়ে। ইফালে, বৃহস্পতিবাৰে নিশাৰ ভাগত গুৱাহাটীৰ আন্তঃৰাজ্যিক বাছ টাৰ্মিনাছ (ISBT)ৰ ওচৰত চলোৱা আন এখন অভিযানতো আৰক্ষীয়ে উল্লেখযোগ্য সফলতা লাভ কৰে। এই অভিযানত এখন ট্ৰাক জব্দ কৰি আৰক্ষীয়ে ১০টা চাবোনৰ বাকচত সুমুৱাই ৰখা হেৰ'ইন আৰু ১ লাখ ৪০ হাজাৰ টেবলেট উদ্ধাৰ কৰে। উদ্ধাৰ হোৱা এই ড্ৰাগছখিনিৰ বজাৰ মূল্য প্ৰায় ৩৯.৪ কোটি টকা বুলি জানিব পৰা গৈছে। এই অভিযানতো আৰক্ষীয়ে দুইগৰাকী সন্দেহভাজনক আটক কৰি তদন্ত অব্যাহত ৰাখিছে। আন্তঃৰাজ্যিক ড্ৰাগছ সৰবৰাহ চক্ৰৰ এই সফল বিফলতাক লৈ গুৱাহাটী আৰক্ষী মহলত স্বস্তিৰ পৰিৱেশ দেখা গৈছে। এই ড্ৰাগছ জব্দৰ ঘটনাক লৈ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম এক্সত অসম আৰক্ষীৰ তৎপৰতাৰ উচ্চপ্ৰশংসা কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰথম অভিযানৰ প্ৰসংগত প্ৰকাশ কৰা টুইটত কয়, "ষ্টাফ এটিএফে এজন আন্তঃৰাজ্যিক ড্ৰাগছ সৰবৰাহকাৰীৰ বাহিৰত অভিযান চলাই জ্বন্ত্ব কোটি টকাৰ হেৰ'ইন জব্দ কৰে। সৰবৰাহকাৰীজনক গ্ৰেপ্তাৰ কৰা হৈছে, আৰু অসম আৰক্ষী #NashaMuktBharat অভিযানত দৃঢ়ভাৱে অৰিহণা যোগাই আছে।" দ্বিতীয় অভিযানৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে আন এখন টুইটত উল্লেখ কৰি গুৱাহাটী আৰক্ষীৰ দলটোক অভিনন্দন জনায়। আৰক্ষী বিষয়া কল্যাণ পাঠকে সংবাদ মাধ্যমক জনোৱা অনুসৰি, উদ্ধাৰ হোৱা হেৰ'ইনখিনি মণিপুৰৰ পৰা অসমলৈ অনা হৈছিল, আৰু ধৃত হৰদীপ সিঙে এই ড্ৰাগছখিনি গুৱাহাটীত গ্ৰহণ কৰি বাহনযোগে পঞ্জাৱলৈ প্ৰেৰণ কৰাৰ পৰিকল্পনা কৰিছিল। বৰ্তমান এছটিএফত এটা গোচৰ ৰুজু কৰি আইনী প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। আৰক্ষী বিষয়াগৰাকীয়ে কয় যে বাকী সবিশেষ পৰৱৰ্তী তদন্তত ওলাব, আৰু জেৰা আৰু তদন্ত সম্পূৰ্ণ হোৱাৰ পাছত অধিক তথ্য দিয়া সম্ভৱ হ'ব। অসমৰ যুৱ সমাজক ড্ৰাগছৰ কবলৰ পৰা ৰক্ষা কৰিবলৈ আৰক্ষী বাহিনীয়ে এনেকুৱা সফল অভিযান অব্যাহত ৰাখিব বুলি মুখ্যমন্ত্ৰী আৰু আৰক্ষী বিষয়াসকলে আশ্বাস প্ৰকাশ কৰে।

## নাগালেণ্ডত চলি থকা অবৈধ কয়লা

দাবী কৰিছে শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে। শিৱসাগৰত অনুষ্ঠিত এখন সংবাদমেলত বিধায়কগৰাকীয়ে এই বানপানীৰ প্ৰকৃত কাৰণসমূহ বিশ্লেষণ কৰাৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই বানপানী ডাৱৰ বিস্ফোৰণৰ ফলত হোৱা বুলি কৰা মন্তব্যৰ তীব্ৰ সমালোচনা আৰু প্ৰত্যুত্তৰ দিয়ে। তেওঁ স্পষ্টভাৱে কয় যে শিৱসাগৰ আৰু চৰাইদেউ জিলাত ১৯ জুলাইত হোৱা বানপানী ডাৱৰ বিস্ফোৰণজনিত কাৰণত সংঘটিত হোৱা নাছিল। ভাৰতীয় বতৰ বিজ্ঞান বিভাগ (IMD)ৰ তথ্য উদ্ধাৰ কৰি বিধায়ক গগৈয়ে কয় যে ডাৱৰ বিস্ফোৰণ বুলি কোৱাৰ বাবে এঘণ্টাৰ ভিতৰত ১০০ মিলিমিটাৰ বা তাতকৈ অধিক বৰষুণ হোৱাটো প্ৰয়োজনীয় চৰ্ত। কিন্তু ১৯ জুলাইত মন জিলাত ২৪ ঘণ্টাত ১৩৭ মিলিমিটাৰ আৰু সোণাৰিত ১৯০ মিলিমিটাৰ বৰষুণহে হৈছিল, যাৰ অৰ্থ এই যে প্ৰতি ঘণ্টাত বৰষুণৰ পৰিমাণ ডাৱৰ বিস্ফোৰণৰ মাপকাঠীতকৈ বহু কম। সেয়েহে চৰকাৰে এই বানপানী ডাৱৰ বিস্ফোৰণ বুলি দাবী কৰাটো সম্পূৰ্ণ বাস্তৱবিৰোধী আৰু জনসাধাৰণক বিভ্ৰান্ত কৰাৰ উদ্দেশ্যে পৰিচালিত বুলি বিধায়কগৰাকীয়ে কটাক্ষ কৰে। সংবাদমেলতে বিধায়ক অখিল গগৈয়ে প্ৰায় দহ মিনিট দৈৰ্ঘ্যৰ এটি ভিডিঅ' প্ৰদৰ্শন কৰি দিখৌ নদীত ব্যাপক হাৰত অবৈধ বালি খনন চলি থকাৰ চাঞ্চল্যকৰ প্ৰমাণ দাখিল কৰে। তেওঁ কয় যে নদীৰ বুকুত প্ৰতি এক কিলোগ্ৰাম শিলৰ তলত প্ৰায় তিনি কিলোগ্ৰাম বালি থাকে, কিন্তু অবৈধভাৱে এই বালি উচ্ছেদ কৰাৰ ফলত নদীৰ স্বাভাৱিক গভীৰতা আৰু জলধাৰণ ক্ষমতা সম্পূৰ্ণৰূপে বিঘ্নিত হৈছে, যাৰ বাবেই সামান্য বৰষুণতো নদীখন উপচি পৰি বানপানীৰ সৃষ্টি কৰিছে। দিখৌ নদীৰ বুকুৰ পৰা যি অমৰ্যাদাকাৰী খনন কাৰ্য চলি আছে, তাৰ বাবে স্থানীয় প্ৰশাসন আৰু চৰকাৰ সমানেই দায়ী বুলি তেওঁ অভিযোগ উত্থাপন কৰে। ইয়াৰ উপৰি নাগালেণ্ডৰ মন, লংলেং আৰু মোককচাঙত চলি থকা অবৈধ কয়লা খননৰ সম্পৰ্কেও গুৰুতৰ অভিযোগ উত্থাপন কৰে অখিল গগৈয়ে। তেওঁ এই খনন কাৰ্যৰ সৈতে জড়িত কেইবাগৰাকী ব্যক্তিৰ নামো স্পষ্টভাৱে উল্লেখ কৰে, যিসকল হৈছে পৱন দাগা, দীপক আগৰৱালা, নিৰ্মল জৈন, হালিম আলী, মেওতাও কন্যাক আৰু আমাদ কন্যাক। এইসকল ব্যক্তিয়ে দীৰ্ঘদিন ধৰি অসমৰ পৰিৱেশ আৰু সীমান্তৱৰ্তী অঞ্চলৰ ভাৰসাম্য বিনষ্ট কৰি অহা বুলি বিধায়কগৰাকীয়ে দাবী কৰে। তেওঁ লগতে অভিযোগ কৰে যে 'প্ৰতিদিন টাইম' আৰু 'ক্ৰছ কাৰেণ্ট'কৈ ধৰি কেইবাখনো সংবাদ মাধ্যম আৰু তেওঁক নিজাকৈ নাগালেণ্ড ৰাজ্যত প্ৰৱেশ কৰাত বাধা দিয়া হৈছে, আৰু এই বাধাৰ আঁৰত অসমৰ মন্ত্ৰী সুশান্ত বৰগোহাঁয়ে সক্ৰিয় ভূমিকা পালন কৰি আছে। তিৰো অঞ্চলত অবৈধ কয়লা খননৰ প্ৰসংগত বিস্ফোৰক অভিযোগ উত্থাপন কৰি অখিল গগৈয়ে সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰক এই খনন কাৰ্যৰ 'মূল গেংষ্টাৰ' বুলি আখ্যা দিয়ে। বিধায়কগৰাকীৰ দাবী অনুসৰি, নাগালেণ্ডৰ পৰা অসমলৈ কয়লা কঢ়িয়াই অনা ট্ৰাকসমূহৰ পৰা নিৰ্দিষ্ট পৰিমাণৰ 'গুণ্ডা টেক্স' সংগ্ৰহ কৰা হয়, যাৰ পৰিমাণ নিমনাগড় অঞ্চলত সৰু ট্ৰাক এখনৰ পৰা ১৮ হাজাৰ টকা আৰু ডাঙৰ এল পি ট্ৰাক এখনৰ পৰা ৬০ হাজাৰ টকালৈকে হয়। এই টেক্সৰ পৰা সংগৃহীত বিপুল পৰিমাণৰ ধনৰাজি অবৈধ কয়লা ব্যৱসায়ী চক্ৰৰ মাজত বিতৰণ কৰা হয় বুলিও তেওঁ কটাক্ষ কৰে। শিৱসাগৰৰ বিধায়ক অখিল গগৈৰ এই বিস্ফোৰক সংবাদমেলৰ পিছতেই ৰাজ্যজুৰি ব্যাপক প্ৰতিক্ৰিয়া আৰু চৰ্চাৰ সৃষ্টি হৈছে। অন্যহাতে, ঘটনাটোৰ সত্যাসত্য নিৰূপণ কৰিবলৈ চৰকাৰী পৰ্যায়ত কোনো উদ্যোগ লোৱা হৈছে নেকি সেই বিষয়েও স্পষ্টতা নাই, যাৰ বাবে বিৰোধী তথা জনসাধাৰণৰ মাজত চৰকাৰৰ ভূমিকাক লৈ প্ৰশ্ন চিহ্নই উত্থাপিত হৈ আছে।

## ১৯০খন চিকিৎসালয়ত

এক বিশেষ পদক্ষেপ গ্ৰহণ কৰি ১৯০খন হাস্পতাল চিনাক্ত কৰিছে, য'ত চৰ্মৰোগৰ চিকিৎসা আৰম্ভ কৰা হৈছে। স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে জনোৱা মতে, বিশেষকৈ চৰাইদেউ আৰু শিৱসাগৰ জিলাত থকা এই হাস্পতালসমূহত চৰ্মৰোগ বিশেষজ্ঞ আৰু প্ৰয়োজনীয় ঔষধ পৰ্যাপ্ত পৰিমাণে মজুত ৰখা হৈছে। শুকুৰবাৰে নৱনিৰ্মিত বঙাইগাঁও চিকিৎসা মহাবিদ্যালয় হাস্পতাল পৰিদৰ্শন কৰি স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত কয় যে ২০ তাৰিখে ডিব্ৰুগড়, গুৱাহাটী, যোৰহাট, লখিমপুৰ আৰু তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ পৰা প্ৰায় ২০০ গৰাকী বিশেষজ্ঞ চিকিৎসকক সংগঠিত কৰি বানপীড়িতি অঞ্চলৰ শিবিৰসমূহত চিকিৎসা সেৱা প্ৰদান কৰা হৈছিল। তাৰ পাছতে ১৩টা মেগা চিকিৎসা শিবিৰৰ আয়োজন কৰা হয়, য'ত প্ৰায় ৰপ্ত হাজাৰ ৰোগীয়ে চিকিৎসা লাভ কৰে। ইয়াৰ উপৰি, ২০০ তকৈ অধিক সৰু মেডিকেল কেম্প অনুষ্ঠিত হৈছিল, আৰু সেইবোৰত মুঠ চ লাখ ২০ হাজাৰ ৰোগীয়ে সেৱা গ্ৰহণ কৰিবলৈ সক্ষম হৈছে বুলি মন্ত্ৰীগৰাকীয়ে গৌৰৱেৰে উল্লেখ কৰে। বানপীড়িত বহু অঞ্চলত খোৱাপানীৰ নাটনি আৰু পানীৰ উৎস দূষিত হোৱাৰ প্ৰসংগতো স্বাস্থ্য মন্ত্ৰীয়ে কয় যে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সহযোগত এই ক্ষেত্ৰতো পদক্ষেপ লোৱা হৈছে। তেওঁৰ মতে, ৯২০টা খোৱাপানীৰ উৎস চিনাক্ত কৰা হৈছিল, আৰু দূষিত পোৱা উৎসবোৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে আৱশ্যকীয় পদক্ষেপ গ্ৰহণ কৰি ঠিক কৰি দিছে, যাৰ ফলত দূষিত পানীৰ জৰিয়তে সংক্ৰমণ ৰোধ কৰিব পৰা গৈছে বুলি তেওঁ সন্তোষ প্ৰকাশ কৰে। নৱনিৰ্মিত বঙাইগাঁও চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ আন্তঃগাঁথনি পৰিদৰ্শন আৰু কৰ্তৃপক্ষৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠকৰ অন্তত স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে কয় যে নামনি অসমত এই হাস্পতালখনে অগ্ৰণী ভূমিকা পালন কৰিব, যদিও সম্পূৰ্ণ ৰূপ পাবলৈ প্ৰায় চাৰি বছৰ সময় লাগিব। মেডিকেল কাউঞ্চিলৰ পৰা ১০০ গৰাকী শিক্ষাৰ্থীৰ নামভৰ্তিৰ অনুমতি বিচৰা হৈছে, আৰু আশা কৰা হৈছে যে অতি সোনকালে অনুমতি পোৱা যাব। চলিত শিক্ষাবৰ্ষৰ পৰাই শিক্ষাৰ্থীসকলে নামভৰ্তিৰ সুযোগ লাভ কৰিব, আৰু অতি কম সময়ৰ ভিতৰতে চিকিৎসালয়খন সৰ্বসাধাৰণ ৰাইজৰ বাবে আনুষ্ঠানিকভাৱে মুকলি কৰা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। এই পৰিদৰ্শনৰ সময়ত মন্ত্ৰীগৰাকীক সাংসদ ফণীভূষণ চৌধুৰী, বিধায়িকা দীপ্তিময়ী চৌধুৰী আৰু স্বাস্থ্য বিভাগৰ কেইবাগৰাকী উচ্চ পদস্থ বিষয়াই সংগ দিয়ে।

# স্বাধীনতা দিৱসৰ চিন্তা অতীতৰ সংগ্ৰাম আৰু ভৱিষ্যতৰ আত্মনিৰ্ভৰশীল অসম

ভাৰতৰ স্বাধীনতা দিৱস প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে কেৱল এখন ৰাষ্ট্ৰীয় উৎসৱেই নহয়, ই হৈছে আত্মগৌৰৱ, ত্যাগ আৰু সংগ্ৰামৰ এক জীৱন্ত স্মাৰক। ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষই যেতিয়া ব্ৰিটিছৰ বহতীয়া শাসনৰ শিকলি ছিঙি স্বাধীনতাৰ মুকলি আকাশৰ তলত উশাহ লৈছিল, তেতিয়া সমগ্ৰ দেশৰ লগতে অসমৰ আকাশ-বতাহো জয়ধ্বনিৰে মুখৰিত হৈ পৰিছিল। শতিকাজোৰা বিদেশী শাসনৰ অন্ত পেলোৱাৰ এই যাত্ৰাত অসমৰ অৱদান আছিল অৱৰ্ণনীয়। মণিৰাম দেৱান, পিয়লি ফুকনৰ পৰা আৰম্ভ কৰি কনকলতা বৰুৱা, কুশল কোঁৱৰ, মুকুন্দ কাকতি আদিৰ দৰে অসংখ্য শ্বহীদৰ ত্যাগৰ বিনিময়ত অসমে ভাৰতৰ স্বাধীনতা সংগ্ৰামত এক



চন্দন কুমাৰ নাথ

সোণালী অধ্যায় ৰচনা কৰিছিল। কিন্তু স্বাধীনতাৰ এই আনন্দৰ আঁৰত অসমৰ বাবে লুকাই আছিল এক অনাকাংক্ষিত আৰু জটিল ভৱিষ্যতৰ বীজ। স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাত অসমে যি যাত্ৰা আৰম্ভ কৰিছিল, সেয়া আছিল কাইঁটীয়া আৰু সংঘাতপূৰ্ণ। তথাপিও, আজিৰ একবিংশ শতিকাত থিয় দি আমি যেতিয়া অসমৰ সাম্প্ৰতিক বিকাশৰ লেখচিত্ৰখনলৈ লক্ষ্য কৰোঁ, তেতিয়া আমি দেখিবলৈ পাওঁ যে দশক দশক ধৰি চলি অহা স্থবিৰতা অতিক্ৰম কৰি অসমে এতিয়া দেশৰ এক অগ্ৰণী আৰু বিকাশশীল ৰাজ্য হোৱাৰ দিশে দ্ৰুতগতিক লৈছে।

স্বাধীনতা প্ৰাপ্তিৰ সময়তেই অসমে এক গভীৰ ৰাজনৈতিক আৰু ভৌগোলিক সংকটৰ সন্মুখীন হ'বলগীয়া হৈছিল। কেবিনেট মিছনৰ গ্ৰুপিং ব্যৱস্থাৰ জৰিয়তে অসমক পূব বংগৰ সৈতে চামিল কৰাৰ যি ভয়ংকৰ ষড়যন্ত্ৰ ৰচনা কৰা হৈছিল, তাৰ পৰা অসমক ৰক্ষা কৰিছিল লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ দূৰদৰ্শী নেতৃত্ব আৰু মহাত্মা গান্ধীৰ সমৰ্থনে। কিন্তু ভাৰত বিভাজনৰ ফলত অসমে এক অপূৰণীয় ক্ষতিৰ সন্মুখীন হ'ল। বিভাজনৰ পৰিণতিত চিলেট জিলাৰ দৰে এক বৃহৎ আৰু সম্পদশালী অঞ্চল অসমৰ পৰা বিচ্ছিন্ন হৈ পূব পাকিস্তানৰ (বৰ্তমানৰ বাংলাদেশ) অন্তৰ্ভুক্ত হয়। এই বিভাজনে কেৱল অসমৰ মাটিকালিয়েই হ্ৰাস নকৰিলে, বৰঞ্চ ৰাজ্যখনক ভৌগোলিকভাৱে সমগ্ৰ দেশৰ পৰা প্ৰায় বিচ্ছিন্ন কৰি পেলালে। পূৰ্বতে চট্টগ্ৰাম বন্দৰৰ জৰিয়তে অসমৰ চাহ, কয়লা, তেল আৰু কাঠৰ যি এক সুচল বেপাৰ-বাণিজ্য চলি আছিল, সেয়া নিমিষতে স্তব্ধ হৈ পৰিল। একমাত্ৰ ২১ কিলোমিটাৰ বহল 'শিলিগুৰি কৰিডৰ' বা 'চিকেনছ নেক'ৰ জৰিয়তে ভাৰতৰ মূল ভূখণ্ডৰ সৈতে সংযুক্ত হৈ থকা অসমে এক গভীৰ অৰ্থনৈতিক আৰু ভৌগোলিক আৱদ্ধতাৰ মাজেৰে নিজৰ নৱযাত্ৰা আৰম্ভ কৰিবলগীয়া হৈছিল। স্বাধীনতাৰ পিছৰ কেইবাটাও দশক অসমৰ বাবে আছিল অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ সময়। ভৌগোলিক বিচ্ছিন্নতাৰ লগতে চুবুৰীয়া ৰাষ্ট্ৰৰ পৰা হোৱা ধাৰাবাহিক আৰু অবৈধ অনুপ্ৰৱেশে অসমৰ জনগাঁথনিত এক ভয়ংকৰ ভাবুকিৰ সৃষ্টি কৰিছিল। খিলঞ্জীয়া অসমীয়া জাতিয়ে নিজৰ ভাষা, সংস্কৃতি আৰু ৰাজনৈতিক অধিকাৰ হেৰুৱাৰ আশংকাত ভুগিবলৈ আৰম্ভ কৰে, যাৰ পৰিণতিত ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈকে সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত এক ঐতিহাসিক অসম আন্দোলনৰ সূচনা হয়। ছবছৰীয়া এই গণ আন্দোলনৰ অন্তত ১৯৮৫ চনত নতুন দিল্লীত তদানীন্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ উপস্থিতিত ঐতিহাসিক 'অসম চুক্তি' স্বাক্ষৰিত হয়। যদিও এই চুক্তিয়ে অসমৰ ৰাজনৈতিক প্ৰেক্ষাপট সলনি কৰিছিল, তথাপিও ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থা ক্ৰমান্বয়ে শোচনীয় হৈ পৰিছিল। পৰৱৰ্তী সময়ত উগ্ৰপন্থী সমস্যা, সঘনাই হোৱা বন্ধ-হৰতাল, আন্তঃগাঁথনিৰ অভাৱ আৰু প্ৰতি বছৰে অহা প্ৰলয়ংকৰী বানপানীয়ে অসমৰ বিকাশৰ চকা সম্পূৰ্ণৰূপে স্তব্ধ কৰি পেলাইছিল। দেশৰ অন্যান্য ৰাজ্যসমূহে যি সময়ত উদ্যোগীকৰণ আৰু আধুনিকীকৰণৰ দিশত আগবাঢ়িছিল, সেই সময়ত অসম কেৱল আইন-শৃংখলা জনিত সমস্যা আৰু কেন্দ্ৰীয় চৰকাৰৰ অৱহেলাৰ অভিযোগতেই আৱদ্ধ আছিল। প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ হোৱা সত্ত্বেও অসমে দীৰ্ঘদিন ধৰি যি প্ৰান্তীয় মনোভাৱৰ বলি হ'বলগীয়া হৈছিল, একবিংশ শতিকাৰ দ্বিতীয় দশকত তাৰ এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তন ঘটিবলৈ ধৰে। চৰকাৰৰ কঠোৰ স্থিতি আৰু বিভিন্ন বিদ্ৰোহী গোটৰ সৈতে হোৱা ধাৰাবাহিক শান্তি চুক্তিৰ ফলত অসমলৈ পুনৰ শান্তি ঘূৰি আহে। শান্তি প্ৰতিষ্ঠা হোৱাৰ লগে লগে অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনৰ আন্তঃগাঁথনি উন্নয়নত বিশেষ গুৰুত্ব আৰোপ কৰে। ভাৰত চৰকাৰৰ 'এক্ট ইষ্ট পলিচী' (Act East Policy) আৰু 'প্ৰধানমন্ত্ৰী গতি শক্তি' (PM Gati Shakti) আঁচনিৰ অধীনত অসমক সমগ্ৰ দক্ষিণ-পূব এছিয়াৰ প্ৰৱেশদ্বাৰ হিচাপে গঢ়ি তোলাৰ প্ৰয়াস আৰম্ভ হয়। ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ হোৱা বগীবিল দলং, ভূপেন



হাজৰিকা সেতু (ধলা-শদিয়া দলং) আৰু বৰ্তমান নিৰ্মীয়মান অৱস্থাত থকা আন কেইবাখনো দলঙে ৰাজ্যখনৰ যাতায়াত ব্যৱস্থাত এক বৈপ্লৱিক পৰিৱৰ্তন আনিছে। এই সুদৃঢ় যোগাযোগ ব্যৱস্থাই উদ্যোগপতিসকলক অসমলৈ বিনিয়োগৰ বাবে আকৰ্ষিত কৰাত এক মুখ্য ভূমিকা পালন কৰিছে।

অসমৰ বিকাশৰ যাত্ৰাত আটাইতকৈ ঐতিহাসিক আৰু সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাবলগীয়া শেহতীয়া খবৰটো হৈছে মৰিগাঁও জিলাৰ জাগীৰোডত স্থাপিত হ'বলগীয়া টাটা গোটৰ ছেমিকণ্ডা"ৰ এচেম্বলি আৰু টেষ্ট প্ৰকল্পটো। প্ৰায় ২৭, ০০০ কোটি টকাৰ বিশাল বিনিয়োগেৰে নিৰ্মাণ হ'বলগীয়া এই প্ৰকল্পটোৱে অসমক ভাৰতৰ উচ্চ-প্ৰযুক্তিগত মানচিত্ৰত এক সন্মানীয় স্থান প্ৰদান কৰিছে। পৰম্পৰাগত চাহ, তেল আৰু কয়লাৰ অৰ্থনীতিৰ পৰা আঁতৰি আহি অসমে এতিয়া আধুনিক আৰু বিশ্বস্তৰীয় প্ৰযুক্তি নিৰ্মাণৰ ক্ষেত্ৰত খোজ দিছে। শেহতীয়াকৈ কেন্দ্ৰীয় ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মাজত নতুন দিল্লীত অনুষ্ঠিত হোৱা এক গুৰুত্বপূৰ্ণ বৈঠকৰ পিছত এই কথা স্পষ্ট কৰা হৈছে যে জাগীৰোডৰ এই প্ৰকল্পটোৱে চলিত বিত্তীয় বৰ্ষৰ ভিতৰতে উৎপাদন প্ৰক্ৰিয়া আৰম্ভ কৰাৰ পূৰ্ণ সম্ভাৱনা আছে। এই প্ৰকল্পৰ জৰিয়তে প্ৰতিদিনে প্ৰায় ৪.৮ কোটি ছেমিকণ্ডাক্টৰ চিপ উৎপাদন কৰা হ'ব, যিবোৰ দেশ-বিদেশৰ অটোম'বাইল, বৈদ্যুতিক বাহন, দূৰসংযোগ আৰু উপভোক্তা ইলেক্ট্ৰনিকছ উদ্যোগত ব্যৱহাৰ কৰা হ'ব। নিযুক্তিৰ ক্ষেত্ৰতো এই প্ৰকল্পই এক নতুন আশাৰ সঞ্চাৰ কৰিছে। চৰকাৰী তথ্য অনুসৰি, এই উদ্যোগে প্ৰায় ১৫, ০০০ প্ৰত্যক্ষ আৰু ১১, ০০০ ৰ পৰা ১৩,০০০ পৰোক্ষ কৰ্মসংস্থাপনৰ সৃষ্টি কৰিব, যি অসমৰ দৰে নিবনুৱা সমস্যাৰে ভাৰাক্ৰান্ত ৰাজ্য এখনৰ বাবে এক সঞ্জীৱনী সুধা স্বৰূপ। ভাৰতৰ কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণেও শেহতীয়াকৈ এই প্ৰকল্পটোক কেৱল অসমৰ বাবেই নহয়, বৰঞ্চ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ বাবে এক "টাৰ্ণিং পইণ্ট" বা গুৰুত্বপূৰ্ণ দিশ বুলি অভিহিত কৰিছে। প্ৰযুক্তিগত স্বাৱলম্বীতা অৰ্জনৰ দিশত ভাৰত চৰকাৰে লোৱা পদক্ষেপৰ লগত সংগতি ৰাখি অসমে নিজৰ এক সুকীয়া পৰিচয় গঢ়ি তুলিছে। ইয়াৰ উপৰিও, যুৱ প্ৰজন্মক প্ৰযুক্তিগত শিক্ষাত নিপুণ কৰি তুলিবলৈ নেচনেল ইনষ্টিটিউট অৱ ইলেক্ট্ৰনিকছ এণ্ড ইনফৰমেছন টেকন'লজিৰ (NIELIT) এক প্ৰকল্পৰ কামো দ্ৰুতগতিত আগবাঢ়িছে, যিয়ে ভৱিষ্যতৰ দক্ষ মানৱ সম্পদ গঢ়ি তোলাত সহায় কৰিব। উদ্যোগীকৰণৰ সমান্তৰালকৈ ৰাজ্যখনৰ ৰে'লৰে আৰু পথ আন্তঃগাঁথনিৰ ক্ষেত্ৰতো অভূতপূৰ্ব পৰিৱৰ্তন ঘটিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ শেহতীয়া আলোচনাত অসমত ১, ৩০০ কিলোমিটাৰতকৈ অধিক ৰে'লপথ সম্প্ৰসাৰণ আৰু 'অমৃত ভাৰত ষ্টেচন আঁচনি'ৰ অধীনত ৫০ টাতকৈ অধিক ৰে'লৰে ষ্টেচনৰ আধুনিকীকৰণৰ কাম দ্ৰুতগতিত চলি থকাৰ কথা প্ৰকাশ পাইছে। এই ব্যাপক যোগাযোগ ব্যৱস্থাই অসমৰ উৎপাদিত সামগ্ৰীসমূহ সমগ্ৰ দেশ তথা চুবুৰীয়া ৰাষ্ট্ৰসমূহলৈ দ্ৰুত আৰু সুচলভাৱে সৰবৰাহ কৰাত সহায় কৰিব। বৰ্তমান সময়ত অসমে নিজৰ ৰাজ্যিক ঘৰুৱা উৎপাদন বৃদ্ধি কৰাৰ লগতে ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰতো যথেষ্ট সফলতা লাভ কৰিছে। চৰকাৰী প্ৰশাসন যন্ত্ৰক অধিক দুৰ্নীতিমুক্ত আৰু জবাবদিহি কৰাৰ বাবে লোৱা বিভিন্ন ডিজিটেল পদক্ষেপে সাধাৰণ ৰাইজৰ জীৱনধাৰণৰ মানদণ্ড উন্নত কৰিছে। চিকিৎসা, শিক্ষা আৰু কৃষি ক্ষেত্ৰখনতো নতুন প্ৰযুক্তি আৰু পুঁজিৰ বিনিয়োগে অসমক এক আধুনিক ৰাজ্য হিচাপে গঢ়ি তোলাত ইন্ধন যোগাইছে।

স্বাধীনতাৰ সাতচল্লিছৰ দশকৰ পৰা বৰ্তমানৰ ছাব্বিশৰ দশকলৈকে অসমৰ এই যাত্ৰা সঁচাকৈয়ে বিস্ময়কৰ। এবিষয়ক স্থবিৰতা, আন্দোলন, সংঘাত আৰু বানপানীৰ বিভীষিকাৰে জৰ্জড়িত এখন ৰাজ্যই আজি ভাৰতৰ ছেমিকণ্ডাক্টৰ উৎপাদনৰ অন্যতম বৃহৎ কেন্দ্ৰ হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ ওলোৱাটো ৰাজ্যখনৰ অদম্য ইচ্ছাশক্তি আৰু পৰিৱৰ্তিত ৰাজনৈতিক সদিচ্ছাৰ পৰিচায়ক। স্বাধীনতাৰ যি সপোন লৈ জাতিৰ পিতা মহাত্মা গান্ধী আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ দৰে মহান নেতাসকলে এখন সমৃদ্ধিশালী ভাৰত আৰু অসমৰ কল্পনা কৰিছিল, আজি সেই সপোনে বাস্তৱৰ ৰূপ লৈছে। অৱশ্যে, বিকাশৰ এই যাত্ৰাত এতিয়াও বহুতো প্ৰত্যাহ্বান বাকী আছে। বানপানী আৰু গৰাখহনীয়াৰ স্থায়ী সমাধান, গ্ৰাম্য অৰ্থনীতিৰ সৱলীকৰণ আৰু পৰিৱেশ তন্ত্ৰৰ ভাৰসাম্য বজাই ৰাখি উদ্যোগীকৰণ কৰাটোৱেই হ'ব আগন্তুক সময়ৰ মূল লক্ষ্য। জাগীৰোডৰ প্ৰকল্পটোৰ বাবে প্ৰদূষণ নিয়ন্ত্ৰণৰ স্বাৰ্থত যিদৰে ১৫ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত চিমেণ্ট উদ্যোগ বা আন প্ৰদূষণকাৰী কাৰখানা স্থাপনত নিষেধাজ্ঞা আৰোপ কৰা হৈছে, ঠিক তেনেদৰেই প্ৰতিটো উন্নয়নমূলক কামতেই পৰিৱেশ সুৰক্ষাক সমানেই গুৰুত্ব প্ৰদান কৰিব লাগিব। আজিৰ এই পৱিত্ৰ স্বাধীনতা দিৱসত সমগ্ৰ অসমবাসীয়ে এই সংকল্প লোৱা উচিত যে বিগত সময়ৰ তিক্ততা আৰু হতাশা পাহৰি সকলোৱে কান্ধত কান্ধ মিলাই এখন শ্ৰেষ্ঠ আৰু আত্মনিৰ্ভৰশীল অসম গঢ়াৰ দিশত অগ্ৰসৰ হ'ব। প্ৰতিবাদৰ পৰিৱৰ্তে প্ৰযুক্তি, আৰু সংঘাতৰ পৰিৱৰ্তে সমৃদ্ধিক সাৰথি লৈ অসমে আজি যি নতুন যাত্ৰা আৰম্ভ কৰিছে, সেয়া নিশ্চিতভাৱে সমগ্ৰ দেশৰ বাবে এক অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব। নতুন প্ৰজন্মই এই আধুনিক সুযোগ-সুবিধাসমূহৰ সদ্ব্যৱহাৰ কৰি কেৱল চাকৰি প্ৰত্যাশী হোৱাৰ সলনি নতুন উদ্যোগ প্ৰতিষ্ঠাৰে অসমৰ অৰ্থনীতিক বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰাৰ সময় এতিয়া সমাগত। ভৱিষ্যতৰ অসম কেৱল প্ৰাকৃতিক সৌন্দৰ্যৰ বাবেই নহয়, বৰঞ্চ নিজৰ অৰ্থনৈতিক আৰু প্ৰযুক্তিগত শক্তিৰ বাবেও সমগ্ৰ বিশ্বতে পৰিচিত হ'ব।

# স্বাধীনতাৰ ৮০ বছৰ ঃ অসমৰ প্ৰগতি, প্ৰত্যাহ্বান আৰু ভৱিষ্যতৰ ৰূপৰেখা

ৰশ্মি ৰেখা দুৱৰা

"স্বাধীনতা" কেৱল এখন দেশৰ ৰাজনৈতিক মুক্তিৰ নাম নহয়; ই এক জাতিৰ আত্মমৰ্যাদা, আত্মবিশ্বাস আৰু আত্মনিৰ্মাণৰ অন্তহীন যাত্ৰাৰ প্ৰতীক। ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ লগে লগে অসমেও নতুন আশাৰ বাটত খোজ পেলাইছিল। স্বাধীনতাৰ ৮০ বছৰৰ এই ঐতিহাসিক সন্ধিক্ষণত অসমৰ উন্নয়নৰ মূল্যায়ন কৰাটো কেৱল অতীতৰ হিচাপ-নিকাচ নহয়, ভৱিষ্যতৰ বাবে সঠিক দিশ নিৰ্ধাৰণ কৰাৰো এক সুবৰ্ণ সুযোগ। প্ৰাকৃতিক সম্পদ, ভাষা-সংস্কৃতি, জীৱবৈচিত্ৰ্য আৰু মানৱ সম্পদেৰে সমৃদ্ধ এখন ৰাজ্য অসম। ব্ৰহ্মপুত্ৰৰ বিশাল উপত্যকা, চাহ বাগিচাৰ সেউজীয়া সমাৰোহ, তেল-প্ৰাকৃতিক গেছ, অৰণ্য, কৃষি আৰু বৈচিত্ৰ্যময় সংস্কৃতিয়ে অসমৰ পৰিচয় গঢ়ি তুলিছে। স্বাধীনতাৰ পাছৰ আঠটা দশকত ৰাজ্যখনে বহু ক্ষেত্ৰত উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে যদিও একে সময়তে বহু জটিল সমস্যাৰ সন্মুখীন হৈ আছে। এই সফলতা আৰু প্ৰত্যাহ্বানৰ মাজতেই নিহিত আছে আগন্তুক অসমৰ ৰূপৰেখা।

স্বাধীনতাৰ পাছত অসমৰ উন্নয়নৰ প্ৰথম ভিত্তি আছিল শিক্ষা আৰু মানৱ সম্পদ গঢ়ি তোলা। গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়, অসম কৃষি বিশ্ববিদ্যালয়, আইআইটি গুৱাহাটী, এইমছ গুৱাহাটীকে ধৰি বহু উচ্চ শিক্ষানুষ্ঠান স্থাপিত হৈছে। বিদ্যালয় শিক্ষাৰ সম্প্ৰসাৰণ, ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ হাৰ বৃদ্ধি আৰু ডিজিটেল শিক্ষাৰ প্ৰসাৰে ৰাজ্যখনক এক নতুন দিশ দেখুৱাইছে। আজিৰ অসমীয়া যুৱ সমাজে কেৱল ৰাজ্যতেই নহয়, সমগ্ৰ দেশ তথা বিশ্বৰ বিভিন্ন ক্ষেত্ৰত নিজৰ প্ৰতিভাৰ স্বাক্ষৰ ৰাখিবলৈ সক্ষম হৈছে। শিক্ষাই হৈছে আজিৰ অসম গঢ়াৰ আটাইতকৈ শক্তিশালী অস্ত্ৰ।

অৰ্থনৈতিক ক্ষেত্ৰতো অসমে উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে। কৃষি নিৰ্ভৰ অৰ্থনীতিৰ পৰা উদ্যোগ, সেৱা আৰু উদ্যোগীকৰণমুখী অৰ্থনীতিলৈ ৰাজ্যখন ধীৰে ধীৰে আগবাঢ়িছে। বিশ্ববিখ্যাত অসমৰ চাহ আজিও ৰাজ্যৰ অৰ্থনীতিৰ মূল ভেটিসমূহৰ অন্যতম। ইয়াৰ লগতে তেল, প্ৰাকৃতিক গেছ, কয়লা আৰু পেট্ৰ'কেমিকেল উদ্যোগে অসমৰ অৰ্থনৈতিক বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ক্ষুদ্ৰ, কুটিৰ আৰু হস্ততাঁত উদ্যোগ, বাঁহ-বেত শিল্প, খাদ্য প্ৰক্ৰিয়াকৰণ, জৈৱিক কৃষি আদিয়েও নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। সাম্প্ৰতিক সময়ত উদ্যোগী যুৱসমাজৰ উত্থানে অসমৰ অৰ্থনৈতিক ভৱিষ্যৎ অধিক আশাব্যঞ্জক কৰি তুলিছে। যোগাযোগ আৰু আন্তঃগাঁথনি উন্নয়ন স্বাধীনতাৰ পাছৰ অসমৰ আন এক উল্লেখযোগ্য সফলতা। এসময়ত দুৰ্গম আৰু বিচ্ছিন্ন বুলি পৰিগণিত বহু অঞ্চল এতিয়া উন্নত পথ, সেতু, ৰে'লপথ আৰু বিমান সেৱাৰ জৰিয়তে সংযুক্ত হৈছে। বগীবিল সেতু, ধলা-শদিয়া সেতু, ৰাষ্ট্ৰীয় ঘাইপথৰ সম্প্ৰসাৰণ, গুৱাহাটী মহানগৰীৰ আধুনিকীকৰণ আদিয়ে উন্নয়নৰ নতুন অধ্যায় সূচনা কৰিছে। ডিজিটেল সংযোগৰ সম্প্ৰসাৰণে অনলাইন শিক্ষা, স্বাস্থ্যসেৱা আৰু ব্যৱসায়-বাণিজ্যত নতুন গতি আনিছে।

স্বাস্থ্যখণ্ডতো স্বাধীনতাৰ পাছত যথেষ্ট পৰিৱৰ্তন হৈছে। আগতে য'ত চিকিৎসা সুবিধা সীমিত আছিল, এতিয়া ৰাজ্যৰ বিভিন্ন প্ৰান্তত চিকিৎসালয়, চিকিৎসা মহাবিদ্যালয় আৰু বিশেষজ্ঞ স্বাস্থ্যসেৱাৰ সম্প্ৰসাৰণ ঘটিছে। মাতৃ-মৃত্যু আৰু শিশু-মৃত্যুৰ হাৰ হ্ৰাস, টীকাকৰণ কাৰ্যসূচী, স্বাস্থ্য বীমা আৰু আধুনিক চিকিৎসা সুবিধাই জনসাধাৰণৰ জীৱনমান উন্নত কৰাত সহায় কৰিছে।

অসমৰ সংস্কৃতি আৰু পৰ্যটনো স্বাধীনতাৰ পাছত অধিক সমৃদ্ধ আৰু বিশ্বদৰবাৰত অধিক পৰিচিত হৈছে। বিহু, সত্ৰীয়া সংস্কৃতি, ভাওনা, লোকসংগীত, সাহিত্য, হস্তশিল্প আৰু খাদ্য সংস্কৃতিয়ে অসমৰ স্বকীয় পৰিচয় বিশ্বমঞ্চত প্ৰতিষ্ঠা কৰিছে। কাজিৰঙা, মানস, মাজুলী, শিৱসাগৰ, হাফলং, মায়ং, উমানন্দ আদি পৰ্যটনস্থলীসমূহে দেশ-বিদেশৰ পৰ্যটকক আকৰ্ষণ কৰি আছে। সংস্কৃতি আৰু পৰ্যটনক অৰ্থনৈতিক বিকাশৰ এক শক্তিশালী মাধ্যম হিচাপে গঢ়ি তোলাৰ সুযোগ ক্ৰমাৎ বৃদ্ধি পাইছে। তথাপি এই দীঘলীয়া যাত্ৰাপথ একেবাৰে মসৃণ নহয়। স্বাধীনতাৰ ৮০ বছৰৰ পাছতো অসমে বহু গভীৰ সমস্যাৰ সৈতে যুঁজি আছে। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনদীসমূহৰ বাৰ্ষিক বান আৰু গৰাখহনীয়ে হাজাৰ হাজাৰ পৰিয়ালৰ জীৱন-জীৱিকা ধ্বংস কৰি আহিছে। কোটি কোটি টকাৰ সম্পদ নষ্ট হোৱাৰ লগতে কৃষি, শিক্ষা, স্বাস্থ্য আৰু যোগাযোগ ব্যৱস্থাও ক্ষতিগ্ৰস্ত হয়। জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱত এই সমস্যা অধিক জটিল হৈ পৰিছে।

নিবনুৱা সমস্যা অসমৰ অন্যতম ডাঙৰ প্ৰত্যাহ্বান। উচ্চ শিক্ষিত যুৱসমাজৰ মাজতো কৰ্মসংস্থাপনৰ অভাৱ স্পষ্ট। বহু প্ৰতিভাৱান যুৱক-যুৱতীয়ে উন্নত সুযোগৰ সন্ধানত ৰাজ্যৰ বাহিৰলৈ গুচি যাবলগীয়া হয়। দক্ষতা উন্নয়ন, উদ্যোগ সৃষ্টিৰ অনুকূল পৰিৱেশ আৰু উদ্যোগীকৰণৰ সংস্কৃতি অধিক শক্তিশালী নকৰিলে এই সমস্যা দূৰ কৰাটো কঠিন হ'ব। কৃষি আজিও অসমৰ বৃহৎ জনসংখ্যাৰ জীৱিকাৰ আধাৰ, কিন্তু অধিকাংশ কৃষি বৰষুণ নিৰ্ভৰ আৰু পৰম্পৰাগত। আধুনিক প্ৰযুক্তি, সংৰক্ষণ, মূল্য সংযোজন, বজাৰ ব্যৱস্থা আৰু কৃষিজাত সামগ্ৰীৰ প্ৰক্ৰিয়াকৰণত অধিক গুৰুত্ব দিব লাগিব। কৃষকক উৎপাদকৰ পৰা উদ্যোগপতিলৈ ৰূপান্তৰিত কৰিব পাৰিলেহে গ্ৰাম্য অৰ্থনীতি শক্তিশালী হ'ব।

পৰিৱেশ সংৰক্ষণো এক গুৰুত্বপূৰ্ণ বিষয়। বনাঞ্চল ধ্বংস, বন্যপ্ৰাণীৰ বাসস্থান সংকুচিত হোৱা, প্ৰদূষণ, জলবায়ু পৰিৱৰ্তন আৰু অনিয়ন্ত্ৰিত নগৰায়ণে অসমৰ প্ৰাকৃতিক ভাৰসাম্যত প্ৰভাৱ পেলাইছে। উন্নয়ন আৰু পৰিৱেশৰ মাজত সমতা ৰক্ষা কৰাটো আগন্তুক সময়ৰ অন্যতম ডাঙৰ দায়িত্ব। সামাজিক সম্প্ৰীতি, ভাষিক বৈচিত্ৰ্য আৰু সাংস্কৃতিক ঐক্য অসমৰ শক্তি। বিভিন্ন জাতি-জনগোষ্ঠী, ভাষা, ধৰ্ম আৰু সংস্কৃতিৰ সমন্বয়ে অসমক এক অনন্য পৰিচয় দিছে। এই বৈচিত্ৰ্যক সংঘাতৰ নহয়, শক্তিৰ উৎস হিচাপে ৰূপান্তৰিত কৰিব লাগিব। অন্তৰ্ভুক্তিমূলক উন্নয়ন, পাৰস্পৰিক সন্মান আৰু গণতান্ত্ৰিক মূল্যবোধে অসমৰ সুস্থ সামাজিক পৰিৱেশ নিশ্চিত কৰিব। আগন্তুক অসমৰ ৰূপৰেখা হ'ব লাগিব এক জ্ঞানভিত্তিক, উদ্ভাৱনমুখী, পৰিৱেশ-সংবেদনশীল আৰু অন্তৰ্ভুক্তিমূলক সমাজ। কৃত্ৰিম বুদ্ধিমত্তা, তথ্য-প্ৰযুক্তি, জৈৱ প্ৰযুক্তি, নবীকৰণযোগ্য শক্তি, স্মাৰ্ট কৃষি, ডিজিটেল উদ্যোগ আদি পৰিৱেশত সম্ভাৱনা সৃষ্টি কৰিব পাৰে। শিক্ষা আৰু গৱেষণাত বিনিয়োগ, দক্ষ মানৱ সম্পদ সৃষ্টি, মহিলা সৱলীকৰণ, উদ্যোগপতি সৃষ্টি আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ সুযোগ গ্ৰহণৰ জৰিয়তে অসম উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক দুৱাৰমুখ হৈ উঠিব পাৰে।

'এক্ট ইষ্ট পলিচি'ৰ প্ৰেক্ষাপটত দক্ষিণ-পূব এছিয়াৰ সৈতে অসমৰ ভৌগোলিক অৱস্থান বিশেষ গুৰুত্বপূৰ্ণ। সীমান্ত বাণিজ্য, আন্তঃৰাষ্ট্ৰীয় সংযোগ, পৰ্যটন, লজিষ্টিকছ আৰু উদ্যোগৰ ক্ষেত্ৰত অসমে আঞ্চলিক বিকাশৰ কেন্দ্ৰ হিচাপে আত্মপ্ৰকাশ কৰাৰ অপাৰ সম্ভাৱনা বহন কৰিছে। স্বাধীনতাৰ ৮০ বছৰৰ এই মুহূৰ্তত আমাৰ কৰ্তব্য কেৱল অতীতৰ গৌৰৱ স্মৰণ কৰা নহয়; বৰং নতুন সংকল্পৰে ভৱিষ্যৎ গঢ়ি তোলা। উন্নয়ন কেৱল চৰকাৰৰ দায়িত্ব নহয়; প্ৰতিজন নাগৰিক, শিক্ষক, কৃষক, বিজ্ঞানী, শিল্পী, উদ্যোগপতি আৰু যুৱসমাজৰ সক্ৰিয় অংশগ্ৰহণেই এখন শক্তিশালী অসম গঢ়িব পাৰে। সততা, পৰিশ্ৰম, বৈজ্ঞানিক মনোভাৱ, সামাজিক দায়বদ্ধতা আৰু পৰিৱেশ সচেতনতাই আগন্তুক অসমৰ মূল চালিকাশক্তি হ'ব।

সামৰণিত ক'ব পাৰি যে স্বাধীনতাৰ ৮০ বছৰৰ যাত্ৰাত অসমে বহু সাফল্যৰ ইতিহাস ৰচনা কৰিছে, আকৌ বহু সপোন পূৰণ হ'বলৈও বাকী আছে। এই ৰাজ্যৰ প্ৰাকৃতিক ঐশ্বৰ্য, সাংস্কৃতিক বৈচিত্ৰ্য, মেধাৱী যুৱশক্তি আৰু অপৰিসীম সম্ভাৱনাই এক উজ্জ্বল ভৱিষ্যতৰ ইংগিত বহন কৰে। প্ৰত্যাহ্বানক সাহসেৰে গ্ৰহণ কৰি, উন্নয়নক ন্যায়, সমতা আৰু বহনক্ষমতাৰ ভিত্তিত আগুৱাই নিব পাৰিলেই অসম এখন সমৃদ্ধ, সুস্থিৰ, আধুনিক আৰু মানৱিক ৰাজ্য হিচাপে বিশ্বদৰবাৰত অধিক উজ্জ্বলভাৱে প্ৰতিষ্ঠা লাভ কৰিব। স্বাধীনতাৰ ৮০ বছৰৰ এই উপলক্ষে সেয়াই হওক আমাৰ সামূহিক অংগীকাৰ- "উন্নত ভাৰতৰ ভেটিত, উন্নত অসমৰ নিৰ্মাণ।"

# স্বাধীনতা দিৱস ঃ এক জাতীয় গৌৰৱ, আত্মত্যাগৰ মহিমা আৰু ইতিহাসৰ পৰিক্ৰমা

প্ৰেম বৈষ্ণৱ

ভাৰতবৰ্ষৰ ইতিহাসত ১৫ আগষ্ট তাৰিখটো কেৱল এটা কেলেণ্ডাৰৰ পাতৰ দিন নহয়, ই হৈছে কোটি কোটি ভাৰতীয়ৰ আশা, আকাংক্ষা আৰু আত্মত্যাগৰ এক পৱিত্ৰ চিহ্ন। ১৯৪৭ চনৰ এই দিনটোৱেই আছিল সেই শুভক্ষণ, যিদিনা ভাৰতে ২০০ বছৰীয়া ব্ৰিটিছ শাসনৰ শিকলি চিঙি মুক্ত আকাশত উশাহ ল'বলৈ সক্ষম হৈছিল। স্বাধীনতা দিৱস হৈছে আমাৰ জাতীয় গৌৰৱ আৰু আত্মত্যাগৰ মহিমাৰ প্ৰতীক। এই দিৱসটোৱে আমাক সোঁৱৰাই দিয়ে যে আমাৰ স্বাধীনতা কোনো উপহাৰ নাছিল, স্বাধীনতা আছিল এক দীৰ্ঘদিনীয়া ৰক্তক্ষয়ী সংগ্ৰামৰ ফল। এই দিনটো কেৱল উদযাপনৰ দিন নহয়, ই আত্ম-বিশ্লেষণৰো দিন - আমি ক'ৰ পৰা আহিছিলোঁ আৰু আমি আজি ক'ত উপনীত হৈছোঁহি।

ভাৰতৰ স্বাধীনতা সংগ্ৰাম কোনো এক নিৰ্দিষ্ট মুহূৰ্তৰ ঘটনা নাছিল। ১৭৫৭ চনৰ পলাচী যুদ্ধৰ পিছত যেতিয়া ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতৰ ক্ষমতা নিজৰ হাতলৈ লৈছিল, তেতিয়াৰ পৰাই ভাৰতীয় জনমানসত বিদ্ৰোহৰ জুই জ্বলি উঠিছিল। ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহ আছিল ব্ৰিটিছৰ বিৰুদ্ধে প্ৰথমটো সংঘবদ্ধ প্ৰতিবাদ। এই বিদ্ৰোহে সমগ্ৰ দেশত স্বাধীনতাৰ এক স্ফুলিংগ প্ৰজ্বলিত কৰিছিল। মংগল পাণ্ডেৰ পৰা আৰম্ভ কৰি ৰাণী লক্ষ্মীবাই, তাঁতিয়া টোপি, আদি প্ৰতিগৰাকী সংগ্ৰামীয়ে দেশৰ স্বাধীনতাৰ বাবে প্ৰাণ আহুতি দিছিল। যদিও সেই বিদ্ৰোহ দমন কৰা হৈছিল, ই ব্ৰিটিছ শাসনৰ ভেটি কঁপাই দিছিল।

বিংশ শতিকাৰ আৰম্ভণিতে স্বাধীনতা সংগ্ৰামে এক নতুন গতি লাভ কৰে, যেতিয়া মহাত্মা গান্ধীয়ে দক্ষিণ আফ্ৰিকাৰ পৰা উভতি আহি ভাৰতীয় ৰাজনীতিতে প্ৰৱেশ কৰে। তেওঁৰ অহিংসা আৰু সত্যগ্ৰহৰ অস্ত্ৰই ব্ৰিটিছ চৰকাৰক এক নতুন ধৰণৰ প্ৰত্যাহ্বান জনালে। অসহযোগ আন্দোলন (১৯২০), য'ত বিদেশী সামগ্ৰী বৰ্জন আৰু স্বদেশী গ্ৰহণৰ ওপৰত গুৰুত্ব দিয়া হৈছিল, সেয়া আছিল এক মাইলৰ খুঁটি। ইয়াৰ পিছত ১৯৩০ চনৰ ডাণ্ডি যাত্ৰা আৰু আইন অমান্য আন্দোলনে সমগ্ৰ বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিছিল। গান্ধীজীৰ নেতৃত্বত ভাৰতীয় জনতাই ভয় আৰু শংকা পৰিহাৰ কৰি দেশৰ বাবে যুঁজিবলৈ শিকিছিল। তেওঁৰ 'ভাৰত ত্যাগ' আন্দোলন (১৯৪২) আছিল ব্ৰিটিছৰ বিৰুদ্ধে চূড়ান্ত শংখধ্বনি।

গান্ধীজীৰ অহিংসা আন্দোলনৰ সমান্তৰালকৈ দেশৰ যুৱ প্ৰজন্মৰ মাজত সশস্ত্ৰ সংগ্ৰামৰ এক সোঁত বৈছিল। ভগৎ সিং, ৰাজগুৰু, সুখদেৱ আৰু চন্দ্ৰশেখৰ আজাদে ব্ৰিটিছৰ শাসনৰ পৰা দেশক মুক্ত কৰিবলৈ নিজৰ জীৱন তুচ্ছ জ্ঞান কৰি স্বাধীনতা আন্দোলনত জঁপিয়াই কৰিছিল। জালিয়ানৱালাবাগৰ হত্যাকাণ্ডই সমগ্ৰ দেশক শোকাতুৰ কৰি তুলিছিল আৰু ইয়াৰ প্ৰতিশোধৰ বাবেই উধম সিঙৰ দৰে বীৰসকলে ব্ৰিটিছৰ কঠোৰ শাসনক প্ৰত্যাহ্বান জনাইছিল। নেতাজী সুভাষ চন্দ্ৰ বসুৰ 'আজাদ হিন্দ ফৌজ'ৰ আহ্বান - 'তুমি মোক তেজ দিয়া, মই তোমালোকক স্বাধীনতা দিম' - সমগ্ৰ দেশত এক নৱজাগৰণৰ সৃষ্টি কৰিছিল। তেওঁৰ নেতৃত্বত ভাৰতীয় সেনাৰ অৱদান স্বাধীনতাৰ ইতিহাসৰ এক উজ্জ্বল অধ্যায়।

১৯৪৭ চনৰ ১৪ আগষ্টৰ মাজনিশা, পণ্ডিত জৱাহৰলাল নেহৰুৱে দিয়া ঐতিহাসিক ভাষণ 'ট্ৰাইষ্ট উইথ ডেষ্টিনি'য়ে ভাৰতীয়ক এক নতুন ভৱিষ্যতৰ সপোন দেখুৱাইছিল। ১৫ আগষ্টৰ পুৱা লালকিল্লাত পতাকা উত্তোলনৰ লগে-লগে ভাৰতে সাৰ্বভৌম ৰাষ্ট্ৰ হিচাপে বিশ্ব মানচিত্ৰত আত্মপ্ৰকাশ কৰিলে। এই দিনটোৱে দেশৰ মানুহৰ মাজত হাঁহি আৰু চকুপানীৰ এক সংমিশ্ৰিত অনুভূতিৰ সৃষ্টি কৰিছিল, কিয়নো স্বাধীনতা আহিছিল কিন্তু দেশ বিভাজনৰ বেদনাও লগত লৈ আহিছিল।

আমাৰ ত্ৰিৰংগা পতাকাৰ ইতিহাসত বহুকেইটা পৰ্যায় আছে।

০ ১৯০৪ চনৰ চিষ্টাৰ নিৱেদিতাৰ পতাকা: ই আছিল সৰ্বপ্ৰথম আৰ্হি, য'ত ৰঙা আৰু হালধীয়া ৰঙে শক্তি আৰু বিজয়ক সূচাইছিল। ০ ১৯০৭ চনৰ মাদাম কামাৰ পতাকা: জাৰ্মানীৰ ষ্টুটগাৰ্টত উত্তোলন কৰা এই পতাকাখনে বিদেশৰ মাটিত প্ৰথম ভাৰতীয় স্বাধীনতাৰ বাৰ্তা কঢ়িয়াইছিল। ০ ১৯২১ চনৰ গান্ধীজীৰ ত্ৰিৰংগা: যঁতৰৰ অন্তৰ্ভুক্তিৰে এই পতাকাই ভাৰতৰ স্বাৱলম্বনৰ সপোনক প্ৰতিফলিত কৰিছিল। ০ অশোক চক্ৰৰ অন্তৰ্ভুক্তি: ১৯৪৭ চনত যঁতৰৰ সলনি অশোক চক্ৰ সংযোগ কৰি ইয়াক এক বিশ্বজনীন ৰূপ দিয়া হ'ল। এই ২৪টা দাণ্ডিযুক্ত চক্ৰই ধৰ্মচক্ৰক আৰু নিৰন্তৰ প্ৰগতিৰ প্ৰতীকক প্ৰতিনিধিত্ব কৰে।

*স্বাধীনতা দিৱস উদ্‌যাপনৰ তাৎপৰ্য আৰু সমাজ ঃ* স্বাধীনতা দিৱস কেৱল এটা চৰকাৰী উৎসৱ নহয়, ই হৈছে দেশপ্ৰেমৰ এক মহা মিলনৰ দিন। দিল্লীৰ লালকিল্লাত প্ৰধানমন্ত্ৰীৰ ভাষণ, পতাকা উত্তোলন আৰু সাংস্কৃতিক অনুষ্ঠানৰ মাজেৰে স্বাধীনতা সংগ্ৰামীসকলৰ প্ৰতি শ্ৰদ্ধা জনোৱা হয়। স্কুল-কলেজত বিভিন্ন কাৰ্যসূচীৰ জৰিয়তে নতুন প্ৰজন্মক দেশৰ ইতিহাসৰ সৈতে পৰিচয় কৰাই দিয়া হয়। এই দিনা দেশৰ প্ৰতিজন নাগৰিকে একত্ৰিত হৈ জাতীয় সংগীত পৰিৱেশন কৰে, যিয়ে একতাৰ অদম্য শক্তি প্ৰমাণ কৰে। এই দিনটোৱে আমাক সোঁৱৰাই দিয়ে যে আমাৰ মাজত থকা সকলো বিভেদ পাহৰি আমি এক জাতি হিচাপে আগবাঢ়ি যাব লাগে।

দৰিদ্ৰতা নিৰ্মূল, স্বাস্থ্যসেৱাৰ উন্নতি, নিবনুৱা সমস্যা সমাধান আৰু সামাজিক সমতা স্থাপনৰ বাবে আমাৰ যাত্ৰা অব্যাহত আছে। স্বাধীনতাৰ প্ৰকৃত অৰ্থ তেতিয়াই পূৰ্ণ হ'ব, যেতিয়া সমাজৰ আটাইতকৈ পিছপৰা মানুহজনেও শিক্ষা, খাদ্য আৰু নিৰাপত্তা লাভ কৰিব পাৰিব। আমাৰ সংবিধানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা, দেশৰ ৰাজহুৱা সম্পত্তি সুৰক্ষিত কৰা আৰু ভাতৃত্ববোধ বজাই ৰখাটো প্ৰতিজন নাগৰিকৰ দায়িত্ব। স্বাধীনতা দিৱসে আমাক সোঁৱৰাই দিয়ে যে আমি কেৱল অধিকাৰৰ বাবে নহয়, দেশৰ প্ৰতি কৰ্তব্যৰ বাবেও দায়বদ্ধ। আমাৰ বৈচিত্ৰ্যৰ মাজত ঐক্যয়েই আমাৰ শক্তি।

এজন প্ৰধান শিক্ষক হিচাপে মই বিশ্বাস কৰোঁ যে স্বাধীনতাৰ প্ৰকৃত ৰক্ষক হৈছে আমাৰ ছাত্ৰ-ছাত্ৰীসকল। বিদ্যালয়সমূহ হৈছে সেই স্থান, য'ত দেশপ্ৰেমৰ বীজ অংকুৰিত হয়। ইতিহাসৰ শিক্ষা কেৱল পাঠ্যপুথিত সীমাবদ্ধ নাৰাখি তেওঁলোকৰ জীৱনৰ দৰ্শনত প্ৰয়োগ কৰিবলৈ আমি প্ৰচেষ্টা চলাব লাগিব। আমাৰ চৰিত্ৰ গঠনৰ মাজেৰেই দেশে প্ৰকৃত স্বাধীনতাৰ সোৱাদ পাব।

স্বাধীনতা দিৱস আমাৰ বাবে এক প্ৰেৰণাৰ উৎস। আমাৰ সংগ্ৰামীসকলে যি সপোন দেখিছিল- এখন শক্তিশালী, সমৃদ্ধিশালী আৰু অখণ্ড ভাৰতবৰ্ষ- সেই সপোনক বাস্তৱত ৰূপায়িত কৰাৰ দায়িত্ব বৰ্তমানৰ প্ৰজন্মৰ হাতত। আমি নিজৰ কৰ্মৰ জৰিয়তে দেশৰ গৌৰৱ বৃদ্ধি কৰিব লাগিব। আমাৰ জাতীয় পতাকাই সদায় আমাক সোঁৱৰাই থাকিব যে এই স্বাধীনতা অতি মূল্যবান, ইয়াক সুৰক্ষিত কৰি ৰখাটো আমাৰ পৱিত্ৰ কৰ্তব্য।

# ‘দৌৰ’ৰ উদ্যোগত সদৌ অসম ভিত্তিত কুইজ প্ৰতিযোগিতা

**অসম বাৰ্তা, দেৰগাঁও, ১৪ আগষ্ট ঃ** দৌৰ-এক প্ৰগতিশীল লক্ষ্যৰ দিশেৰ উদ্যোগত গত বৰ্ষৰ দৰেই অহা ৩০ আগষ্টত সদৌ অসম ভিত্তিত এখনি প্ৰাইজমনি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতাৰ পূৰ্বে ২৯ আগষ্টত গোলাঘাট জিলা ভিত্তিত এখনি কুইজ কৰ্মশালাও অনুষ্ঠিত কৰিব বেচৰকাৰী সংগঠনটোৱে। আয়োজক সমিতিৰ সাধাৰণ সম্পাদক জিসান জংগম বৰাই জনোৱা মতে, অনুষ্ঠানটো দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ হৰকান্ত মহন্ত প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব আৰু প্ৰথম দিনা সমাজসেৱক ময়ূৰদ্বীপ ফুকনে বন্তি প্ৰজ্বলন কৰাৰ পাছতে গোলাঘাট জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শক মহোদয়ে কৰ্মশালাৰ উদ্বোধন কৰিব। বিশিষ্ট কুইজ মাষ্টাৰ গুৱাহাটীৰ দীপাংকৰ কৌশিকে কৰ্মশালাৰ সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰিব। দ্বিতীয়দিনা-পতাকা উত্তোলনৰ পাছত জীৱেশ্বৰ বৰঠাকুৰ সোঁৱৰণী মঞ্চ উদ্বোধন কৰিব বিশিষ্ট যুৱ সমাজকৰ্মী প্ৰাণজিৎ বৰঠাকুৰে, বন্তি প্ৰজ্বলন কৰিব বিশিষ্ট চিকিৎসক সমাজকৰ্মী ডাঃ অৰুণজ্যোতি হাজৰিকাই। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পাছতে প্ৰতিযোগিতাৰ উদ্বোধন কৰিব দেৱীচৰণ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধীৰেণ তামূলীয়ে। বিয়লি বঁটা বিতৰণী সভাত বিধায়ক মুখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰিব ড° মৃদুল দত্তই, সাংসদদ্বয় কামাখ্যা প্ৰসাদ তাচা আৰু গৌৰৱ গগৈয়ে বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰিব লগা সভাত বহুকেইজন বিশিষ্ট ব্যক্তিয়ে ভাগ ল'ব। উল্লেখযোগ্য যে, কুইজ প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ১৫০০০টকা, দ্বিতীয় পুৰস্কাৰ ১২০০০ টকা আৰু তৃতীয় পুৰস্কাৰ ১০ হেজাৰ টকা ধাৰ্য কৰা হৈছে। চতুৰ্থ, পঞ্চম আৰু ষষ্ঠ স্থান প্ৰাপ্তক ক্ৰমে ৩০০০ টকা, ২০০০ টকা আৰু পোন্ধৰ শ টকাৰ নগদ ধনৰ পুৰস্কাৰ প্ৰদাণ কৰা হ'ব। লগত থাকিব মানপত্ৰ আৰু স্মাৰক। দীপাংকৰ কৌশিক কুইজ মাষ্টাৰ হিচাপে থাকিব লগা উন্নত মানৰ প্ৰতিযোগিতাখনৰ বাবে আগ্ৰহীসকলে দূৰভাষ ৯৭০৭০৮১৯৯৯/৯৪০১১৪০৭৯৪ নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি সভাপতি ড° ক্ষীৰেশ্বৰ লয়িঙ আৰু কাৰ্যকৰী সভাপতি ডাঃ গুণোত্তম বৰাই জানিবলৈ দিছে।

# বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

## মনজিৎ বৰা সভাপতি, ৰাতুল বুঢ়াগোহাঁই সম্পাদক হিচাপে পুনৰ নিৰ্বাচিত

## টমাছ বুঢ়াগোহাঁইলৈ শিক্ষাবিদ অশোক বৰগোহাঁই সোঁৱৰণী সাংবাদিকতা বঁটা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৪ আগষ্ট ঃ** ডিব্ৰুগড়ৰ উন্নয়ন আৰু বিকাশৰ ক্ষেত্ৰত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবৰ বিগত দিনৰ দৰে বৰ্তমান আৰু ভৱিষ্যতেও যথেষ্ট প্ৰাসংগিকতা আছে। প্ৰেছ ক্লাবটোৱে বিগত সময়ছোৱাত ডিব্ৰুগড় আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ প্ৰতি থকা দায়বদ্ধতা আৰু আন্তৰিকতা নিষ্ঠাৰে প্ৰতিফলিত কৰি আহিছে। বিশেষকৈ প'ৰ্টেল আৰু ডিজিটেল সংবাদ মাধ্যমসমূহৰ লগতে মূলসুঁতিৰ সংবাদ মাধ্যমে সামৰি নোলোৱা বহু গুৰুত্বপূৰ্ণ বিষয় ৰাইজৰ সন্মুখলৈ অনাৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত বাতৰি কোনে সোনকালে প্ৰচাৰ কৰিব পাৰে, সেই প্ৰতিযোগিতাতকৈ বাতৰিৰ সত্যাসত্য নিৰূপণ কৰি কোনে অধিক নিৰ্ভুল আৰু সম্পূৰ্ণ ৰূপত ৰাইজৰ সন্মুখত উপস্থাপন কৰিব পাৰে, তাৰ ওপৰত গুৰুত্ব আৰোপ কৰা উচিত। আগন্তুক দিনত ডিব্ৰুগড়ক দ্বিতীয় ৰাজধানী হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবে গ্ৰহণ কৰিবলগীয়া বিভিন্ন পদক্ষেপৰ সন্দৰ্ভতো পৰামৰ্শ আগবঢ়াই যাবলৈ তেওঁ সকলোকে আহ্বান জনায়। ডিব্ৰুগড় সাহিত্য সভাৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱনত অনুষ্ঠিত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ বাৰ্ষিক সাধাৰণ সভাত এই মন্তব্য কৰে ডিব্ৰুগড়ৰ বিধায়ক তথা ডিব্ৰুগড় দ্বিতীয় ৰাজ্যিক ৰাজধানী অঞ্চল উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ প্ৰশান্ত ফুকনে। ক্লাবৰ সভাপতি তথা অসম আদিত্য কাকতৰ সম্পাদক মনজিৎ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত আদৰণী ভাষণ প্ৰদান কৰে উপ-সভাপতি বিভাস দুৱৰাই। সাধাৰণ সম্পাদক ৰাতুল বুঢ়াগোহাঁইয়ে আঁত ধৰা সভাৰ আৰম্ভণিতে উপস্থিত অতিথি আৰু বিষয়ববীয়াসকলক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবৰ সুদীৰ্ঘ ২২ বছৰীয়া যাত্ৰা আৰু আগন্তুক দিনত গ্ৰহণ কৰিবলগীয়া বিভিন্ন কাৰ্যসূচী তথা পদক্ষেপৰ বিষয়ে প্ৰতিষ্ঠাপক সভাপতি তথা অসম ৰাজ্যিক সাংবাদিক সন্থাৰ উপদেষ্টা ৰাজীৱ বুঢ়াগোহাঁইয়ে উদ্বোধনী ভাষণ প্ৰদান কৰে। সম্পাদক ৰাতুল বুঢ়াগোহাঁইয়ে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে। সভাত ডিব্ৰুগড় জিলা সাংবাদিক সন্থাৰ সভাপতি তথা বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উপদেষ্টা বিপিন শৰ্মা, উপদেষ্টা মনোৰঞ্জন হাজৰিকা, চন্দন ফুকন, ড° লোহিত শইকীয়া, সন্থাৰ বিষয়ববীয়া যাদৱ গগৈ, শৈলেশ জৈন আৰু প্ৰশান্ত শইকীয়াই নিজ নিজ বক্তব্যৰে ক্লাবৰ ভৱিষ্যৎ কৰ্মপন্থাৰ সন্দৰ্ভত মতামত আগবঢ়ায়। সভাত বিধায়ক প্ৰশান্ত ফুকনক ফুলাম গামোচা, নিম পুলি আৰু স্মাৰকেৰে সম্বৰ্ধনা জনোৱা হয়। বাৰ্ষিক সাধাৰণ সভাত নতুন সমিতি গঠন কৰাৰ লগতে ডিব্ৰুগড়ৰ বিভিন্ন জ্বলন্ত সমস্যা সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। নতুন সমিতিখনত ৰাজীৱ বুঢ়াগোহাঁই, মনোৰঞ্জন হাজৰিকা, বিপিন শৰ্মা, ড° লোহিত শইকীয়া, ড° শশীকান্ত শইকীয়া, ভূষণজ্যোতি সন্দিকৈ আৰু পেইম থি গোঁহাইক উপদেষ্টা হিচাপে মনোনীত কৰা হয়। আজিৰ সাধাৰণ সভাত মনজিৎ বৰাক সভাপতি, ৰাতুল বুঢ়াগোহাঁইক সাধাৰণ সম্পাদক পুনৰ নিৰ্বাচিত কৰাৰ লগতে, বিভাস দুৱৰাক কাৰ্যকৰী সভাপতি আৰু যাদৱ গগৈ, বাবুল সোণোৱালক উপ-সভাপতি হিচাপে নিৰ্বাচিত কৰা হয়। যুটীয়া সম্পাদক হিচাপে মুক্তামণি হাজৰিকা আৰু টমাছ বুঢ়াগোহাঁই, সহকাৰী সম্পাদক হিচাপে ধন্তি শইকীয়া আৰু খগেন দত্ত, সাংগঠনিক সম্পাদক হিচাপে জিতেন্দ্ৰ শ্ৰীবাস্তৱ, ৰক্তিম দাস, প্ৰশান্ত কোঁৱৰ, দীনেশ দাস আৰু অৰুণ জৈন, কাৰ্যালয় সম্পাদক হিচাপে সন্তোষ যাদৱ, কোষাধ্যক্ষ হিচাপে শৈলেশ জৈন আৰু পত্ৰিকা সম্পাদক হিচাপে হিৰণ্য কৌশিক বৰাক দায়িত্ব অৰ্পণ কৰা হয়। আনহাতে, প্ৰশান্ত শইকীয়া, ইফতিকাৰ হুছেইন, জগদীশ ভৰালী, জিতু দাস, ডেভিদ বুঢ়াগোহাঁই, সুতীৰ্থ মাধৱ দত্ত, শান্তনু গগৈ আৰু মুন্না ঘাটোৱালক কাৰ্যবাহী সদস্য হিচাপে নিৰ্বাচিত কৰা হয়। সভাত ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়া সমস্যাক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰি ইয়াৰ বিজ্ঞানসন্মত অধ্যয়নৰ জৰিয়তে স্থায়ী সমাধানৰ দাবীত সংশ্লিষ্ট কৰ্তৃপক্ষক স্মাৰক-পত্ৰ প্ৰদানৰ সিদ্ধান্তগ্ৰহণ কৰা হয়। ইয়াৰ উপৰি অসম চিকিৎসা মহাবিদ্যালয়ৰ জৰুৰীকালীন বিভাগ উন্নীতকৰণ, ডিব্ৰুগড় মহানগৰত দ্বৈত পথৰ ব্যৱস্থা, পৰ্যাপ্ত ষ্ট্ৰীট লাইট স্থাপন আৰু অত্যাধুনিক কাৰ পাৰ্কিং নিৰ্মাণৰ ক্ষেত্ৰতো সংশ্লিষ্ট বিভাগক ব্যৱস্থা গ্ৰহণৰ দাবী জনাই প্ৰস্তাৱ গ্ৰহণ কৰা হয়। প্ৰস্তাৱসমূহ গ্ৰহণৰ পাছত নৱনিৰ্বাচিত সভাপতি মনজিৎ বৰাৰ সভাপতিত্বমূলক বক্তব্যৰে সভাৰ সামৰণি মাৰে। তেওঁ ক্লাবৰ ২২ বছৰীয়া ঐতিহ্য আৰু ব্যতিক্ৰমী যাত্ৰাক অধিক শক্তিশালী কৰাৰ লগতে নৱপ্ৰজন্মৰ সাংবাদিকসকলৰ বাবে কাম কৰা আৰু কেৱল বাতৰি পৰিৱেশনতে সীমাবদ্ধ নাথাকি সমাজৰ প্ৰতি দায়বদ্ধ সহযাত্ৰী হিচাপে সাংবাদিকসকলে ভূমিকা গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰ পূৰ্বে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী অনুসৰি পুৱা ক্লাবৰ পতাকা উত্তোলন কৰে সভাপতি মনজিৎ বৰাই। ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে উপ-সভাপতি বিভাস দুৱৰাই আৰু স্মৃতি তৰ্পণ কৰে সাধাৰণ সম্পাদক ৰাতুল বুঢ়াগোহাঁইয়ে। ইয়াৰ উপৰি বৃক্ষৰোপণ কাৰ্যসূচীও ৰূপায়ণ কৰা হয়। মুকলি সভাত বিশিষ্ট চিকিৎসক তথা অসম আদিত্যৰ মুখ্য সম্পাদক ডাঃ নিৰ্মল চাহেৱালে সাংবাদিকতাৰ দায়বদ্ধতা আৰু সামাজিক ভূমিকা সন্দৰ্ভত বক্তব্য আগবঢ়ায়। তেওঁ কয় যে সাংবাদিকতা কেৱল সত্য উন্মোচনৰ কৌশল নহয়; ই সমাজ সংস্কাৰ আৰু সামাজিক দায়বদ্ধতাৰ এক মহান সংকল্প। বাতৰি পৰিৱেশনৰ পূৰ্বে ইয়াৰ সুদূৰপ্ৰসাৰী সামাজিক প্ৰভাৱৰ বিষয়েও বিবেচনা কৰাটো এজন দায়বদ্ধ সাংবাদিকৰ কৰ্তব্য বুলি তেওঁ মন্তব্য কৰে। মহাত্মা গান্ধীৰ আদৰ্শৰে সাংবাদিকসকলৰ হাতত থকা অপৰিসীম শক্তিক আত্মসংযম আৰু বিবেচনাৰে ব্যৱহাৰ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে। সত্যৰ সৈতে সংবেদনশীলতাৰ ভাৰসাম্য ৰক্ষা কৰি সমাজৰ হিত সাধনক সাংবাদিকতাৰ মূল লক্ষ্য হিচাপে গ্ৰহণ কৰিবলৈ তেওঁ আহ্বান জনায়। মুকলি সভাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° পৰমানন্দ সোণোৱালে উদ্বোধনী ভাষণ প্ৰদান কৰে। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবৰ সভাপতি মনজিৎ বৰাই আদৰণী ভাষণ প্ৰদান কৰাৰ বিপৰীতে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ অন্যতম আকৰ্ষণ হিচাপে এনডি২৪ৰ ডিব্ৰুগড় জিলা ব্যুৰ'ৰ যুৱ সাংবাদিক টমাছ বুঢ়াগোহাঁইক ‘শিক্ষাবিদ অশোক কুমাৰ বৰগোহাঁই সোঁৱৰণী সাংবাদিকতা বঁটা-২০২৬’ প্ৰদান কৰা হয়। বঁটাত প্ৰশস্তি-পত্ৰ, জাপি, ফুলাম গামোচা, স্মাৰক, নগদ ধন আৰু চেলেং প্ৰদান কৰা হয়। বঁটা গ্ৰহণ কৰি টমাছ বুঢ়াগোহাঁইয়ে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবে তেওঁক এই সন্মানৰ বাবে নিৰ্বাচিত কৰাত কৃতজ্ঞতা জ্ঞাপন কৰে। এই স্বীকৃতিয়ে তেওঁক আগন্তুক দিনত অধিক উৎসাহ আৰু দায়-বদ্ধতাৰে সত্যৰ পক্ষত থাকি নিৰ্ভীকভাৱে সমাজ আৰু ৰাইজৰ স্বাৰ্থত কাম কৰি যাবলৈ অনুপ্ৰাণিত কৰিব বুলি তেওঁ কয়। মুকলি সভাত নৃত্যাংগণ কলা কেন্দ্ৰৰ মুখ্য প্ৰশিক্ষক ৰুবী গগৈ সন্দিকৈৰ নেতৃত্বত শিক্ষাৰ্থীসকলে কেইবাটাও সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। শেহতীয়াকৈ প্ৰলয়ংকৰী বানত অকাল মৃত্যুক সাৱটি লোৱা লোকসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি আৰু বানত সৰ্বস্বান্ত হোৱা লোকসকলৰ প্ৰতি সমবেদনা জ্ঞাপন কৰি ৰুবী গগৈ সন্দিকৈৰ পৰিচালনাত দুটা বিশেষ নৃত্যও পৰিৱেশন কৰা হয়। মুকলি সভাত ডিব্ৰুগড় পৌৰনিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰ, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা, জ্যোতি চিত্ৰবনৰ উপাধ্যক্ষ সুনীল ৰাজকোঁৱৰ, অসম ৰাজ্যিক সাংবাদিক সন্থাৰ উপদেষ্টা ৰাজীৱ বৰগোহাঁই, ডিব্ৰুগড় জিলা সাংবাদিক সন্থাৰ সভাপতি বিপিন শৰ্মা, প্ৰাক্তন সভাপতি মনোৰঞ্জন হাজৰিকা, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবৰ প্ৰাক্তন সম্পাদক পেইম থি গোহাঁই, ডিব্ৰুগড় প্ৰেছক্লাবৰ উপ-সভাপতি দেৱজিৎ চুতীয়া আৰু সৌৰভ দুৱৰা, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবৰ প্ৰতিষ্ঠাপক সদস্য চন্দন ফুকন, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি বদন গগৈ, অসম জাতীয় পৰিষদৰ উপ-সভাপতি ভূপেন ফুকন, সমাজকৰ্মী ভাস্কৰ শইকীয়া, ডিব্ৰুগড় নগৰ গড়াখহনীয়া প্ৰতিৰোধ সমিতিৰ উদয় শংকৰ মহন, জাতি-জনগোষ্ঠীয় ঐক্য মঞ্চৰ সভাপতি ৰাণা ৰঞ্জন গগৈ, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক পাৰ্থপ্ৰতিম কোঁৱৰ, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক অজিত বুঢ়াগোহাঁই, কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সম্পাদক অনিল প্ৰসাদ সিং, সাংস্কৃতিক কৰ্মী ৰাহুল দাস, ভাৰতী দুৱৰা বৰুৱা, বিশিষ্ট ক্ৰীড়া সংগঠক অঞ্জন চেতিয়া, ডিব্ৰুগড় সাহিত্য সভাৰ সহকাৰী সম্পাদক মীনাক্ষী দাস বৰুৱা, বিশিষ্ট লোকবাদ্য শিল্পী জিতেন দাস, অনাতাঁৰ শিল্পী ভুবন গগৈ, জ্যেষ্ঠ সাংবাদিক এম হাছিম আলী, সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সভাপতি ৰূপজ্যোতি বৰঠাকুৰৰ লগতে লাহোৱাল, বৰবৰুৱা, খোৱাং আৰু চাবুৱা প্ৰেছ ক্লাবৰ বিষয়ববীয়াসকল, বিভিন্ন সংগঠনৰ প্ৰতিনিধি, সাংস্কৃতিক কৰ্মী আৰু গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীতে ক্লাবৰ বিত্তীয় সম্পাদক শৈলেশ জৈনৰ পুত্ৰ ঋষভ জৈনে এইবাৰ চাৰ্টাৰ্ড একাউণ্টেন্সি পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱাত তেওঁক বিশেষভাৱে অভিনন্দন জনোৱা হয়। প্ৰায় দুই শতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত হোৱা সভাৰ শেষত যাদৱ গগৈয়ে শলাগৰ শৰাই আগবঢ়ায়।

# “হৰ ঘৰ তিৰংগা’ কাৰ্যসূচীৰ অংশ হিচাপে গোৱালপাৰা আৰক্ষীৰ বিশাল বাইক ৰেলী



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১৪ আগষ্ট ঃ** সমগ্ৰ দেশৰ লগতে গোৱালপাৰা জিলাতো ‘হৰ ঘৰ তিৰংগা’ কাৰ্যসূচীৰ অংশ হিচাপে জিলা আৰক্ষীৰ উদ্যোগত এক বিশাল বাইক ৰেলী উলিওৱা হয়। গোৱালপাৰা জিলা জেষ্ঠ্য আৰক্ষী অধীক্ষক নৱনীত মহন্তৰ নিৰ্দেশ মৰ্মে আৰু দুধনৈ সমজিলা আৰক্ষী বিষয়া নূপুৰ ৰঞ্জন নেওঁগৰ নেতৃত্বত এই ৰেলীৰ আয়োজন কৰা হয়। আজি বিয়লি প্ৰায় চাৰি বজাত দুধনৈ আৰক্ষী থানা চৌহদৰ পৰা এই বাইক ৰেলীৰ শুভাৰম্ভ কৰা হয়। দেশপ্ৰেমমূলক শ্ল'গান আৰু হাতে হাতে ৰাষ্ট্ৰীয় পতাকা লৈ উলিওৱা এই ৰেলীত দুধনৈ আৰক্ষী থানাৰ লগতে মৰণৈ, মাটিয়া, ৰংজুলি, ধূপধৰা আৰু শিমলীতোলা আৰক্ষী থানাৰ আৰক্ষী বিষয়া ক্ৰমে ভাৰ্গৱ বৰবৰা, সমীৰ কোৱঁৰ, ৰজেশ প্ৰসাদ ৰনিয়া, ডিম্বেশ্বৰ দাহাল বিশ্বজিৎ নাথ আৰু যুগল দাসৰ লগতে আৰক্ষী জোৱানে স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰে। দুধনৈ আৰক্ষী থানাৰ পৰা আৰম্ভ হোৱা এই বৰ্ণাঢ্য ৰেলীয়ে সমগ্ৰ দুধনৈ চহৰ পৰিভ্ৰমণ কৰি আমজোংগা, পুৰণিভিতা আৰু ৰংজুলি হৈ শিমলীতোলা আৰক্ষী থানাৰ অন্তৰ্গত নদীঘাটত উপস্থিত হৈ ৰাইজৰ সৈতে মত বিনিময় পিচত সামৰণি পৰে। আনহাতে এই কাৰ্যসূচীৰ পূৰ্বে জিলা জেষ্ঠ্য আৰক্ষী অধীক্ষক নৱনীত মহন্তৰ নেতৃত্বত ৰাতিপুৱাৰ ভাগত দুধনৈ আৰক্ষী থানাৰ চৌহদৰ পৰা আৰক্ষীৰ এটা দলে নিচানগ্ৰামলৈ চাইকেল চলাই “হৰ ঘৰ তিৰংগা” কাৰ্যসূচী ৰূপায়ণ কৰি অসম মেঘালয় সীমান্তৱৰ্তী ৰাইজৰ মাজত বন্ধুত্বসুলভ মনোভাব আৰু স্বাধীনতা দিৱসৰ সজাগতা সৃষ্টি কৰাৰ প্ৰয়াস কৰে। আৰক্ষী বাহিনীৰ এই অভিনৱ পদক্ষেপে স্থানীয় ৰাইজৰ মাজত ব্যাপক উৎসাহ আৰু দেশপ্ৰেমৰ জাগৰণ সৃষ্টি কৰা পৰিলক্ষিত হয়।

# পূৱ মাজুলী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস পালন

**অসম বাৰ্তা, উজনী মাজুলী, ১৪ আগষ্ট ঃ** মাজুলী জিলাৰ বৃহত্তৰ পূৱ মাজুলী অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ উচ্চ শিক্ষাৰ সুবিধাৰ বাবে অঞ্চলটোৰ শিক্ষানুৰাগী আৰু দূৰদৰ্শী ৰাইজে ১৯৯০ চনৰ ১৪ আগষ্টত বনগাঁও অঞ্চলত পূৱ মাজুলী মহাবিদ্যালয় স্থাপন কৰিছিল। ৩৭ বছৰ অতিক্ৰম কৰা মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা দিৱসটি আজি কৰ্তৃপক্ষৰ উদ্যোগত আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। পুৱা শিক্ষক কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত মহাবিদ্যালয়ৰ পাতাকা উত্তোলন কৰে অধ্যক্ষ দীপক বৰাই। মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত ১১ বজাৰ পৰা অনুষ্ঠিত মুকলি সভাৰ মঞ্চ মুকলি কৰে ছাত্ৰ ছাত্ৰীসকলৰ এটি সমবেত সংগীতেৰে। ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক অনুপ কুমাৰ বৰাই আত ধৰা অনুষ্ঠানটোৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে জ্যেষ্ঠ অধ্যাপক বুধিন বৰাই। আদৰণি ভাষণ প্ৰদান কৰে অসমীয়া বিভাগৰ অধ্যাপক মালা গায়নে। অধ্যক্ষ দীপক বৰাই মহাবিদ্যালয়খন প্ৰতিষ্ঠাকালৰ ঘাট সংঘাত আৰু বৰ্তমানলৈকে অগ্ৰগতিৰ খাতিয়ান সভাত দাঙি ধৰে আৰু প্ৰয়াত আৰু জীৱিত প্ৰতিষ্ঠাতাসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। নিৰ্দিষ্ট বক্তাৰ ভাষণত ৰাজনীতি বিজ্ঞান বিভাগৰ জ্যেষ্ঠ অধ্যাপক যুগল হাজৰিকাই “পূব মাজুলী অঞ্চলত উচ্চ শিক্ষা প্ৰসাৰত পূব মাজুলী মহাবিদ্যালয়ৰ ভূমিকা” শীৰ্ষক বিষয়ৰ ওপৰত তথ্য ভিত্তিক বক্তব্য প্ৰদান কৰে। গ্ৰন্থাগাৰিক ৰুবী গায়ন হাজৰিকাই সন্মানীয় অতিথিৰ ভাষণ প্ৰদান কৰে। সভাত বিশিষ্ট অতিথি ক্ৰমে বিজু তামোলী, গিৰীশ চন্দ্ৰ ওজা, উত্তম শইকীয়াই ভাষণ প্ৰদান কৰে। অধ্যাপক সূৰ্য কুমাৰ দলে, দিলীপ বৰুৱা, অমূল্য ভূঞা, শান্ত্বনা তামোলী, অনুপ কুমাৰ বৰা, অৰূপ দত্ত, খগেন চমুৱা, দৰ্শনা মূদৈয়ে সমজুৱাৰ ফালৰ পৰা বক্তব্য আগবঢ়ায়। পঞ্চম ষাণ্মাসিকৰ ছাত্ৰসকলে সুৰ সমলয় পৰিবেশন কৰে। সহকাৰী গ্ৰন্থাগাৰিক গৌতম শইকীয়াই শলাগৰ শৰাই আগবঢ়াই।

# বিভাজনৰ দাগ পাহৰিব

১৯৪৭ চনৰ সেই বিভাজনৰ ফলত অসংখ্য নিৰপৰাধী লোকৰ প্ৰাণহানি ঘটিছিল, আৰু দেশ বিভাজনৰ পিছত সংঘটিত সাম্প্ৰদায়িক হিংসাত যিসকলে নিজৰ জীৱন হেৰুৱাইছিল, তেওঁলোকলৈ তেওঁ গভীৰ শ্ৰদ্ধাঞ্জলি জনায়। বিভাজনৰ সেই ভয়ংকৰ অধ্যায়ৰ বলি হোৱা সকলোকে স্মৰণ কৰি সমগ্ৰ দেশবাসীয়ে দেশৰ অখণ্ডতা আৰু নিৰাপত্তা ৰক্ষাৰ বাবে দৃঢ় সংকল্প ল'ব লাগে বুলি তেওঁ আহ্বান জনায়। তেওঁৰ মতে, ইতিহাসৰ সেই ক'লা অধ্যায় পুনৰাই ঘটি উঠাৰ কোনো সম্ভাৱনা থাকিব নালাগে, আৰু সেই কাৰণেই সকলো ভাৰতীয়ই সজাগ হৈ থকা অতি প্ৰয়োজনীয়। উল্লেখ্য যে, দেশ বিভাজন আৰু তাৰ পিছৰ গণ প্ৰব্ৰজনৰ সময়ত সংঘটিত সাম্প্ৰদায়িক হিংসাত প্ৰাণ হেৰুওৱা লোকসকলক স্মৰণ কৰিবলৈ কেন্দ্ৰৰ বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে ২০২১ চনৰ পৰা প্ৰতি বছৰে ১৪ আগষ্টত ‘বিভাজন বিভীষিকা স্মৃতি দিৱস’ পালন কৰি আহিছে। এই দিৱসৰ মাধ্যমত নতুন প্ৰজন্মক বিভাজনৰ বিভীষিকাৰ বিষয়ে অৱগত কৰোৱাৰ লগতে জাতীয় সংহতি আৰু একতাৰ বাৰ্তা প্ৰেৰণ কৰাটোৱেই উদ্দেশ্য বুলি চৰকাৰে উল্লেখ কৰি আহিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে বিভাজনে যে অকল প্ৰাণহানিয়েই ঘটাইছিল এনে নহয়, ই লাখ লাখ লোকক ঘৰ-বাৰী, মাতৃভূমি আৰু নিজৰ বংশপৰিচয়ৰ পৰা বঞ্চিত কৰিছিল, যাৰ আঘাত আজিও বহু পৰিয়ালে বহন কৰি আছে। সেই বেদনাক কেতিয়াও বিস্মৃত কৰিব নোৱাৰি, আৰু ইয়াৰ পৰা শিক্ষা গ্ৰহণ কৰি ভৱিষ্যতে যাতে কোনো শক্তিয়েই দেশৰ বিভাজনৰ ষড়যন্ত্ৰ কৰিব নোৱাৰে, তাৰ বাবে সকলোকে একত্ৰিত হৈ কাম কৰিব লাগে। তেওঁ স্পষ্ট কৰি কয় যে বৰ্তমানৰ প্ৰজন্মই বিভাজনৰ সেই ভয়ংকৰ স্মৃতি জীয়াই ৰাখি দেশপ্ৰেম আৰু জাতীয়তাবাদৰ ভাৱনাত উজ্জিৱিত হ'ব লাগে। শেষত মুখ্যমন্ত্ৰীগৰাকীয়ে বিভাজন বিভীষিকা স্মৃতি দিৱসত ৰাজ্যবাসীক এই ঐতিহাসিক দিনটোৰ গুৰুত্ব উপলব্ধি কৰি জাতীয় অখণ্ডতা ৰক্ষাৰ বাবে নিজৰ দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়।

# ত্ৰিৰংগাৰ গৌৰৱ আৰু ৰাষ্ট্ৰ

আৰু এই ঐতিহাসিক দিনটোৰ গুৰুত্ব স্মৰণ কৰি অতীতৰ পৰা শিক্ষা গ্ৰহণ কৰি ভৱিষ্যত গঢ়াৰ প্ৰতি আহ্বান জনায়। তেওঁ সোঁৱৰাই দিয়ে যে ১৯৪৭ চনৰ ১৫ আগষ্টৰ সেই স্মৰণীয় দিনটোতে ভাৰতে পৰাধীনতাৰ শিকলি ভাঙি সম্পূৰ্ণৰূপে মুক্ত হৈছিল, আৰু সেই দিনাৰ পৰাই এই দেশৰ প্ৰতিগৰাকী নাগৰিকেই স্বাধীন ভাৰতৰ ভাগ্য নিৰ্মাতা হিচাপে নিজৰ দায়িত্ব পালন কৰি আহিছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে ভাষণত কয় যে অলপ সময়ৰ পাছতে সমগ্ৰ দেশে ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিব, আৰু দেশৰ ভিতৰতে নহয়, বিদেশত বসবাস কৰা সকলো ভাৰতীয়ই এই জাতীয় উৎসৱক অতি উৎসাহ আৰু আনন্দ-উল্লাসেৰে পালন কৰে। আমাৰ ত্ৰিৰংগা জাতীয় পতাকাখনে আমাৰ স্বাধীনতাৰ স্পষ্ট প্ৰতীক হিচাপে কাম কৰে, আৰু আমি ইয়াক অতি গৌৰৱেৰে উত্তোলন কৰি দেশপ্ৰেমৰ ভাৱনা দৃঢ় কৰোঁ বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে গভীৰ আবেগেৰে উল্লেখ কৰে। তেওঁ লগতে কয় যে এই ত্ৰিৰংগাৰ প্ৰতি থকা সন্মান আৰু গৌৰৱ অনুভৱেই আমাক এটা সংগঠিত আৰু শক্তিশালী জাতি হিচাপে পৰিচয় দিয়াৰ মূলমন্ত্ৰ। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ভাষণৰ অন্য এক গুৰুত্বপূৰ্ণ অংশত দেশৰ বিভিন্ন ক্ষেত্ৰৰ অগণন ব্যক্তিৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে, যিসকলে নিজ নিজ কৰ্মক্ষেত্ৰত অক্লান্ত পৰিশ্ৰম কৰি ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে অৰিহণা যোগাই আহিছে। তেওঁ বিশেষভাৱে নিষ্ঠাবান ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ কথা উল্লেখ কৰে, যিসকলে শিক্ষাৰ জৰিয়তে জাতিৰ ভৱিষ্যত গঢ়ি তোলাত সহায় কৰিছে। লগতে উন্নয়নৰ বাবে সদা প্ৰস্তুত বিজ্ঞানী আৰু অভিযন্তাসকলেও নিজৰ আবিষ্কাৰ আৰু নতুনত্বৰ জৰিয়তে দেশক বিশ্বৰ দৰবাৰত শক্তিশালী কৰি তুলিছে বুলি তেওঁ স্বীকৃতি দিয়ে। স্বাস্থ্য সেৱাৰ সৈতে জড়িত চিকিৎসক আৰু স্বাস্থ্যকৰ্মীসকলেও ৰাষ্ট্ৰপতিৰ কৃতজ্ঞতাৰ পাত্ৰ, কাৰণ তেওঁলোকে নিজৰ পেছাগত দক্ষতাৰে জনসাধাৰণৰ স্বাস্থ্য সুৰক্ষিত কৰি দেশৰ মানৱ সম্পদক শক্তিশালী কৰি তুলিছে। ইয়াৰ উপৰি পৰিশ্ৰমী শ্ৰমিক আৰু অন্নদাতা কৃষকসকলেও নীৰৱে কিন্তু গভীৰভাৱে জাতিৰ অৰ্থনৈতিক ভেটি মজবুত কৰি আহিছে, যাৰ বাবে ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁলোকক হৃদয়ৰ পৰা ধন্যবাদ জ্ঞাপন কৰে। বিভিন্ন ক্ষেত্ৰত সক্ৰিয় অসংখ্য দেশবাসী আৰু সংবিধানত উল্লিখিত মৌলিক কৰ্তব্যসমূহ পালন কৰা প্ৰতিগৰাকী নাগৰিকেই যে ৰাষ্ট্ৰ নিৰ্মাণৰ গুৰুত্বপূৰ্ণ অংশীদাৰ, সেই কথাও তেওঁ ভাষণত স্পষ্টভাৱে উল্লেখ কৰে। ভাষণৰ শেষৰ ফালে ৰাষ্ট্ৰপতি মুৰ্মুৱে কয় যে স্বাধীনতাৰ ৮০ বছৰ পূৰ্ণ কৰা এই বিশেষ মুহূৰ্তত আমি গৌৰৱান্বিত হওঁ, কিন্তু আগন্তুক দিনবোৰত দেশক নতুন উচ্চতালৈ লৈ যোৱাৰ বাবে আমাৰ দায়িত্বও সমান গুৰুত্বপূৰ্ণ।

# বিভাজনৰ বলিসকলক শ্ৰদ্ধাঞ্জলি প্ৰধানমন্ত্ৰী মোদীৰ

পৰিণত কৰি দেশৰ প্ৰগতিত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল বুলি তেওঁ গৌৰৱেৰে সোঁৱৰণ কৰে। সামাজিক মাধ্যম এক্সত কৰা এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে কয় যে এই লোকসকলৰ জীৱন যাত্ৰাই মানৱীয় আত্মাৰ অসীম শক্তিৰ কথা সোঁৱৰাই দিয়ে। লগতে এই স্মৃতি দিৱসে দেশত সম্প্ৰীতি আৰু ভাতৃত্ববোধ অটুট ৰখাৰ সংকল্পক অধিক শক্তিশালী কৰিবলৈ সহায় কৰক বুলিও তেওঁ আশা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে এই ঐতিহাসিক প্ৰেক্ষাপটত নতুন প্ৰজন্মক বিভাজনৰ বিভীষিকাৰ বিষয়ে অৱগত কৰাৰ লগতে জাতীয় একতাৰ বাৰ্তা প্ৰেৰণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। উল্লেখ্য যে, ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতে ব্ৰিটিছ শাসনৰ পৰা স্বাধীনতা লাভ কৰিছিল, কিন্তু স্বাধীনতাৰ আনন্দৰ সৈতে দেশ বিভাজনৰ গভীৰ যন্ত্ৰণাও জড়িত হৈ আছিল। ভাৰত বিভাজনৰ সময়ত ভয়ংকৰ হিংসা আৰু অস্থিৰতাৰ সৃষ্টি হৈছিল, যাৰ পৰিণতিত লাখ লাখ মানুহে নিজৰ ঘৰ-বাৰী, গাঁও আৰু চহৰ এৰি শৰণাৰ্থী হিচাপে নতুন জীৱন আৰম্ভ কৰিবলৈ বাধ্য হৈছিল। এই বিভাজনৰ ফলত প্ৰায় চ কোটি লোক প্ৰত্যক্ষভাৱে প্ৰভাৱিত হৈছিল বুলি অনুমান কৰা হয়, যাৰ ভিতৰত অসংখ্য পৰিয়ালে নিজৰ আপোনজন হেৰুৱাইছিল আৰু বহু লোক গৃহহীন হৈছিল। সেই ভয়ংকৰ দিনবোৰত প্ৰাণ হেৰুওৱা, ঘৰ-বাৰী হেৰুওৱা আৰু জীৱন নতুনকৈ আৰম্ভ কৰিবলৈ বাধ্য হোৱা লোকসকলৰ স্মৃতিক অম্লান কৰি ৰাখিবলৈ কেন্দ্ৰৰ বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে ২০২১ চনৰ পৰা প্ৰতি বছৰে ১৪ আগষ্টত ‘বিভাজনৰ বিভীষিকা স্মৰণ দিৱস’ পালন কৰি আহিছে। এই দিৱসই ৰাষ্ট্ৰীয় সংহতি আৰু ঐক্যৰ বাণী বহন কৰাৰ লগতে ইতিহাসৰ সেই কালিমাময় অধ্যায়ক বিস্মৃত নহ'বলৈ দিয়া নাই। প্ৰধানমন্ত্ৰী মোদীৰ এই শ্ৰদ্ধাঞ্জলি আৰু আহ্বানে বিভাজনৰ বলি লোকসকললৈ সন্মান জ্ঞাপন কৰাৰ লগতে ভৱিষ্যত প্ৰজন্মক দেশৰ অখণ্ডতা ৰক্ষাৰ প্ৰতি সজাগ কৰি তুলিছে বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

# ডিব্ৰুগড়ত হৰ ঘৰ ত্ৰিৰংগা পতাকাৰে বাইক ৰেলী

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৪ আগষ্ট ঃ** স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত দেশজুৰি চলি থকা ‘হৰ ঘৰ তিৰংগা’ অভিযানৰ অংশ হিচাপে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী চমুকৈ চি আৰ পি এফৰ ১৭১নং বেটেলিয়নে উলিয়ালে ত্ৰিৰংগা বাইক ৰেলী। ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশনা অনুসৰি ১২ আগষ্টত ১৭১নং বেটেলিয়ন চি আৰ পি এফৰ উদ্যোগত আয়োজন কৰা হয় এই ত্ৰিৰংগা বাইক ৰেলী। দেশৰ স্বাধীনতাৰ বাবে বীৰ শ্বহীদসকলে আগবঢ়োৱা আত্মত্যাগ আৰু বলিদানক স্মৰণ কৰাৰ লগতে দেশৰ প্ৰতিজন নাগৰিকৰ মাজত দেশপ্ৰেমৰ ভাৱনা জাগ্ৰত কৰাই আছিল এই ৰেলীৰ মূল উদ্দেশ্য। হাতত জাতীয় পতাকা লৈ বাইকেৰে ৰেলীত অংশগ্ৰহণ কৰে চি আৰ পি এফৰ বিষয়া-জোৱানসকলে। ৰেলীৰ জৰিয়তে প্ৰতিগৰাকী নাগৰিকক নিজৰ ঘৰ তথা চৌহদত জাতীয় পতাকা উত্তোলন কৰিবলৈ আহ্বান জনোৱা হয়।

জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ ‘ড্ৰাগছনহয়, শিক্ষাক বাছি লওক’ বাৰ্তা

# নিচামুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে ৰূপহী জ্ঞান বিকাশ বিদ্যাপীঠত সজাগতা সভা

**অসম বাৰ্তা, ৰূপহীহাট, ১২ আগষ্ট ঃ** ড্ৰাগছমুক্ত সমাজ গঢ়ি তোলা আৰু যুৱ প্ৰজন্মৰ মাজত মূল্যবোধৰ শিক্ষা প্ৰসাৰৰ লক্ষ্যৰে আজি ৰূপহীৰ জ্ঞান বিকাশ বিদ্যাপীঠত এখন বিশেষ সজাগতা সভা অনুষ্ঠিত হয়। Biodiversity Conservation and Education Foundationৰ উদ্যোগত আৰু জ্ঞান বিকাশ বিদ্যাপীঠৰ সহযোগত অনুষ্ঠিত সভাখনত ‘নিচামুক্ত সমাজ, আমাৰ সপোন’ শীৰ্ষক এক আলোচনা-চক্ৰ অনুষ্ঠিত হয়। ড্ৰাগছৰ ভয়াৱহতাৰ পৰা ছাত্ৰ-ছাত্ৰী তথা যুৱ সমাজক আঁতৰাই ৰাখি শিক্ষা আৰু সুস্থ জীৱনশৈলীৰ প্ৰতি আকৰ্ষিত কৰাৰ উদ্দেশ্যে আয়োজন কৰা সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে নগাঁও জিলাৰ আয়ুক্ত দেৱাশিস শৰ্মা। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি ড্ৰাগছৰ ভয়াৱহতা, নিচামুক্ত জীৱনৰ প্ৰয়োজনীয়তা আৰু শিক্ষাৰ গুৰুত্ব সন্দৰ্ভত ভাষণ প্ৰদান কৰে। আয়োজকসকলে কয় যে, বৰ্তমান সময়ত ড্ৰাগছৰ আসক্তি সমাজৰ বাবে এক গুৰুতৰ প্ৰত্যাহ্বান হৈ পৰিছে। বিশেষকৈ যুৱ প্ৰজন্মক এই মাৰাত্মক আসক্তিৰ পৰা ৰক্ষা কৰিবলৈ বিদ্যালয় পৰ্যায়ৰ পৰাই সজাগতা সৃষ্টি কৰাৰ প্ৰয়োজনীয়তা আছে। এই লক্ষ্যৰে অনুষ্ঠিত সভাখনত ড্ৰাগছৰ কুফল আৰু নিচামুক্ত জীৱনৰ ইতিবাচক দিশসমূহৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হয়। ‘ড্ৰাগছ নহয়, শিক্ষাক বাছি লওক’- এই বাৰ্তাৰে ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকক নিচাৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে আগবাঢ়ি আহিবলৈ আহ্বান জনোৱা হয়। সভাখনত জ্ঞান বিকাশ বিদ্যাপীঠৰ শিক্ষক-শিক্ষয়িত্ৰী, শতাধিক ছাত্ৰ-ছাত্ৰীৰ লগতে সমাজৰ বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। সভাৰ এক বিশেষ মুহূৰ্তত জিলা আয়ুক্ত দেৱাশিস শৰ্মাই ‘মানুহে মানুহৰ বাবে’ গীতটি পৰিৱেশন কৰি উপস্থিত সকলোৰে মাজত মানৱতা, ভাতৃত্ববোধ আৰু সামাজিক দায়বদ্ধতাৰ এক সুন্দৰ বাৰ্তা প্ৰদান কৰে।

স্বচ্ছতা প্ৰত্যেকৰে হৃদয়ত থাকিব লাগে ঃ চাৰ্বেশ ৰাভা

# স্বাধীনতা দিৱস উপলক্ষে দুধনৈত বৃহৎ স্বচ্ছতা অভিযান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১৩ আগষ্ট ঃ** আগন্তুক ৮০ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন উপলক্ষে দুধনৈত এক ব্যাপক ‘স্বচ্ছতা অভিযান’ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। দুধনৈ থানা আৰু দুধনৈ থানা নাগৰিক কমিটিৰ যৌথ উদ্যোগত তথা অঞ্চলটোৰ বিভিন্ন দল-সংগঠনৰ সহযোগত এই বিশেষ চাফাই অভিযানৰ আয়োজন কৰা হয়। ৰাতিপুৱা ৭ বজাৰ পৰা আৰম্ভ হোৱা এই চাফাই অভিযান কাৰ্যসূচী উদয়পুৰ ৰাজহুৱা খেলপথাৰ, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যালয়, সম-জিলা আয়ুক্ত কাৰ্যালয়, সম-জিলা আৰক্ষী অধীক্ষক কাৰ্যালয়, দুধনৈ মহাবিদ্যালয় পথ আৰু দামৰা পথ পৰিসৰত সফলতাৰে সম্পন্ন কৰা হয়। দুধনৈ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ভাৰ্গৱ বৰবৰাই শুভাৰম্ভ কৰা এই বৃহৎ স্বচ্ছতা অভিযানত দুধনৈ উন্নয়ন কমিটি, উদয়পুৰ গাওঁ উন্নয়ন কমিটি, দুধনৈ ব্যৱসায়ী সংস্থা, ই-ৰিক্সা সংস্থা আৰু গাঁৱৰক্ষী বাহিনী, দুধনৈ প্ৰেছ ক্লাব, ঠেকাচু মৌজা সমিতি, বিভিন্ন ছাত্ৰ সংস্থা তথা স্থানীয় দল-সংগঠন লগতে স্থানীয় দুধনৈবাসী ৰাইজে পূৰ্ণ সহযোগিতা আগবঢ়ায়। উদয়পুৰ গাওঁ উন্নয়ন কমিটিৰ বিষয়ববীয়া চাৰ্বেশ ৰাভাই সংবাদ মাধ্যমৰ আগত কয় যে, কেৱল উৎসৱে পাৰ্বনতে স্বচ্ছতা অভিযান চলাই বাহ্‌/ বাহ্‌/ ল'ব নালাগে। প্ৰতিদিনে প্ৰতিটো অঞ্চলৰ প্ৰতিগৰাকী ব্যক্তিয়ে স্বচ্ছতাৰ প্ৰতি সজাগ হ'ব লাগিব। তেতিয়াহে নিজৰ নিজৰ অঞ্চলটো চাফ চিকুন হৈ থাকিব। স্বচ্ছতা অভিযানৰ কাৰ্যসূচীত অঞ্চলটোৰ সৰ্বস্তৰৰ ৰাইজৰ সক্ৰিয় আৰু স্বতঃস্ফূৰ্ত অংশগ্ৰহণ দেখা যায়। উল্লেখযোগ্য যে, অহা ১৫ আগষ্টৰ স্বাধীনতা দিৱস নিখুঁতভাৱে উদযাপন কৰাৰ বাবেও দুধনৈত বৰ্তমান পূৰ্ণোদ্যমে প্ৰস্তুতি অব্যাহত আছে। আৰক্ষী প্ৰশাসনেও স্বাধীনতা দিৱস সুচাৰুৰূপে সম্পন্ন কৰিবলৈ নিৰাপত্তা জনিত দিশটোত কঢ়া নজৰ ৰখা পৰিলক্ষিত হৈছে।

গেলেকীৰ যুৱ সমাজকৰ্মী হেমন্ত গগৈৰ শলাগনীয় পদক্ষেপ

# বানত ক্ষতিগ্ৰস্ত কৃষকক বিনামূলীয়া কঠীয়া প্ৰদান

**অসম বাৰ্তা, গেলেকী, ১৩ আগষ্ট ঃ** প্ৰলয়ংকাৰী বানে বিধ্বস্ত কৰি থৈ যোৱা উজনি অসমৰ কৃষিজীৱী ৰাইজৰ মাজত এতিয়া হাহাকাৰ পৰিস্থিতি। বিশেষকৈ শিৱসাগৰ জিলাৰ নাজিৰা, শিমলুগুৰি আদি বিভিন্ন অঞ্চলৰ খেতিয়কসকলৰ মূৰত যেন সৰগহে ভাগি পৰিছে। অনাকাংক্ষিত বানে ঘৰ-বাৰী উটুৱাই নিয়াৰ সমান্তৰালকৈ খেতিপথাৰত পেলাই থৈ গৈছে একঁকাল ডাঠ পলস। বহু ঠাইত কৃষকে কঠোৰ পৰিশ্ৰম কৰি পথাৰৰ পলস আঁতৰাই ভুঁই ৰোৱাৰ উপযোগী কৰি তুলিছে যদিও পথাৰত ৰুবলৈ হাতত নাই কঠীয়া। বানৰ সংহাৰে সকলো কাঢ়ি নিয়াৰ ফলত একাংশ খেতিয়কৰ জীৱন-জীৱিকা এতিয়া অন্ধকাৰৰ মাজলৈ ঠেলি দিছে। কৃষক ৰাইজৰ এই চৰম দুৰ্দিনৰ সময়ত তেওঁলোকৰ কাষত সহায়ৰ হাত আগবঢ়াই থিয় দিছে গেলেকীৰ যুৱ সমাজকৰ্মী হেমন্ত গগৈ। নাজিৰাৰ কপহুৱা, মাউং গাঁও আৰু লাকুৱাৰ পঠালিগড় আদি অঞ্চলৰ বানাক্ৰান্ত খেতিয়কসকলে যাতে সময় থাকোঁতেই নিজৰ মাটিডৰাত ভুঁই ৰুব পাৰে, সেই উদ্দেশ্যে যুৱকজনে কৃষকসকলৰ মাজত বিনামূলীয়াকৈ কঠীয়া যোগান ধৰিছে। সমাজকৰ্মী হেমন্ত গগৈয়ে জনোৱা মতে, বানাক্ৰান্ত অঞ্চলৰ বহু লোকে সামাজিক মাধ্যম ফেচবুকৰ জৰিয়তে তেওঁক কঠীয়া যোগান ধৰাৰ বাবে কাতৰ অনুৰোধ জনাইছিল। সেই আহ্বানৰ প্ৰতি সঁহাৰি জনাই দুৰ্দশাগ্ৰস্ত ৰাইজৰ অৱস্থা স্বচক্ষে প্ৰত্যক্ষ কৰি যুৱকজনে ব্যক্তিগতভাৱে গাঁওসমূহত উপস্থিত হৈ কৃষকৰ মাজত কঠীয়া বিতৰণ কৰে। সংকটৰ সময়ত যুৱ সমাজকৰ্মীজনৰ এই মানৱীয় পদক্ষেপক এতিয়া অঞ্চলবাসীৰ লগতে সচেতন মহলে ভূয়সী প্ৰশংসা কৰিছে।

# গৰু মুকলিকৈ এৰি দিয়াক লৈ দেৰগাঁৱত ৰাইজৰ অসন্তুষ্টি

**অসম বাৰ্তা, দেৰগাঁও, ১৩ আগষ্ট ঃ** বৰ্তমান শাওণ মাহৰ পথাৰত চহা কৃষক ব্যস্ত। বছৰৰ একমাত্ৰ ভৰসা ধান খেতিৰ সোণগুটি চপোৱাৰ আশাত কৃষকসকলে পথাৰত ৰোৱনি, হালোৱা আদিকে ধৰি বিভিন্ন কৃষিকাৰ্যত ব্যস্ত হৈ পৰা পৰিলক্ষিত হৈছে। দেৰগাঁও পৌৰসভা অঞ্চলৰ এফচিআই চাৰিআলিৰপথাৰ, ৰাজাবাহাৰ গাঁও, দাধৰা, আহোম গাঁও, ৯নং ৱাৰ্ডৰ পথাৰ, পেঞ্চন কলনী, দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখৰ পথাৰকে ধৰি বিভিন্ন অঞ্চলত কৃষকসকলে ব্যস্ততাৰে ধান খেতিৰ কাম কৰি আছে। ৰোৱনীসকলেও যথেষ্ট কষ্ট আৰু পৰিশ্ৰমেৰে পথাৰত ভুঁই ৰুই থকা দেখা গৈছে। কিন্তু এনে সময়তে একাংশ লোকে নিজৰ গৰু-গোহালি চোৱাচিতা নকৰি গৰুক মুকলিকৈ এৰি দিয়াৰ অভিযোগ উত্থাপন হৈছে। মুকলিকৈ ঘূৰি ফুৰা গৰুৱে পথাৰত সোমাই কৃষকে কষ্টৰে ৰোৱা ভুঁই খাই নষ্ট কৰাৰ ফলত বহু কৃষক সমস্যাৰ সন্মুখীন হৈছে। কেইদিনমান পূৰ্বে দেৰগাঁও পৌৰসভা এলেকাৰ ৰাজাবাহাৰ গাঁৱত এগৰাকী কৃষকৰ পথাৰত গৰুৱে ভুঁই খাই থকা অৱস্থাত কৃষকজনে গৰুটো ধৰি গৃহস্থক চমজাই দিছিল। এনে ঘটনাৰ পিছতো অঞ্চলটোৰ বিভিন্ন ঠাইত গৰু মুকলিকৈ এৰি দিয়াৰ অভিযোগ অব্যাহত আছে। বছৰজোৰা কষ্টৰ অন্তত কৃষকে যি ধান চপাই পৰিয়ালৰ খাদ্যৰ যোগান ধৰাৰ আশা কৰে, সেই খেতি গৰুৱে নষ্ট কৰাত কৃষকসকলৰ মাজত স্বাভাৱিকতে অসন্তুষ্টিৰ সৃষ্টি হৈছে। এই সমস্যাৰ স্থায়ী সমাধানৰ দাবীত কৃষক ৰাইজে দেৰগাঁও সমজিলা প্ৰশাসনৰ জৰিয়তে সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত স্মাৰকপত্ৰ প্ৰদান কৰাৰ লগতে মুখ্যমন্ত্ৰী আৰু গৃহমন্ত্ৰীৰো হস্তক্ষেপ কামনা কৰিছে। কৃষক ৰাইজৰ সমস্যাটো শীঘ্ৰে সমাধান কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক আহ্বান জনাইছে ৰাইজে। সমস্যাটো ৰাইজৰ, আমি কেৱল ৰাইজৰ সমস্যাটো দাঙি ধৰাৰ চেষ্টা কৰিছোঁ; এতিয়া সমাধানৰ দায়িত্ব সংশ্লিষ্ট কৰ্তৃপক্ষৰ।

# মৰিগাঁৱৰ ভূৰবন্ধাত দুই বিলাসী বাহনৰ মুখামুখি সংঘৰ্ষ

## কথমপি প্ৰাণৰক্ষা পৰা কেইবাজনো যাত্ৰী গুৰুতৰভাৱে আহত



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১৩ আগষ্ট ঃ** মৰিগাঁও জিলাৰ ভূৰবন্ধাৰ খাটৰবড়িত আজি বিয়লিৰ ভাগত সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত কেইবাগৰাকীও লোক গুৰুতৰভাৱে আহত হয়। প্ৰাপ্ত তথ্য মতে এ এছ ০৭ এল ৬৪৬৭ নম্বৰৰ মাৰুতি চেলেৰিঅ' গাড়ী এখন মৰিগাঁও চহৰৰ পিনৰ পৰা যাত্ৰা কৰিয়াই গৈ আছিল। ভূৰবন্ধাৰ খাটৰবড়িত বিপৰীত দিশ পৰা অহা এ এছ ০২ এ এল ১৯৭৬ নম্বৰৰ নিচান মেগনাইট বাহন এখনৰ লগত মুখামুখি সংঘৰ্ষ হয়। এই সংঘৰ্ষত দুয়োখন বাহনৰে যথেষ্ট ক্ষতিসাধন হয়। দুৰ্ঘটনাটোৰ ফলত দুয়োখন বাহনত থকা কেইবাগৰাকী লোক গুৰুতৰভাৱে আহত হয়। এই ঘটনাটোৰ পিছতে অঞ্চলটোত এক হুৱাদুৱা পৰিৱেশৰ সৃষ্টি হয়। ঘটনাটোৰ খবৰ লাভ কৰাৰ পিছতে মৰিগাঁৱৰ যানবাহন শাখাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ স্থানীয় ৰাইজৰ সহযোগত দুৰ্ঘটনাগ্ৰস্ত বাহন দুখনৰ আঘাতপ্ৰাপ্ত যাত্ৰী সকলক উদ্ধাৰ কৰি মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ইপিনে ঘটনাস্থলীত এজন অচিনাক্ত যুৱকে দুৰ্ঘটনাগ্ৰস্ত বাহনৰ দৰ্জা খুলাক লৈ আন এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। উল্লেখ্য যে এই ভয়ংকৰ দুৰ্ঘটনাটো কেনেদৰে সংঘটিত হ'ল, সেই সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰখাৰ কথা জানিব পৰা গৈছে।

Kamakhya–Puri Expressৰে উৰিষ্যালৈ যাত্ৰাৰ পথত সন্ধানহীন ৩১ বছৰীয়া যুৱকজন

# মালদাহত নিৰুদ্দেশ বৰপেটাৰ জহুৰুল ইছলাম

**অসম বাৰ্তা, কুমুল্লী পাৰা, ১৩ আগষ্ট ঃ** বৰপেটা জিলাৰ হাউলী থানাৰ অন্তৰ্গত কুমুল্লী পাৰাৰ বাসিন্দা শ্বাহ আলমৰ জ্যেষ্ঠ পুত্ৰ জহুৰুল ইছলাম (৩১) যাত্ৰাপথত নিৰুদ্দেশ হোৱা ঘটনাই পৰিয়ালটোৰ মাজত তীব্ৰ উদ্বেগৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, জহুৰুল ইছলাম যোৱা ৯ আগষ্ট ২০২৬ তাৰিখে সন্ধিয়া উৰিষ্যালৈ কামৰ উদ্দেশ্যে ঘৰৰ পৰা ওলাই যায়। ট্ৰেইন পলমকৈ অহাৰ বাবে তেওঁ ১০ আগষ্ট পুৱা প্ৰায় ৬ বজাত বৰপেটা ৰোড ৰে'ল ষ্টেচনৰ পৰা Kamakhya-Puri Express (Train No. 14640)-ৰেঙ্গঙ্ধ উৰিষ্যালৈ যাত্ৰা কৰে। তেওঁৰ সৈতে একেখন গাঁৱৰে কেইবাজনো লোকো আছিল। লগত যাত্ৰা কৰা লোকসকলৰ মতে, ১০ আগষ্ট আবেলি প্ৰায় ৫ বজাত পশ্চিমবংগৰ মালদাহ ৰে'ল ষ্টেচনত জহুৰুল ইছলাম নিৰুদ্দেশ হয়। মালদাহ ষ্টেচনৰ পৰা তেওঁৰ কোনো সন্ধান পোৱা হোৱা নাই। ইফালে, তেওঁৰ লগত থকা লাগেজ আৰু অন্যান্য সামগ্ৰী সংগীসকলৰ ওচৰতেই আছে বুলি জানিব পৰা গৈছে। আনহাতে, নিৰুদ্দেশ হোৱাৰ পিছৰে পৰা জহুৰুল ইছলামৰ মোবাইল ফোন নম্বৰ 8011437645 Switch Off হৈ আছে। পৰিয়ালৰ কোনো সদস্যৰ সৈতেও এতিয়ালৈকে তেওঁৰ কোনো ধৰণৰ যোগাযোগ হোৱা নাই। ঘটনাটোক লৈ পৰিয়ালটো গভীৰ চিন্তা আৰু উৎকণ্ঠাৰ মাজত আছে। পৰিয়ালৰ লোকে জহুৰুল ইছলামৰ সন্ধান উলিওৱাৰ বাবে সংশ্লিষ্ট ৰে'ল আৰক্ষী আৰু প্ৰশাসনৰ সহায় কামনা কৰিছে। কোনো লোকে তেওঁৰ বিষয়ে তথ্য লাভ কৰিলে তৎক্ষণাত পৰিয়াল বা সংশ্লিষ্ট আৰক্ষী কৰ্তৃপক্ষক অৱগত কৰিবলৈ অনুৰোধ জনোৱা হৈছে।

# হাজোৰ ঐতিহাসিক হয়গ্ৰীৱ মাধৱ মন্দিৰৰ প্ৰথম 'ডেকা দলৈ' হিচাপে নিৰ্বাচিত নৱ কুমাৰ শৰ্মা

**অসম বাৰ্তা, হাজো, ১৩ আগষ্ট ঃ** কামৰূপ জিলাৰ ঐতিহাসিক তথা তীৰ্থনগৰী হাজোৰ বিখ্যাত হয়গ্ৰীৱ মাধৱ মন্দিৰৰ পৰিচালনা আৰু ধৰ্মীয় পৰম্পৰাত যোগ হ'ল এক নতুন অধ্যায়। শ্ৰীশ্ৰী হয়গ্ৰীৱ মাধৱ মন্দিৰৰ ইতিহাসত প্ৰথমবাৰৰ বাবে 'ডেকা দলৈ' পদ সৃষ্টি কৰি বৰদেউৰী সমাজৰ নৱ কুমাৰ শৰ্মাক প্ৰথম ডেকা দলৈ হিচাপে নিযুক্তি দিয়া হৈছে। কামৰূপ (মহানগৰ) জিলা ও সত্ৰ ন্যায়াধীশৰ আদালতে এক নিৰ্দেশনা যোগে হয়গ্ৰীৱ মাধৱ মন্দিৰ পৰিচালনা সমিতিখন নতুনকৈ প্ৰকাশ কৰিছে। মন্দিৰৰ পুৰণি নীতি-নিয়ম, দৈনিক পূজা-অৰ্চনা, বিভিন্ন উৎসৱ-পাৰ্বণ আৰু প্ৰশাসনিক কাৰ্যসূচীসমূহ অধিক সুচাৰু আৰু শৃংখলাবদ্ধভাৱে পৰিচালনা কৰাৰ উদ্দেশ্যেই এই 'ডেকা দলৈ' পদৰ সৃষ্টি কৰা হৈছে। বৰ্তমানৰ বৰ দলৈৰ লগতে ডেকা দলৈগৰাকীয়ে মন্দিৰৰ উন্নয়নমূলক কাম-কাজ আৰু ভক্তসকলৰ সুবিধা-অসুবিধাৰ বুজ লোৱাৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা পালন কৰিব বুলি স্থানীয় ৰাইজে আশা কৰিছে। নৱ কুমাৰ শৰ্মা ডেকা দলৈ হিচাপে নিৰ্বাচিত হোৱাৰ পিছতে স্থানীয় ৰাইজ, ভক্তপ্ৰাণ ৰাইজ তথা মন্দিৰ পৰিচালনা সমিতিৰ সদস্যসকলে তেওঁক উষ্ম আদৰণি আৰু শুভেচ্ছা জ্ঞাপন কৰে। নৱনিযুক্ত ডেকা দলৈ নৱ কুমাৰ শৰ্মাই কয় যে মন্দিৰৰ পবিত্ৰতা আৰু প্ৰাচীন পৰম্পৰা অক্ষুণ্ণ ৰখাৰ লগতে হয়গ্ৰীৱ মাধৱ মন্দিৰৰ সৰ্বাংগীণ উন্নয়নৰ বাবে তেওঁ নিষ্ঠাৰে কাম কৰি যাব। হাজোৰ এই প্ৰাচীন ধৰ্মীয় স্থানলৈ অহা দেশ-বিদেশৰ পৰ্যটক আৰু তীৰ্থযাত্ৰীসকলৰ সুবিধাৰ্থে সকলো ধৰণৰ প্ৰচেষ্টা হাতত লোৱা হ'ব বুলিও তেওঁ প্ৰকাশ কৰে। উল্লেখ্য যে কামৰূপ (মহানগৰ) জিলা ও সত্ৰ ন্যায়াধীশ গৌতম বৰুৱা স্বাক্ষৰিত নিৰ্দেশনা পত্ৰত প্ৰকাশ কৰা অনুসৰি সমিতিৰ সভাপতি তথা দলৈ পদত শিৱ প্ৰসাদ শৰ্মা, ডেকা দলৈ নৱ কুমাৰ শৰ্মা, সম্পাদক ধীৰেণ চন্দ্ৰ দাস, সদস্য হিচাপে অশ্বিনী কুমাৰ শৰ্মা, মুনীন্দ্ৰ শৰ্মা আৰু ত্ৰৈলোক্য কুমাৰ দাসক নিযুক্তি দিয়া হৈছে।

# নগাঁৱত ARTPS আৰু সেৱা সেতু সন্দৰ্ভত জিলা পৰ্যায়ৰ প্ৰশিক্ষণ-কৰ্মশালা

**অসম বাৰ্তা, বড়মপুৰ, ১৩ আগষ্ট ঃ** নগাঁও বিশ্ববিদ্যালয়ত আজি অসম জনসেৱাৰ অধিকাৰ আইন (ARTPS), নিয়মাৱলী আৰু Sewa Setu Portalৰ জৰিয়তে উপলব্ধ চৰকাৰী সেৱাসমূহ সন্দৰ্ভত এখন জিলা পৰ্যায়ৰ প্ৰশিক্ষণ-কৰ্মশালা অনুষ্ঠিত হয়। অসম চৰকাৰৰ তথ্য-প্ৰযুক্তি বিভাগৰ AITEC গু CSD Society আৰু নগাঁও বিশ্ববিদ্যালয়ৰ NSS Cellৰ যৌথ উদ্যোগত অনুষ্ঠিত কৰ্মশালাত জিলাখনৰ ১৫খন মহাবিদ্যালয়ৰ NSS Programme Officer, Volunteer Leaderসহ ২০০ৰো অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাখন উদ্বোধন কৰি নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকাই NSSৰ স্বেচ্ছাসেৱকসকলক তৃণমূল পৰ্যায়ত নাগৰিকসকলৰ মাজত ডিজিটেল চৰকাৰী সেৱা সম্পৰ্কে সজাগতা সৃষ্টি কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত তথ্য-প্ৰযুক্তি বিভাগৰ প্ৰশিক্ষণ আৰু সক্ষমতা বিকাশ বিশেষজ্ঞ ড° হেমন্ত ৰাভাই নাগৰিক-কেন্দ্ৰিক ডিজিটেল শাসন ব্যৱস্থাৰ গুৰুত্ব আৰু চৰকাৰী সেৱা জনসাধাৰণৰ ওচৰলৈ লৈ যোৱাত যুৱসমাজৰ ভূমিকা সম্পৰ্কে বক্তব্য আগবঢ়ায়। তেওঁ NSSৰ স্বেচ্ছাসেৱকসকলক সেৱা সেতুৰ ৰাষ্ট্ৰদূত হিচাপে কাম কৰি নাগৰিকসকলক Citizen ID সৃষ্টি, অনলাইন আবেদন, আবেদনৰ স্থিতি অনুসৰণ, লগতে ARTPSৰ অধীনত অভিযোগ আৰু আপীল দাখিলৰ ক্ষেত্ৰত সহায় কৰিবলৈ আহ্বান জনায়। কৰ্মশালাত ARTPS (Amendment) Act, 2024, সেৱা সেতুৰ বিভিন্ন সেৱা, Citizen ID সৃষ্টি, অনলাইন অভিযোগ আৰু আপীলৰ পদ্ধতিৰ বিষয়ে কাৰিকৰী প্ৰশিক্ষণ প্ৰদান কৰা হয়। অনুষ্ঠানৰ সামৰণিত তৃণমূল পৰ্যায়ত ডিজিটেল চৰকাৰী সেৱাৰ বিষয়ে জনসাধাৰণক সজাগ কৰাৰ ক্ষেত্ৰত NSSৰ ভৱিষ্যৎ ভূমিকা সন্দৰ্ভত মত-বিনিময় অনুষ্ঠিত হয়। অংশগ্ৰহণকাৰীসকলে নাগৰিকসকলক সময়মতে আৰু স্বচ্ছভাৱেচৰকাৰী সেৱা লাভ কৰাত সহায় কৰাৰ সংকল্প গ্ৰহণ কৰে। নগাঁও বিশ্ববিদ্যালয়ৰ NSS Programme Officer ড° মানস জ্যোতি নিৰ্মলীয়াই অনুষ্ঠানটো আঁত ধৰে।

# গোলাঘাটৰ বেঙেনাখোৱাত ৰে'লৰ খুন্দাত এজনৰ মৃত্যু

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৩ আগষ্ট ঃ** গোলাঘাট নগৰৰ সমীপৰ ফৰকাটিং যোৰহাট সংযোগী ৰেলৰে পথত যোৱানিশা নামনিমুৱা নাগালেণ্ড এক্সপ্ৰেছৰ খুন্দাত থিতাতে নিহত হয় এজন যুৱক। মৃত যুৱকজন গোলাঘাট আমোলাপট্টিৰ সুজিত দত্ত বুলি জানিব পৰা গৈছে। ঘটনাৰ খবৰ পাই ৰেল আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰাৰ লগতে মৃত যুৱকজনক উদ্ধাৰ কৰি মৰনোত্তৰ পৰীক্ষাৰ বাবে গোলাঘাটৰ শ্বহীদ কুশল কুঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আনহাতে কি পৰিস্থিতিত এই দুৰ্ঘটনা সংঘটিত হৈছে বৰ্তমান লৈকে জানিব পৰা হোৱা নাই।

# নিশা হ'লেই অন্ধকাৰত ডুব যায় দেৰগাঁও

**অসম বাৰ্তা, দেৰগাঁও, ১৩ আগষ্ট ঃ** দেৰগাঁৱত যোৱা কিছুদিন ধৰি পথ নিৰ্মাণ আৰু উন্নয়নৰ ক্ষেত্ৰত বিভিন্ন ইতিবাচক পৰিৱৰ্তন পৰিলক্ষিত হৈছে। ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা আৰম্ভ কৰি দেৰগাঁও-গোলাঘাট সংযোগী পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথলৈকে বিভিন্ন পথৰ উন্নয়ন আৰু সৌন্দৰ্যবৰ্ধনে ৰাইজক যথেষ্ট সকাহ দিছে। বিশেষকৈ শিক্ষাৰ্থী, ব্যৱসায়ী আৰু দৈনন্দিন যাতায়াত কৰা লোকসকল ইয়াৰ দ্বাৰা উপকৃত হৈছে। কিন্তু পথ উন্নয়নৰ মাজতে দেৰগাঁৱত আন এক গুৰুত্বপূৰ্ণ সমস্যাই ৰাইজক চিন্তিত কৰি তুলিছে। নিশা হ'লেই দেৰগাঁৱৰ বহু অঞ্চল অন্ধকাৰত ডুব যায়। ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথলৈকে বিভিন্ন স্থানত স্থাপন কৰা পথৰ লাইট বিগত তিনি-চাৰি দিন ধৰি নজ্বলোৱাত থকাত যাতায়াতকাৰীসকলে সমস্যাৰ সন্মুখীন হৈছে। বিশেষকৈ নিশাৰ সময়ত পথ পাৰ হোৱা বৃদ্ধ লোক, ছাত্ৰ-ছাত্ৰী আৰু পথচাৰীসকলৰ বাবে পৰিস্থিতি অধিক অসুবিধাজনক হৈ পৰিছে। পোহৰৰ অভাৱত পথ দুৰ্ঘটনাৰ আশংকাও বৃদ্ধি পাইছে বুলি স্থানীয় ৰাইজে উদ্বেগ প্ৰকাশ কৰিছে। ইয়াৰ উপৰি বৰষুণৰ ফলত বিভিন্ন স্থানত পানী জমা হোৱা আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ সন্মুখত কৃত্ৰিম বানৰ সৃষ্টি হোৱা বিষয়তো ৰাইজে সংশ্লিষ্ট কৰ্তৃপক্ষৰ গাফিলতিৰ অভিযোগ উত্থাপন কৰিছে। দেৰগাঁও সমষ্টিৰ বিধায়ক ডঃ মৃদুল কুমাৰ দত্তই সমষ্টিটোৰ উন্নয়নৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে যদিও পথৰ পোহৰকে ধৰি এনে মৌলিক সমস্যাসমূহৰ ক্ষেত্ৰত অধিক তৎপৰতা প্ৰয়োজন বুলি ৰাইজে মত প্ৰকাশ কৰিছে। স্থানীয় ৰাইজে অতি শীঘ্ৰে নষ্ট হৈ থকা পথৰ লাইটসমূহ মেৰামতি কৰি পুনৰ পোহৰৰ ব্যৱস্থা কৰাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত আহ্বান জনাইছে। লগতে বিষয়টো দেৰগাঁও সমজিলা প্ৰশাসনৰ দৃষ্টিগোচৰ কৰি শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈও দাবী জনাইছে দেৰগাঁৱৰ সচেতন নাগৰিকে।

প্ৰায় এক কিলোমিটাৰ দৈৰ্ঘ্যৰ বিপদসংকুল সাঁকোৰে নিতৌ বিদ্যালয়লৈ যাতায়াত কণকণ শিক্ষাৰ্থীৰ

# ডিজিটেল ইণ্ডিয়াৰ যুগতো মাজুলীৰ বুকুত জৰাজীৰ্ণ বাঁহৰ সাঁকো

**অসম বাৰ্তা, উজনী মাজুলী, ১৩ আগষ্ট ঃ** ডিজিটেল ইণ্ডিয়া আৰু বিকাশশীল অসমৰ শ্লোগানৰ মাজতো মাজুলীৰ ৰঙাচাহী অঞ্চলৰ এক নং ভূৰামৰা, দুই নং ভূৰামৰা আৰু ৰণচুকবাসীয়ে আজিও মৌলিক যাতায়াত ব্যৱস্থাৰ অভাৱত দুৰ্ভোগ ভুগি আহিছে। আধুনিক উন্নয়নৰ ধাৰাই সমগ্ৰ বিশ্বক আগুৱাই নিয়াৰ সময়ত এই অঞ্চলসমূহত এতিয়াও উন্নয়নৰ পৰশ নোপোৱাটোৱে চৰকাৰী দাবীৰ সৈতে বাস্তৱ ছবিখনৰ তীব্ৰ বৈপৰীত্য দাঙি ধৰিছে। অঞ্চলটোৰ এক নং ভূৰামৰা গাঁৱৰ কণ-কণ শিক্ষাৰ্থীকে ধৰি শতাধিক লোকে নিতৌ প্ৰায় এক কিলোমিটাৰ দৈৰ্ঘ্যৰ জৰাজীৰ্ণ বাঁহৰ সাঁকোৰে যাতায়াত কৰিবলগীয়া হয়। বৰষুণৰ বতৰত সাঁকোখন অধিক বিপদসংকুল হৈ পৰে। সামান্য অসাৱধানতাই যিকোনো সময়তে ভয়াবহ দুৰ্ঘটনাৰ সৃষ্টি কৰিব পাৰে বুলি অঞ্চলবাসীয়ে আশংকা প্ৰকাশ কৰিছে। শিশুসকলৰ সুৰক্ষাক লৈ প্ৰতিদিনে উৎকণ্ঠাত ভুগিবলগীয়া হৈছে অভিভাৱকসকল। বহু অভিভাৱকে নিজৰ সন্তানক পিঠিত বা বুকুচাত তুলি সাঁকো পাৰ কৰি বিদ্যালয়লৈ নিয়াৰ পিছতহে স্বস্তিৰ নিশ্বাস পেলায়। কিন্তু এই দৰে কিমান দিন সন্তানৰ জীৱনৰ সৈতে আপোচ কৰি যাতায়াত কৰিব লাগিব বুলি তেওঁলোকে প্ৰশ্ন উত্থাপন কৰিছে। অঞ্চলবাসীৰ অভিযোগ অনুসৰি, সমস্যাটো সন্দৰ্ভত স্থানীয় বিধায়ক ভুৱন গাম, পঞ্চায়ত প্ৰতিনিধি আৰু সংশ্লিষ্ট বিভাগক বহুবাৰ অৱগত কৰা হৈছে। তথাপিও আজিলৈকে স্থায়ী সমাধানৰ বাবে কোনো ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই। এতিয়া অঞ্চলবাসীৰ একেটাই দাবী- কণকণ শিক্ষাৰ্থীৰ জীৱনৰ সুৰক্ষা নিশ্চিত কৰাৰ স্বাৰ্থত অতি শীঘ্ৰে এখন স্থায়ী পকী দলং বা বিকল্প নিৰাপদ যাতায়াত ব্যৱস্থা গঢ়ি তোলা হওক। কোনো অনাকাংক্ষিত দুৰ্ঘটনা সংঘটিত হোৱাৰ পূৰ্বেই চৰকাৰ আৰু বিভাগীয় কৰ্তৃপক্ষই বিষয়টো গুৰুত্বসহকাৰে বিবেচনা কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব বুলি অঞ্চলবাসীয়ে আশা প্ৰকাশ কৰিছে।

# সৰুপথাৰত 'হৰ ঘৰ ত্ৰিৰংগা'ৰ অধীনত ত্ৰিৰংগা চাইকেল ৰেলী

## স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত দেশপ্ৰেম আৰু ৰাষ্ট্ৰীয় ঐক্যৰ বাৰ্তা

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ১৩আগষ্ট ঃ** স্বাধীনতা দিৱস উদযাপন উপলক্ষে সমগ্ৰ দেশৰ লগতে সৰুপথাৰ সমজিলাতো 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচীৰ অধীনত বুধবাৰে এক সুশৃংখলিত 'ত্ৰিৰংগা চাইকেল ৰেলী' অনুষ্ঠিত হয়। সৰুপথাৰ সমজিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত এইসজাগতামূলক চাইকেল ৰেলীয়ে অঞ্চলটোত দেশপ্ৰেম, ৰাষ্ট্ৰীয় ঐক্য আৰু নাগৰিক দায়িত্ববোধৰ এক সুন্দৰ বাৰ্তা কঢ়িয়াই নিয়ে। জাতীয় পতাকা লৈ চাইকেল আৰোহীসকলে ৰেলীত অংশগ্ৰহণ কৰি স্বাধীনতা দিৱসৰ তাৎপৰ্য আৰু 'হৰ ঘৰ ত্ৰিৰংগা' অভিযানৰ প্ৰতি জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰে। ৰেলীটোত সৰুপথাৰ সমজিলা প্ৰশাসনৰ সহকাৰী আয়ুক্তৰ লগতে বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰী, প্ৰতিনিধি আৰু সচেতন নাগৰিকে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। জাতীয় পতাকাৰে সজাই তোলা চাইকেল ৰেলীটিয়ে সৰুপথাৰৰ ৰাজপথত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। উল্লেখ্য যে, স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি দেশবাসীৰ মাজত জাতীয় পতাকাৰ প্ৰতি সন্মান আৰু দেশপ্ৰেমৰ অনুভূতি অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী গ্ৰহণ কৰা হয়। সৰুপথাৰত অনুষ্ঠিত এইত্ৰিৰংগা চাইকেল ৰেলীয়েও স্বাধীনতাৰ গৌৰৱময় ইতিহাস সোঁৱৰাই নতুন প্ৰজন্মক দেশৰ প্ৰতি দায়িত্বশীল হোৱাৰ আহ্বান জনায়।

গেন্ধালিত দুই শতাধিক লোকক চিকিৎসা প্ৰদান

# গোলাঘাট জিলা সাংবাদিক সংস্থাৰ উদ্যোগত চিকিৎসা শিবিৰ

**অসম বাৰ্তা, দেৰগাঁও, ১৩ আগষ্ট ঃ** উজনি অসমৰ কেইবাখনো জিলা বানৰ কবলত পৰি সৰ্বস্বান্ত হৈ আছে হেজাৰ হেজাৰ লোক। বানাক্ৰান্তৰ দুখ কুলাই পাচিয়ে নধৰা হৈছে। গোলাঘাট জিলাতো বানৰ কবলত পৰি দিকবিদিক হেৰুৱাই পেলাইছে বানাক্ৰান্তই। বানাক্ৰান্তক সামান্য সকাহ দিয়াৰ উদেশ্যে আজি দেৰগাঁও সমষ্টিৰ ব্ৰহ্মপুত্ৰ অঞ্চলৰ গেন্ধালি ৰংগমঞ্চ শিবিৰত গোলাঘাট জিলা সাংবাদিক সংস্থাৰ উদ্যোগত, সন্মিলিত যুৱ সমাজ দেৰগাঁৱৰ সহযোগত বৃহত্তৰ বানাক্ৰান্ত অঞ্চলটোৰ প্ৰায় দুই শতাধিক লোকক চিকিৎসা সেৱা প্ৰদান কৰা হয়। এন, আৰ, এল, বিবেকানন্দ কেন্দ্ৰ চিকিৎসালয়ৰ চিকিৎসকে চিকিৎসা সেৱা আগবঢ়াই শিবিৰটোত। এই চিকিৎসা শিবিৰটোত জিলা সাংবাদিক সংস্থাৰ সাধাৰণ সম্পাদক প্ৰণৱ চক্ৰৱৰ্ত্তী, উপদেষ্টা ৰাজেন পূজাৰী, বিচিত্ৰ ভূষন কলিতা, সহ সম্পাদক ইন্দুভুষন মহন্ত, প্ৰচাৰ সম্পাদক কুমুদ বৰা কাৰ্যনিৰ্বাহক সদস্য অভিজিত বৰা আৰু সন্মিলিত যুৱ সমাজ দেৰগাঁৱৰ হৈ পলাশ বৰা, প্ৰাঞ্জল দাস, মৃদুপৱন বৰা, মানৱ কলিতা আদি উপস্থিত থাকে। আনহাতে বিবেকানন্দ কেন্দ্ৰ চিকিৎসালয়ৰ হৈ চিকিৎসক ডাঃকৰবী শইকীয়া, ডাঃ দেৱাশিস শইকীয়াৰ নেতৃত্বত অহা এটা অভিজ্ঞ দলে ৰোগীসকলক স্বাস্থ্যসেৱা প্ৰদানকৰে। স্থানীয় ৰাইজে এই চিকিৎসা শিবিৰ অনুষ্ঠিত কৰাত উদ্যোক্তাসকলৰ শলাগ লয়।

# তিনিচুকীয়া জিলা কৃষি কাৰ্যালয়ত কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণৰ উদ্যোগত কৃষক- বিজ্ঞানীৰ মত বিনিময় অনুষ্ঠান

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৩ আগষ্ট ঃ** তিনিচুকীয়া জিলা কৃষি বিষয়াৰ কাৰ্য্যালয়ৰ সভাকক্ষত দুদিনীয়া কাৰ্য্যসূচীৰে ১২ আৰু ১৩ আগষ্টত জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা কৃষকৰ সৈতে কৃষি বিজ্ঞানী আৰু বিভাগৰ বিষয়াসকলৰ লগত এটি মত বিনিময় অনুষ্ঠান আয়োজন কৰা হয়। উক্ত অনুষ্ঠানত সহকাৰী কৃষি সঞ্চালক পংকজ কুমাৰ গগৈ, মহকুমা কৃষি বিষয়া (সদৰ) জুৰি গগৈ, উপ প্ৰকল্প সঞ্চালক-২ (ATMA) ডলী সন্দিকৈৰ লগতে সমল ব্যক্তি হিচাপে উপস্থিত থাকে তিনিচুকীয়া কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়বস্তু বিশেষজ্ঞ (পথাৰ শস্য) প্ৰিয়ংকা এমোঙ আৰু ড° সঞ্চয়িতা গোহাঁই (উদ্যান শস্য)। কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণৰ খণ্ড প্ৰযুক্তি পৰিচালক নয়ন সোণোৱালে আঁত ধৰা অনুষ্ঠানত সহকাৰী কৃষি সঞ্চালক পংকজ কুমাৰ গগৈয়ে অনুষ্ঠানৰ উদ্দেশ্যে ব্যাখ্যা কৰাৰ লগতে কৃষকসকলক উদ্দেশ্যি আধুনিক কৃষি পদ্ধতিৰ ওপৰত বক্তব্য আগবঢ়ায়। কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়বস্তু বিশেষজ্ঞ প্ৰিয়ংকা এমোঙে ধান, মাটিমাহ আৰু তৈল জাতীয় শস্যৰ আধুনিক পদ্ধতিৰ ওপৰত কৃষকসকলৰ আগত বক্তব্য আগবঢ়ায় লগতে ৰাসায়নিক আৰু জৈৱিক সাৰৰ প্ৰয়োজন, নিয়ন্ত্ৰণ আদিৰ ওপৰত কৃষকসকলৰ লগত আলোচনা কৰে। আনহাতে কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়বস্তু বিশেষজ্ঞ (উদ্যান শস্য) ড° সঞ্চয়িতা গোহাঁইয়ে উন্নত জাতৰ ৰবি শস্য যেনে ব্ৰকলি, বন্ধাকবি, বিলাহী আদি উন্নত কৃষি পদ্ধতি, শস্য পৰিচৰ্য্যাৰ বিষয়ে বিশদভাৱে আলোচনা কৰাৰ লগতে লগতে নাৰ্ছাৰী, ক'কপিটৰ ব্যৱহাৰ আৰু পুলি বাৰীৰ যতনৰ সম্পৰ্কে কৃষকসকলৰ লগত আলোচনা কৰে।

# সমগ্ৰ দেশজুৰি এতিয়া 'ডিজিটেল এৰেষ্ট'ৰ নতুন সন্ত্ৰাস

এই ভয়াৱহ চাইবাৰ অপৰাধৰ জাল এতিয়া বিস্তৃত হৈছে অসমলৈকো

**অসম বাৰ্তা, বৰপেটাৰোড, ১৩আগষ্ট ঃ** আজি বৰপেটাৰোডত গুজৰাট আৰক্ষীয়ে চলোৱা এক বিশেষ অভিযানত আটক কৰিছে বৰপেটাৰোডৰ নিচুকাৰ ৰফিকুল আলনক। ডিজিটেল এৰেষ্টৰ দৰে ভয়ংকৰ প্ৰৱঞ্চনাৰ সৈতে জড়িত থকাৰ অভিযোগত গুজৰাট আৰক্ষীয়ে বৰপেটাৰোড আৰক্ষীৰ সহযোগত এই সফলতা অৰ্জন কৰিছে। সাৱধান! আপোনাৰ এটা ভুল ফোন কলেই খালি কৰিব পাৰে আপোনাৰ বেংক একাউণ্ট। ডিজিটেল এৰেষ্টৰ নামত দেশজুৰি চলি থকা বৃহৎ প্ৰৱঞ্চনা চক্ৰৰ এজন সদস্য এতিয়া আৰক্ষীৰ জালত। ঘটনাৰ বিৱৰণী অনুসৰি, গুজৰাটত সংঘটিত হোৱা এক ডিজিটেল এৰেষ্টৰ গোচৰৰ সূত্ৰ ধৰি গুজৰাট আৰক্ষীৰ এটা দল উপস্থিত হয় বৰপেটাৰোডত। স্থানীয় বৰপেটাৰোড আৰক্ষীৰ সহযোগত চলোৱা এক গোপন অভিযানত আটক কৰা হয় অভিযুক্ত যুৱকজনক। জানিব পৰা মতে, আটক কৰা যুৱকজনে ডিজিটেল এৰেষ্টৰ জৰিয়তে মানুহক মানসিক হেঁচা দি ধন সংগ্ৰহ কৰা এটা আন্তঃৰাজ্যিক চক্ৰৰ সৈতে সক্ৰিয়ভাৱে জড়িত আছিল। গুজৰাটত কোনো লোকক ডিজিটেল এৰেষ্টৰ ভয় দেখুৱাইবৃহৎ পৰিমাণৰ ধন লুট কৰাৰ অভিযোগত আৰক্ষীয়ে তেওঁক বিচাৰি আছিল। অৱশেষত মোবাইল টাৱাৰ লোকেচনৰ ভিত্তিত গুজৰাট আৰক্ষীয়ে বৰপেটাৰোডত অভিযান চলাই তেওঁক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। বৰ্তমান ধৃত যুৱকজনক অধিক সোধা-পোছাৰ বাবে গুজৰাটলৈ লৈ যোৱাৰ প্ৰস্তুতি চলোৱা হৈছে। এই চক্ৰটোৰ সৈতে অসমৰ আৰু কোনো লোক জড়িত আছে নেকি, তাক লৈও এতিয়া আৰক্ষীয়ে তদন্ত তীব্ৰতৰ কৰি তুলিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন